নগাঁও ছোৱালী মহাবিদ্যালয়

# আলোচনী



সম্পাদনাত

দীপিকা দাস

॥ নগাঁও ছোৱালী মহাবিদ্যালয় আলোচনী ॥

শ্ৰদ্ধা আৰু প্ৰীতিৰে

শ্ৰী ............................................ ..................

আগবঢ়োৱা হ'ল।

........................

তত্বাৱধায়ক :
অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা

সম্পাদনাত :
শ্ৰীদীপিকা দাস

# ॥ নগাঁও ছোৱালী মহাবিদ্যালয় আলোচনী ॥

১৯৮৩ চন

তত্ত্বাৱধায়ক :
অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা

সম্পাদনাত :
শ্ৰীদীপিকা দাস

NOWGONG GIRLS' COLLEGE MAGAZINE : 1983.

Vol : IV

*Edited by* Dipika Das.

*Published by*

Dr. R. K. Baruah

Principal, Nowgong Girls' College.

*Printed at* Suchanda Press : Nowgong.

চতুৰ্থ প্ৰকাশ : চতুৰ্থ সংখ্যা

প্ৰকাশক : অধ্যক্ষ, নগাঁও ছোৱালী কলেজ

ছপা : সুছন্দা প্ৰেছ : নগাঁও

বেটুপাতৰ শিল্পী : শ্ৰীচয়নিকা শৰ্মা

## অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি :

অসমৰ সাম্প্ৰতিক অস্তিত্ব ৰক্ষা সংগ্ৰামৰ প্ৰতিজন জ্ঞাত-অজ্ঞাত শ্বহীদ ।

বিশ্ববিশ্ৰুত পণ্ডিত দানবীৰ ৺কৃষ্ণকান্ত সন্দিকৈ ।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺সীতানাথ ব্ৰহ্মচৌধুৰী ।

অসমৰ খ্যাত সাহিত্যিক বুৰঞ্জীবিদ, সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺বেণুধৰ শৰ্মা ।

অসমৰ খ্যাত সাহিত্যিক অধ্যাপক ৺নন্দ তালুকদাৰ ।

পঞ্জাবৰ ৰাজ্যপাল, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৺মহেন্দ্ৰ মোহন চৌধুৰী ।

ভাৰতৰ ভূদান যজ্ঞৰ নেতা আচাৰ্য বিনোৱাভাবে ।

বিশ্বৰ আগশাৰীৰ ৰাজনীতিবিদ ছোভিয়েট প্ৰেছিডেণ্ট ৺লিওনিদ ব্ৰেজনেভ ।

কথাছবি জগতৰ প্ৰখ্যাত অভিনেতা আৰু পালকে পুৰস্কাৰ বিজেতা চোহৰাব মোডী ।

এইসকলৰ পবিত্ৰ স্মৃতিত আমি অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ ।

## শোকাশ্রু ঃ



**৺বিনয় চন্দ্ৰ বৰা ঃ** যোৱা ৯-২-৮২ ইং তাৰিখে আমাৰ কলেজৰ জ্যেষ্ঠ অধ্যাপক বিনয় চন্দ্ৰ বৰাদেৱে অকালতে অকস্মাতে আমাৰ মাজৰ পৰা চিৰ বিদায় লয় ।

**এই সংখ্যা কলেজ আলোচনী প্ৰয়াত অধ্যাপক বিনয় চন্দ্ৰ বৰাৰ স্মৃতিত শোকাকুল অন্তৰেৰে উছৰ্গা কৰা হ'ল ।**

## শুভেচ্ছা বাণী ঃ

নগাঁও কন্যা মহাবিদ্যালয়ৰ ছাত্ৰীসকলে বাৰ্ষিক আলোচনী পত্ৰিকা এখন প্ৰকাশ কৰে। আশাকৰো ইয়াৰপৰা তেওঁবিলাকৰ জ্ঞান আহৰণৰ স্পৃহা আৰু প্ৰকাশৰ ক্ষমতা বাঢ়িব।

জ্ঞানাৰ্জ্জন আৰু দেশপ্ৰীতি বাকা আৰু অৰ্থৰ দৰেই সংপৃক্ত।

অনুষ্ঠানৰ লগত জড়িত সকলোৰে মঙ্গল কামনা কৰোঁ। ভদ্ৰ। শান্তি। স্বস্তি।

শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা
২৩ কাতি, ১৯০৫ শক।

কলেজ আলোচনী শিক্ষক-শিক্ষাৰ্থীৰ মৌলিক প্ৰতিভাৰ প্ৰকাশ-মাধ্যম। আলোচনীৰ পাতত কলেজৰ ক্ৰিয়া-কলাপৰ সাৰ্থক প্ৰতিচ্ছবিয়ে পঢ়ুৱৈ সমাজৰ দৃষ্টি আকৰ্ষণ আৰু সমাদৰ লাভ কৰিলে কলেজ সম্প্ৰদায় অনুপ্ৰাণিত হব।

কলেজ আলোচনীখনৰ উত্তৰোত্তৰ সাফল্য কামনা কৰিলোঁ।

ডঃ ৰতুকান্ত বৰুৱা
অধ্যক্ষ
নগাঁও ছোৱালী কলেজ।

জানুৱাৰী, ১, ১৯৮৪

# ॥ ছাত্ৰীসকলৈ একাষাৰ ॥

**শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী**
প্ৰাক্তন অধ্যক্ষ,
নগাঁও ছোৱালী কলেজ

আজি ১৮ বছৰৰ ওপৰ কাল নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ থাকিলোঁ, কিন্তু ইয়াৰ ভিতৰত ছাত্ৰীসকলৰ অদম্য উৎসাহ-উদ্দীপনা স্বত্বেও কলেজৰ আলোচনী এখন উলিয়াব নোৱাৰাটো অতি দুখৰ কথা। ইয়াৰ আচল কাৰণ অৰ্থভাৱেই প্ৰধান। ছোৱালীৰ পৰা পোৱা দুটকা চাৰি টকা অৰিহণাৰে এখন আলোচনী উলিওৱাটো সম্ভবপৰ নহয়। এইবাৰ উলিয়াবলৈ দিহা কৰাত সঁচাকৈয়ে মই আনন্দিত হৈছো। আলোচনীখন যাতে সুন্দৰ হয়, তাক আশা কৰিছোঁ।

কিন্তু কথা হ'ল ছোৱালীবিলাকক বোলে মোৰ প্ৰৱন্ধ এটা লাগে। পিছে লিখিমনো কি? আগৰ দিনৰ ঋষি-মুনিসকলে কৈছিল "যুবাস্যাৎ সাধু যুবাধ্যায়কঃ আশিষ্ঠা দ্ৰঢ়িষ্ঠোঃ বলিষ্ঠঃ তস্যেয়ং পৃথিৱী সৰ্ব্বাবিত্তস্য পূৰ্ণাস্যাৎস একো মানুষ আনন্দঃ" ছাত্ৰ যেন প্ৰকৃত যুৱক হয়, সাধু যুৱক হয়, শ্ৰেষ্ঠ শৃংখলা ৰক্ষক হয়, অতি দৃঢ় আৰু শক্তিমন্ত হয়, এনে ছাত্ৰ-ছাত্ৰীৰ বাবে সমস্ত জগতেই ঐশ্বৰ্য্যময়ী হৈ উঠিব, আৰু মানুহেই মানুহ হ'ব আনন্দপূৰ্ণ।

এনে কথা কবলৈ গ'লেই উপদেশ দিয়াহে হ'ব। আজি কালি উপদেশ কোনেও শুনি ভাল নাপায়। তেতিয়াৰ কালত ছাত্ৰ-ছাত্ৰীয়ে নিয়মিত শৰীৰ চৰ্চ্চা, মনোযোগ আৰু নিয়মিত কৰ্ত্তব্য পালনৰ দ্বাৰা সকলো দিশে আগবাঢ়ি গৈছিল আৰু সেই দেখি জীৱনত কৃতকাৰ্য্যও হৈছিল। তেওঁলোকে শিক্ষাৰ আৰম্ভতে শান্তি পাঠ কৰিছিল যাতে গুৰু-শিষ্য উভয়কে পৰম ব্ৰহ্মাই প্ৰতিপালন কৰে, নিৰাপদে শিষ্যই গুৰুৰ পৰা আত্মজ্ঞান লাভ কৰিব পাৰে, আৰু গুৰুৱেও যাতে নিৰালস্য ভাৱে জ্ঞান দিব পাৰে। গুৰু আৰু শিষ্য উভয়ৰে মাজত পৰস্পৰৰ প্ৰতি কোনো বিদ্বেষ ভাৱ যেন কেতিয়াও নাথাকে। শিষ্যৰ অধীত বিদ্যা আৰু গৃহীত উপদেশ যেন সফল হৈ স্বয়ং প্ৰকাশিত হয়—

ওঁম সহনাৱৱতু সহনৌভুনক্তু;
সহ বীৰ্যম্ কৰৱাৱহৈ ;
তেজস্বিনাৱধিতমস্তু, মা বিদ্বিষা ৱহৈ।
ওঁম শান্তিঃ

মই এতিয়া উপদেশ কেনেবাকৈ ছাত্ৰীসকলক শুনাব লাগিলে হয়তো এই ঠাইকেই ত্যাগ কৰিব লাগিব, নহয় ছাত্ৰীসকলেই ত্যাগ কৰিব। এতিয়াৰ ল'ৰা-ছোৱালীক এইবোৰ কথা নালাগে। তেওঁলোকক লাগে সস্তীয়া কথা, সস্তীয়া গল্প-কাহিনীৰ কথা। ল'ৰা-ছোৱালীয়ে ইফালে সিফালে চাব কেৱল সাজ-পাৰ, ভেষ-ভূষালৈহে। হওক আমাৰ আপত্তি নাই; ভিন্ন "ৰুচিৰ্হি লোকাঃ।"

যদি কওঁ ল'ৰা-ছোৱালীবোৰে পঢ়া-শুনাত মন নিদি ৰাজনীতিত বেছিকৈ লাগিছে, ফলত পৰীক্ষাৰ ফল দিনে দিনে বেয়াৰ ফালে ঢাল খাইছে; পোনেই তেওঁলোকে এশ এবুৰি উদাহৰণ তৰিব, মূৰ গুঁজি, পঢ়া-শুনা কৰি থকা দুই এজনৰ কথা উনুকিয়াই ক'ব বোলেঃ "সোঁ কিজনে কিনো কৰিলে? দেশত এনে হাঁহাকাৰ—খাদ্য সমস্যা, ভেজাল সমস্যা, চোৰাং বজাৰ, চাকৰি নাই, এনে এশ-এবুৰি সমস্যাৰ মাজত এই সময়ত কোন মানুহেনো বাবু ৰাজনীতি নকৰাকৈ থাকিব পাৰে? গতিকে ছাত্ৰ-মানেই ৰাজনীতি কৰিবই লাগিব।"

তেতিয়াতো আমাৰ ক'বলৈ একো উপায় নাই। ৰাজনীতি অধ্যয়ন কৰি ভাল ৰাজনীতিজ্ঞ হওক—আমাৰ আদৰণিহে পাব।

আৰু যদি কওঁ 'ছাত্ৰানাম্ অধ্যয়নং তপঃ—ঋষি-মুনিসকলে ভগৱানক পাবলৈ যেনেকৈ তপস্যা কৰে তেনেকৈ ছাত্ৰ-ছাত্ৰীসকলেও পঢ়া-শুনাৰ কাৰণে তপ কৰিব লাগিব। ছাত্ৰৰ অন্য তপ নাই, অধ্যয়নেই তপ। তেতিয়া হয়তো তেওঁলোকে ক'ব "আমাৰ তপ কৰিবলৈ সময় ক'ত? আগেয়ে ঋষি-মুনিসকলে পাৰিছিল, কাৰণ তেওঁলোকৰ বাকলি বসনেই চলিছিল। গছৰ ফল-মূলেই আছিল খাদ্য। এতিয়া সেই যুগ নহয়। আজিৰ এই খাদ্যৰ হাহাঁকাৰৰ দিনত কাৰ ধৈৰ্য্য আছে তেনেকৈ তপস্যা কৰিবলৈ?"

এনেকৈ বিভিন্ন কথাৰ উত্তৰ দি বক্তাৰ মুখ বন্ধ কৰাটো একো আচৰিত নহয়। পিছে এইটোও ঠিক যে আজি য'ত তেওঁলোকে পঢ়িছে তাত অধ্যাপকসকলে অৰ্থাৎ শিক্ষা গুৰুৱে শিকাইছে, ছাত্ৰ-ছাত্ৰীসকলেও শিক্ষা লৈছে, আৰু অধ্যাপক-সকলেই বা জ্ঞানদাতা গুৰুসকলেই যে শ্ৰেষ্ঠ তাকো শাস্ত্ৰসমূহত কৈছে—

তিনিজন মহাগুৰু সংসাৰী লোকৰ।
জ্ঞানদাতা গুৰু তাতে অতি শ্ৰেষ্ঠতৰ ॥
জ্ঞানদাতা গুৰুৰ সমান নাহি আন।
নাহি ধৰ্ম-জ্ঞান গুৰু-সেৱাৰ সমান ॥

আৰু -

ভক্তিজ্ঞান দাতা গুৰু পূজ্য অতিশয়।
সেহি হেতু গুৰু এবে কহিলো নিতয় ॥

এতিয়া সেই গুৰু ছাত্ৰৰ সম্বন্ধ নোহোৱা হৈ পৰিল। এতিয়া গুৰুৱে শিষ্যক দেখি বাট এৰি দিব লগাত পৰিল, শিষ্যৰ আগত গুৰু দণ্ডায়মান হৈ থকাৰ দিন আহিল। শিষ্যই গুৰুক দণ্ড বিহিব পৰা হ'ল। এনে অৱস্থাত গুৰুৱে বাৰু কি শিক্ষা দিব? আগেয়েআছিলঃ গুৰুৱে দিয়ে মাটি, শিষ্যে ধৰে অঁাটি। পিছে এতিয়া অঁাটি ধৰা শিষ্যই নাই, গুৰুৱেনো কি মাটি দিব?

ছাত্ৰ-ছাত্ৰীসকলৰ সমাৰোহত আমাৰ উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰত আমি নজনাকৈয়ে ৰেখাপাত কৰে। আমাৰতো অন্য একো নাই— ছাত্ৰ-ছাত্ৰীয়েই আমাৰ জীৱন, আমাৰ সম্বল। আজিৰ একোজন ছাত্ৰ-ছাত্ৰীয়েই যেতিয়া ডাঙৰ হৈ যাব, কোনোবা বিশ্ব-বিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা হ'ব, উপাচাৰ্য্য হ'ব, ডাঙৰ গৱেষণাগাৰৰ অধ্যক্ষ হ'ব, কোনোবা মন্ত্ৰীসভাৰ স্বনামধন্য মন্ত্ৰী হ'ব, বা কোনোবা ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতি হ'ব, তেতিয়া তেওঁলোকে নজনাকৈয়ে এই শিক্ষক জনে কিমান বা আনন্দ পাব তাৰ কোনোবাই হিচাপ লব পাৰিবনে? এনে এটি আনন্দত এই বুঢ়া শিক্ষকেই আপোনভোলা হৈ পৰে, তেওঁ পাহৰি যায় অতীতৰ আন কথা, দুখ বেদনা নিৰ্য্যাতনৰ কথা, কোনোবা ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াবা বেয়া ব্যৱহাৰ কৰিছিল যদিও এই কথাবোৰ তেতিয়া আৰু মনত নাথাকে। তেতিয়া মাথোঁ এটা অজানিত আনন্দত মন ভৰি উঠে—সকলো ছাত্ৰ-ছাত্ৰীয়েই সমান সকলো ছাত্ৰ-ছাত্ৰীয়েই সুন্দৰ— এনে অনুভৱ হয়।

প্ৰায় চল্লিচ বছৰ শিক্ষকতা কৰাৰ পৰা ইয়াকে পাইছোঁ আৰু সেই অভিজ্ঞতাৰ পৰাই বিচাৰিছোঁ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰি সকলো বিষয়ৰ অধ্যয়নৰ তপ কৰি ডাঙৰ হওক—আমাক মনত আনন্দ দিয়ক আৰু কামত আহক নাহক উপনিষদৰ গুৰুৰ আশীৰ্বাদকে ময়ো দোহৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। "সত্যান্ন প্ৰমদিত্যব্যম ধৰ্মান্ন প্ৰমদিতব্যম কুশলান্ন প্ৰমদিতব্যম, স্বাধ্যায় প্ৰৱচনাভ্যাস ন-প্ৰমাতিব্যম"— সত্যৰ পৰা, ধৰ্ম পথৰ পৰা, আৰু সামাজিক আৰু আৰ্থিক মঙ্গল সাধনৰ পৰা বিচলিত নহবা, জ্ঞান আহৰণ আৰু বিস্তাৰণৰ পথৰ পৰা বিচলিত নহবা।

ওঁম্ শান্তিঃ শান্তিঃ ওম্ শান্তিঃ ॥

## শুভেচ্ছা বাণী ঃ

নগাঁও বালিকা মহাবিদ্যালয়খন স্থাপনৰ আৰম্ভণিতে নাগৰিক হিচাবে আমি বহুত পৰিকল্পনাৰ কথাই শুনিছিলো আৰু এই মহাবিদ্যালয়খনে বহুমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ এক অনুষ্ঠান হব বুলিও তেঁতিয়াৰ কৰ্ম্মকৰ্ত্তাসকলে এক সপোন দেখিছিল। কিন্তু বাইশটা বছৰ পূৰ্ণ হৈ যোৱা সত্ত্বেও এই মহাবিদ্যালয়ে সেই সপোন দিঠকত পৰিণত কৰাৰ বাবে কোনো দৃঢ়-পদক্ষেপ দিব পৰা নহল। যোৱা ১২।৯।৮৩ তাৰিখে এই মহাবিদ্যালয়ে বাইশ বছৰ পূৰ্ণ হোৱা উৎসৱৰ যোগে যৌৱনত ভৰি দিলে।

এই মহাবিদ্যালয়ৰ শিক্ষাৰ পৰিবেশ আৰু পৰীক্ষাৰ ফলাফলৰ পৰিবেশ অৱশ্যে প্ৰশংসনীয়। প্ৰবক্তা আৰু ছাত্ৰীৰ কৰ্ত্তব্যনিষ্ঠাৰ যোগে এইটো সম্ভৱ হৈছে। মহাবিদ্যালয়ৰ চৌহদী ৰাজনৈতিক কাৰ্য্যকলাপ আঁতৰি থকাৰ কাৰণে শিক্ষাৰ আৱহাওঁৱা পৰিষ্কাৰ হৈ আছে আৰু ভৱিষ্যতেও থাকিব বুলি মোৰ বিশ্বাস।

কিন্তু অতি পৰিতাপৰ বিষয় হ'ল গৃহাদি নিৰ্ম্মাণ। যোৱা কেইটা বছৰ অতি পুতৌ লগা পাৰিপাৰ্শ্বিকতাৰ মাজত আৰু উৰুখা ছালৰ তলত ছাত্ৰীয়ে শিক্ষা লবলগীয়া হোৱাটো অতি অসুবিধাৰ কথাই নহয় নগঞা ৰাইজৰ কাৰণে এক লজ্জাকৰ দৃশ্যও। নানান ভুল আৰু কৰ্ম্ম-বিমুখতাৰ কাৰণে এই বিদ্যালয়খনৰ দৃশ্য এনে অৱস্থাত ৰবলৈ পালে।

এক আশাৰ সঞ্চাৰ হৈছে - এইবাৰ প্ৰবক্তা আৰু ছাত্ৰী সকলে কলেজ কৰ্তৃ-পক্ষৰ লগত সহযোগিতাৰে হাত মিলাই গৃহাদি নিৰ্ম্মাণৰ কাৰণে আগবাঢ়ি অহা কথাত। সুদক্ষ অধ্যক্ষ, উদ্যোগী প্ৰবক্তা আৰু ছাত্ৰীৰ অভিভাৱকৰ সহযোগিতাত মহাবিদ্যালয়খনৰ দ্ৰুতগতিৰ পৰিবৰ্তন হব বুলি বিশ্বাস ৰাখো। ভগৱানে আমাক শক্তি দিয়ক।

**শ্ৰীলক্ষেশ্বৰ হাজৰিকা**
সভাপতি : নগাঁও বালিকা মহাবিদ্যালয়।
পৰিচালনা সমিতি

নগাঁও
৮।১০।৮৩

নব-নিযুক্ত অধ্যক্ষ
**ড° ৰত্নকান্ত বৰুৱা**



প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত মহেশ্চন্দ্ৰ দেৱগোস্বামীদেৱে অৱসৰ গ্ৰহণ কৰাৰ পিছত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পৰীক্ষাসমূহৰ প্ৰাক্তন নিয়ন্ত্ৰক আৰু শৈক্ষিক পঞ্জীয়ক, সুদক্ষ প্ৰশাসক ড° ৰত্নকান্ত বৰুৱাদেৱে আমাৰ কলেজৰ অধ্যক্ষৰূপে যোগদান কৰে।

## তত্ত্বাৱধায়কৰ একেষাৰ

অসমীয়া আলোচনী সাহিত্যৰ বুৰঞ্জীত শিক্ষানুষ্ঠানৰ পৰা প্ৰকাশিত মুখপত্ৰসমূহৰ এডোখৰ তাৎপৰ্য্যপূৰ্ণ স্থান আছে। ই ছাত্ৰ-ছাত্ৰীৰ সৃজনমুখী জ্ঞান বিকাশৰ মাধ্যম। এনেদৰে প্ৰকাশ কৰা আলোচনীৰ পাতত ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ পৰিধি, জ্ঞানৰ মাত্ৰা, ৰুচি আৰু ভাষা জ্ঞানৰ সম্যক পৰিচয় পোৱা যায়। এখন উৎকৃষ্ট গ্ৰন্থত ব্যক্তি, সমষ্টি বা সমাজ প্ৰতিফলিত হোৱাদি স্কুল-কলেজৰ একোখন আলোচনীৰ মাজতো কোনো এক সময়ৰ ছাত্ৰ সমাজৰ সম্যকৰূপ প্ৰকাশ পায়। স্কুল-কলেজৰ আলোচনীৰ যোগেদি বিশ্বৰ সাহিত্য জগতৰ মনীষী সাহিত্যিকৰ প্ৰাৰম্ভিক সাহিত্যিক জীৱনৰ পত্তন হয়। অসমীয়াত ক'বৰ দৰে -জুইশালত গঢ়িলেহে কমাৰশালত গঢ়িব পাৰি'—অৰ্থাৎ জুইশাল স্বৰূপ স্কুল-কলেজৰ আলোচনীত লিখি লৈ শিকিলেহে মোৰ বোধেৰে সময়ত কমাৰশালৰ নিপুণ কমাৰৰ দৰে জাতীয় ভাষা-সাহিত্যৰ একোজন নিপুণ সাহিত্য-সাধক হ'বলৈ সক্ষম হ'ব পাৰে। আমাৰ কলেজ-আলোচনীখনেও তেনে ভূমিকা লৈ ন-লেখকৰ সৃষ্টিত সহায়ক হ'ব পাৰিলে সন্তোষৰ কথা হ'ব। আমাৰ এই আলেচনীয়ে ছাত্ৰীসকলৰ 'পঢ়া-শুনা কৰি লেখা অভ্যাস' গঠন কৰিব পাৰিলে আৰু প্ৰতি বছৰে ব্যাহত নোহোৱাকৈ আলোচনী প্ৰকাশৰ পৰম্পৰা জীয়াই ৰাখিব পাৰিলে কেইবা বছৰ বিৰতিৰ পিছত প্ৰকাশ কৰা এই আলোচনীখনৰ সাৰ্থকতা তেতিয়াহে হ'ব।

আমাৰ কলেজ আলোচনীখন ১৯৮৩ চনতে ছাত্ৰীসকলৰ হাতত দিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু ছাত্ৰীসকলৰ লেখনিসমূহ সময়মতে আমাৰ হাতত নপৰাটোৱেই পলম হোৱাৰ প্ৰধান কাৰণ। আৰু সাধাৰণতে আলোচনী প্ৰকাশৰ ইয়েই প্ৰধান অন্তৰায় বুলিলেও বঢ়াই কোৱা নহয়। অৱশ্যে আৰ্থিক দিশটো উলাই কৰিব নোৱাৰি। যাহওক ভৱিষ্যতে আমাৰ ছাত্ৰীসকল এই বিষয়ত অধিক সচেতন হ'ব বুলি আশা ৰাখিলোঁ।

আলোচনীখন কলেৱৰত সৰু হ'ল, ই আৰ্থিক কাৰণ। কিন্তু ভিতৰৰ সাহিত্য-কৰ্মৰ গুণগত সবলতা-দুৰ্বলতা, ছাত্ৰীসকলৰ চিন্তা-চৰ্চা আৰু অধ্যয়নৰ গভীৰতাৰ ওপৰতে নিৰ্ভৰশীল। সেই বিষয়ে টিপ্পনী দিয়াৰ দায়িত্ব আমাৰ নহয়। কিন্তু অন্যান্য ত্ৰুটী-বিচ্যুতিৰ পৰা তত্বাৱধায়ক হিচাবে হাত সৰাৰ উপায় নাই। আলোচনীখনত প্ৰবন্ধ গল্প, কবিতা গীত আদি সচৰাচৰ থকা সাহিত্যৰ ৰূপ কেইটাৰ উপৰিও ব্যঙ্গ-কৌতুক, পেৰডি, নাটক বা নাটকীয় প্ৰবন্ধ, ৰস-ৰচনা, একাঙ্কিকা, ভাষিক প্ৰবন্ধ, ঐতিহাসিক প্ৰবন্ধ, ভ্ৰমণ বৃত্তান্ত আৰু অনুবাদমূলক প্ৰবন্ধ আদি সংযোগ কৰাৰ স্থল আছিল। কিন্তু ছাত্ৰীসকলে ইবোৰৰ যোগান ধৰিব নোৱাৰিলে। ভৱিষ্যতে বিভিন্ন সাহিত্যৰূপৰ সম্ভাৰেৰে কলেজ আলোচনীখন আকৃতি আৰু প্ৰকৃতি দুয়োদিশতে পুষ্ট আৰু দৰ্শনীয় কৰি প্ৰকাশ হোৱাত সহায় কৰিবলৈ কলেজৰ ছাত্ৰীসকল সচেষ্ট হ'ব বুলি আশা ৰাখিলোঁ।

ছাত্ৰীসকলে বিশেষ ভাৱে মন কৰা উচিত যে মৌলিক চিন্তা-চৰ্চাৰে লিখা গল্প, প্ৰবন্ধ, কবিতা বা আন বিষয়ৰ ৰচনাসমূহকহে আলোচনীৰ বাবে অগ্ৰাধিকাৰ দিয়া হয়। আনৰ পৰা হুবহু নকল কৰাটো এটা ডাঙৰ অপৰাধ। যিবোৰ ৰচনা বা প্ৰবন্ধ আন লেখক বা গ্ৰন্থৰ সহায় লৈ লেখা হয় বা গবেষণা-মূলক, সেইবোৰত লেখক আৰু গ্ৰন্থপঞ্জীৰ নাম উল্লেখ থাকিব লাগে। আমাৰ এই সংখ্যা আলোচনীৰ বাবে যুগুতাই পঠোৱা ছাত্ৰীসকলৰ কিছু প্ৰবন্ধ-পাতি এনেদৰে ত্ৰূটীপূৰ্ণ হোৱা বাবে নাকচ কৰা হৈছে। যিবোৰ লিখনি আলোচনীৰ বাবে পঠাব খোজা হয় সেইবোৰ কাগজৰ এপিঠিত সহজে পঢ়িব পৰাকৈ ছাত্ৰী সকলে যেন ভৱিষ্যতে দিবলৈ চেষ্টা কৰে। সাধুকথা আৰু গল্পৰ মাজৰ প্ৰভেদ ছাত্ৰীসকলে নেৰাখি গল্প বুলি সাধুকথাকে লেখি পঠায়। সাধুকথাই মোট সলাই আধুনিক ৰূপত আত্ম-প্ৰতিষ্ঠা কৰি নিজৰ পথেৰে অগ্ৰসৰ হোৱাৰ বহু যুগেই পাৰ হ'ল। মানুহৰ জীৱনৰ অলেখ সঁচা আৰু জীয়া কাহিনী ভৰপূৰ হৈ থাকোতে অশৰীৰী ভূত-প্ৰেত, দাইনী-যখিনীক লৈ ভৌতিক গল্প লিখি আলোচনীলৈ পঠালে গ্ৰহণ কৰা নহয়। মানুহৰ জীৱন কাহিনীকে গল্পৰ মাজেদি কলাত্মক ৰূপ দিবলৈ ছাত্ৰীসকলে যত্ন কৰিব লাগে।

শেষত আমাৰ কলেজ আলোচনীয়ে ভৱিষ্যতে ছাত্ৰীসকলৰ মাজৰ পৰা নতুন লেখকৰ সৃষ্টি কৰি অসমীয়া ভাষা-জননীৰ বেদীত একোপাহি ফুল দিবলৈ যেন সক্ষম কৰিব পাৰে ইয়াকে কামনা কৰিলোঁ। ইতি—

**শ্ৰীকৃষ্ণ ৰাম বৰা**

তত্বাৱধায়ক, নগাঁও ছোৱালী কলেজ আলোচনী,

১৯৮৩ চন।

## সম্পাদকীয়

নগাঁও ছোৱালী মহাবিদ্যালয় অসমৰ এখন নিৰ্ভৰযোগ্য শিক্ষা প্ৰতিষ্ঠান। অসমৰ শিক্ষা-সংস্কৃতি তথা বৌদ্ধিক দিশত এই অনুষ্ঠাটিৰ অৱদান অনস্বীকাৰ্য্য। এই মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধবীসকলে মোক ১৯৮২-৮৩ চনৰ আলোচনী সম্পাদনাৰ দায়িত্ব দি সেৱা কৰিবলৈ সুবিধা দিয়াত মই প্ৰথমতে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিভিন্ন কাৰণত নানা অসুবিধাৰ বাবে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ অতি মৰমৰ আলোচনীখনৰ প্ৰকাশ কেইবাটাও বছৰ ধৰি বন্ধ হৈ আছিল। ছাত্ৰীসকলৰ একাগ্ৰতাৰ অভাৱ, লিখা-মেলাৰ প্ৰতি উদাসীন মনোভাৱ, কাগজৰ মূল্য বৃদ্ধি ইত্যাদি কাৰণত আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ আছিল। এইবাৰ আলোচনীখন উলিয়াম বুলি আঁকোৰগোঁজ মনোভাবেৰে আগ বাঢ়িও বিচলিত হবলগীয়া হ'ল—মূলতঃ ছাত্ৰীসকলৰ পৰা আশানুৰূপ সহাৰিৰ অভাৱত। ছাত্ৰী বান্ধবীসকলক একাধিকবাৰ অনুৰোধ কৰিও নিৰ্ধাৰিত সময়ৰ ভিতৰত উচ্চমান বিশিষ্ট কোনো ধৰণৰ গল্প, প্ৰবন্ধ আদি সংগ্ৰহ কৰিব নোৱাৰিলো, আনকি ব্যক্তিগত ভাবে অনুৰোধ কৰিও বিমুখ হবলগীয়াত পৰিলোঁ। শেষত বহু যত্ন কৰি যিখিনি প্ৰবন্ধ-পাতি সংগ্ৰহ কৰিলোঁ, তাৰেই আলোচনীখন প্ৰকাশ কৰিবলৈ বাধ্য হলোঁ।

মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যাপক-অধ্যাপিকাসকলে কিছু প্ৰবন্ধ, কবিতা আৰু গীতেৰে আলোচনীখনৰ সৌষ্ঠৱ বঢ়ালে। তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলো।

এইখিনিতে কেইটামান কথা মোৰ মনলৈ আহিল। এখন দেশ কিমান দূৰ সভ্যতা আৰু সংস্কৃতিৰ দিশত আগবাঢ়ি গৈছে সেইটো বোধহয় নাৰীসকলৰ সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক অৱস্থা, কেনেকুৱা পৰ্য্যায়ত আছে, সেইখিনিৰ ওপৰত নিৰ্ভৰ কৰে। ৰাষ্ট্ৰসঙ্ঘই ১৯৭৫ চনটো, সেইবাবে আন্তৰ্জাতিক মহিলা বৰ্ষ হিচাপে উদ্‌যাপন কৰিছিল। পৃথিৱীৰ সকলো ঠাইতে এই মহিলা বৰ্ষ পালন কৰা হ'ল আৰু মহিলাসকল যে পুৰুষৰ সমানে সমানে সকলো ফালৰ পৰাই পিছপৰা নহয়, তাকে বিশ্ববাসীৰ আগত দাঙি ধৰিলে। সেই বুলি জানো আমি বহি থাকিলে হ'ব? আমি সাহিত্য-চৰ্চাৰ যোগেদি হওঁক কিম্বা খেলা-ধুলাৰ দ্বাৰাই হওক আগবাঢ়ি যাবই লাগিব।

কিন্তু প্ৰকৃত ক্ষেত্ৰত দেখা যায়, আমাৰ ছাত্ৰীসকলে নানা সুবিধা থকা সত্বেও সৃজনীমূলক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ টান পায়। মই আমাৰ উঠি অহা ছাত্ৰীসকলক এই বিষয়ে যথেষ্ট মনোনিবেশ কৰিবলৈ অনুৰোধ কৰিলো। সামাজিক দস্তুৰ কিম্বা বহু নিয়ম-কানুন একে দিনাই বা দ্ৰুত ভাবে পৰিবৰ্তন কৰিব নোৱাৰো। তথাপি পৰিকল্পিত ভাবে আৰু দৃঢ়তাৰে সৈতে যদি আমি

আগ বাঢ়ি যাব পাৰো তেন্তে সমাজৰ পৰিবৰ্তন সাধন আৰু এখন সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত আমি যথেষ্ট অৰিহণা যোগাব পাৰিম। সাহিত্য-চৰ্চাৰ মাজেৰেই অন্য বহু দেশৰ মহিলাৰ নিচিনাকৈ আমি নিশ্চয় মহৎ দায়িত্ব পালন কৰিব পাৰো আৰু লগতে সমাজত নাৰীৰ স্থান বহু দূৰ আগ বঢ়াই লৈ যাব পাৰো। সেইবাবে এই আলোচনীৰ পাততেই নিজকে প্ৰকাশ কৰাৰ সুযোগ ভৱিষ্যতে যেন কোনো ছাত্ৰীয়েই নেহেৰুৱায়, তাকেহে মই অনুৰোধ কৰিলোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত কেইবাগৰাকী অধ্যাপক-অধ্যাপিকাই মোক যি সহায়-সহযোগিতা আগবঢ়ালে মই কেতিয়াও পাহৰিব নোৱাৰো। অধ্যাপক কৃষ্ণৰাম বৰা, প্ৰভাত বৰা, অপূৰ্ব শৰ্মা ইদ্ৰিছ আলি, ব্ৰজেনৰায় চৌধুৰী, টঙ্কেশ্বৰ বৰা. আৰু অধ্যাপিকা হিমাদ্ৰি দেবীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলো।

আমাৰ আলোচনীখনলৈ শুভেচ্ছামূলক লেখনীৰে উৎসাহিত কৰা বাবে শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা, প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত মহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীযুত লক্ষেশ্বৰ হাজৰিকা প্ৰমুখ্যে ব্যক্তিসকললৈ শ্ৰদ্ধা নিবেদন কৰিলো।

সদৌ শেষত, বেটুপাতটি আঁকি দিয়া বাবে ছাত্ৰী বান্ধৱী চয়নিকা শৰ্মা, পাণ্ডুলিপিসমূহত সহায় কৰা বাবে স্বপ্না খাটনিয়াৰ, উৎপলা বৰা আৰু বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা বাবে ভাৰতী, প্ৰীতি, নিশা, জুনুকা, অৰুণা, সবিতা প্ৰণতি আৰু কামনালৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সুছন্দা প্ৰেছৰ কৰ্মীবৃন্দলৈ ধন্যবাদ জনালোঁ।

**শ্ৰীদীপিকা দাস**
আলোচনী সম্পাদিকা,
নগাঁও ছোৱালী কলেজ ॥

নগাঁও
১।২।৮৪

# ॥ সূচী-পত্ৰ ॥


| প্ৰবন্ধ | পৃষ্ঠা | |
|---|---|---|
| শিক্ষাত শিল্পৰ প্ৰয়োজনীয়তা | ॥ ১ ॥ | চয়নিকা শৰ্মা |
| বৰ্ত্তমান শিক্ষানীতিত বৃত্তিমূলক শিক্ষাৰ ভূমিকা | ॥ ৪ ॥ | অনিমা বৰা |
| আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু আমেৰিকান মিছনেৰীসকল | ॥ ৭ ॥ | অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা |
| নগাঁৱৰ বৰমপুৰ শঙ্কৰ মিশ্যনত এভূমুকি | ॥ ১২ ॥ | কুমাৰী প্ৰণতি বৰা |
| প্ৰয়াত অধ্যাপক বিনয় বৰা | ॥ ১৪ ॥ | অধ্যাপক কৃষ্ণ বৰা |
| কথক নৃত্য | ॥ ১৮ ॥ | ময়ূৰী নয়না বৰা |
| জ্যোতিপ্ৰসাদৰ নিমাতী কইনা | ॥ ২০ ॥ | অধ্যাপক ইদ্ৰিছ আলি |
| পণ্ডিতপ্ৰবৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ | ॥ ২৫ ॥ | উৎপলা অধিকাৰী |
| পৰিবৰ্ত্তন আমি কেনেদৰে গ্ৰহণ কৰা উচিত ? | ॥ ৩০ ॥ | অধ্যাপিকা পাঞ্চালী কোঁৱৰ |
| **গল্প** | | |
| মৌন বেদনা | ॥ ৩৫ ॥ | দীপামণি বৰা |
| বিষাদ | ॥ ৩৭ ॥ | প্ৰীতিলতা কাকতি |
| অহৈতুকী অপেক্ষা | ॥ ৩৯ ॥ | হীৰামণি বৰা |
| ঈশ্বৰৰ পুতলা | ॥ ৪২ ॥ | মল্লিকা দেৱী |
| **কবিতা** | | |
| সময়ৰ বালিচৰত | ॥ ৪৭ ॥ | স্বপ্না খাটনিয়াৰ |
| উপেক্ষিতা উৰ্মিলা | ॥ ৪৮ ॥ | ৰূপালী শইকীয়া |
| দুটি স্কেচ্ | ॥ ৫০ ॥ | কুমাৰী নীতা শৰ্মা |
| একাজলি মৰম | ॥ ৫১ ॥ | শান্তি ক'ৰ |
| ক্ৰুশবিদ্ধ বুদ্ধ | ॥ ৫২ ॥ | অধ্যাপিকা হিমাদ্ৰি দেৱী |
| আমাৰ মহাবিদ্যালয়ৰ প্ৰতি | ॥ ৫৩ ॥ | দীপিকাবালা দাস |
| আন্দোলন | ॥ ৫৪ ॥ | উৎপলা বৰা |
| চৰৈবেতি—চৰৈবেতি | ॥ ৫৫ ॥ | মনীষা শইকীয়া |
| নিষ্ঠুৰ কাল | ॥ ৫৬ ॥ | পাৰুল মেধি |
| বিচাৰ লাগে | ॥ ৫৭ ॥ | মণিমা শইকীয়া |
| এটি মৃতদেহ-এজনী গণিকাৰ | ॥ ৫৮ ॥ | জ্যোতি তামুলী |
| নতুন পুৰুষ | ॥ ৫৯ ॥ | কুমাৰী নীলিমা বৰা |
| চিএৰ, প্ৰতিশোধ | ॥ ৬০ ॥ | মণিকুন্তলা ভট্টাচাৰ্য্য |

## ॥ গীত ॥


| | পৃষ্ঠা | |
|---|---|---|
| ॥ ১ ॥ পুৱাৱ সুৰুযে আহি. | : ৬১ : | অঞ্জলি কটকী |
| ॥ ২ ॥ কণমাণি অ' ভন্টিজনী | | |
| ॥ ৩ ॥ ধূনীয়া জোনাক নিশা | : ৬২ : | ৰাগিনী ভট্টাচাৰ্য্য |
| ॥ ৪ ॥ আমি ৰং দিও | : ৬৩ : | অধ্যাপক ইদ্ৰিছ আলি |
| ॥ ৫ ॥ মন উৰণীয়া পখী | : ৬৪ : | অধ্যাপক ব্ৰজেন ৰায়চৌধুৰী |

সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ॥ ৬৫ ॥

সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ॥ ৬৮ ॥

সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ॥ ৭০ ॥

ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন ॥ ৭১ ॥


●

# প্ৰবন্ধ

- ★ শিক্ষাত শিল্পৰ প্ৰয়োজনীয়তা
- ★ বৰ্ত্তমান শিক্ষানীতিত বৃত্তিমূলক শিক্ষাৰ ভূমিকা
- ★ আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু আমেৰিকান মিছনেৰীসকল
- ★ নগাঁৱৰ বঢ়মপুৰ শংকৰ মিশ্যনত এভূমুকি
- ★ প্ৰয়াত অধ্যাপক বিনয় বৰা
- ★ কথক নৃত্য
- ★ জ্যোতিপ্ৰসাদৰ নিমাতী কইনা
- ★ পণ্ডিতপ্ৰবৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ
- ★ পৰিৱৰ্ত্তন আমি কেনেদৰে গ্ৰহণ কৰা উচিত ?

# শিক্ষাত শিল্পৰপ্ৰয়োজনীয়তা

চয়নিকা শৰ্ম্মা
স্নাতক দ্বিতীয় বাৰ্ষিক ।

সৃষ্টিৰ আদিম যুগৰ পৰাই মানুহে নিজক নানা ভাৱে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে । ভাষাৰ মাজেদি প্ৰকাশ কৰিবৰ বাবে মানুহে লিখা আৰু পঢ়া পদ্ধতি আৱিষ্কাৰ কৰিছে। শাস্ত্ৰতো ৬৪ প্ৰকাৰৰ কলাৰ উল্লেখ পোৱা যায় । জ্ঞান-বিজ্ঞানৰ সকলো বিষয়েই ইয়াৰ অন্তৰ্গত । আলোচনাৰ সুবিধাৰ বাবে কলাবিদ্যাক তিনিটাভাগত ভাগ কৰা হৈছে— শিল্প, সংগীত আৰু নৃত্য ।

ভাৰতবৰ্ষত প্ৰাচীনকালৰ পৰাই নানা জাতি, নানা ধৰ্ম আৰু নানা চিন্তৰ সন্মিলনত যি শিল্পৰ সৃষ্টি হৈছিল তাৰ নিদৰ্শন ভাৰতৰ শিল্পকলা আৰু স্থাপত্যবিদ্যাত পোৱা যায় । কিন্তু বৰ্ত্তমান শিক্ষা-পদ্ধতিয়ে সংস্কৃতিৰ এই দিশটোক বিশেষভাৱে অৱহেলা কৰিছে ।

'শিল্প' শব্দটি অতি ব্যাপক অৰ্থত ব্যৱহাৰ হোৱা দেখা যায় । সেয়েহে শিল্প বুলিলে কি বুজা যায় তাক অতি সহজে বা এটি সংজ্ঞাৰ দ্বাৰা দাঙি ধৰাটো সহজ কাম নহয় ।

শিল্পৰ সংজ্ঞা টলষ্টয়ে এনে ধৰণে দিছে— "শিল্প মানুহৰ এনেকুৱা এটা সৃষ্টি যাৰ সহায়ত শিল্পীয়ে তেওঁৰ নিজস্ব ৰসোপলব্ধিক সজ্ঞানে বিশেষ চিহ্নৰ মাধ্যমেদি অন্যৰ মাজত-সঞ্চাৰিত কৰিব পাৰে। সাৰ্থক শিল্পৰ বৈশিষ্ট্য এইয়ে যে ইয়াৰ সহায়ত দৰ্শকে শিল্পীৰ ৰসোপলব্ধিক নিজৰ মাজত অনুভৱ আৰু উপলব্ধি কৰে ।"

শিল্প হ'ল কল্পনা । ৰেখাৰ ৰঙে ৰূপে ৰসানুভূতিৰ প্ৰকাশ । ৰসৰ উদ্ৰেক কৰাতেই তাৰ সাৰ্থকতা প্ৰকাশৰ বাবে স্বকীয় কাৰণকৌশলৰ প্ৰয়োজন. সেইটো হ'ল উপায়হে, উদ্দেশ্য নহয়; কাৰণ কৌশলৰ জ্ঞান শিল্পৰ প্ৰেৰণাও নহয় ।

শিল্প হল শিল্পীৰ সৃষ্টি । স্বভাৱৰ অনুকৰণ নহয় । শিল্প হ'ল শিল্পীৰ ধ্যান বা চিন্তা । অন্যৰ ধ্যান বা 'চিন্তা'ৰ সঞ্চাৰিত হোৱা হ'লে তাক সংহত ৰূপলৈ নিয়া হয় ।

শিল্প হ'ল ছন্দ । তাৰ অনুভূতি, ৰূপ, ৰং, গতি ছন্দিত হ'লে তেতিয়া নন্দনীয়তা ( Aesthetic value ) লাভ কৰে । ছন্দ হ'ল ৰসৰ সুস্থতম প্ৰকাশ ।

আলংকাৰিকৰ ভাষাত ক'বলৈ গ'লে শিল্প হ'ল 'ধ্বনি বা ব্যঞ্জনা' । অলপ ৰং, অলপ ৰূপ, আৰু অলপ ৰেখা এইবিলাকৰ ইঙ্গিতত বহুতখিনি ভাৱনা আৰু বেদনাৰ অনুষঙ্গ জগাই তোলাই ইয়াৰ কাম ।

শিল্প চৰ্চ্চাৰ দুটা দিশ আছে । এটি আনন্দ আৰু জ্ঞানৰ দিশ অৰ্থাৎ 'চাৰুশিল্প' আৰু আনটো জীৱনযাত্ৰাৰ অৰ্থনৈতিক মান উন্নত কৰাৰ দিশ অৰ্থাৎ 'কাৰুশিল্প' । চাৰুশিল্পত শিল্পীয়ে নিজে আনন্দ উপলব্ধি কৰাই লক্ষ্য কিন্তু কাৰুশিল্পত নিজতকৈ জনসাধাৰণে কি ধৰণে বেছি আনন্দ লাভ কৰে তাৰ ওপৰতহে চকু দিয়া হয় । চাৰুশিল্প চৰ্চ্চাৰ দ্বাৰা আমাৰ বিশ্বমানৱৰ সৃষ্টি

বৈচিত্ৰ্যৰ লগত আমাৰ মনৰ সংযোগ স্থাপন কৰিব পাৰি, আমাৰ দৈনন্দিন দুখ-কষ্টৰে সংকুচিত মন আনন্দলোকত প্ৰতিষ্ঠিত কৰিব পাৰি। কাৰুশিল্পৰ সহায়ত আমাৰ জীৱন-যাত্ৰাৰ নিত্য-প্ৰয়োজনীয় বস্তু সুন্দৰ ভাৱে ভোগ কৰিব পাৰি।

বিদ্যালয়ত উভয় প্ৰকাৰৰ শিল্প চৰ্চাৰ স্থান থকা উচিত, শিক্ষা আৰু শিল্প এই দুয়োটাৰে এটা অতি ঘনিষ্ঠ সম্পৰ্ক আছে। ইয়াক জানিবলৈ হলে আমি শিক্ষাৰনো লক্ষ্য কি তাকো জানিব লাগিব। ল'ক প্ৰভৃতি শিক্ষাবিদৰ মতে শিক্ষাৰ লক্ষ্য হ'ল 'সুস্থ দেহত সুস্থ মনৰ বিকাশ।' ( producing a sound mind in a sound body [ mens son in corporo sano ] ) John Loke ( 1632—1704 A.D. )

শিক্ষাৰ্থীৰ সম্পূৰ্ণ বিকাশৰ কথা বিভিন্ন শিক্ষাবিদে বিভিন্ন ধৰণে প্ৰকাশ কৰিছে। স্বামী বিবেকানন্দৰ মতে হ'ল— 'Education is the manifestation of the perfection already in man.'—অৰ্থাৎ মানুহৰ মাজত যি পূৰ্ণতা আছে শিক্ষাৰ সহায়ত তাৰ প্ৰকাশ ঘটে।

শিক্ষা সম্পৰ্কে গান্ধীজীয়ে কৈছে— By education I mean an all-round drawing out of the best in child and man—body mind and soul.' অৰ্থাৎ দেখা গৈছে যে শিক্ষাৰ্থীৰ সৰ্বাংগীন বিকাশৰ তাৎপৰ্য্য সম্পৰ্কে বিভিন্ন শিক্ষাবিদে বিভিন্ন ধৰণে প্ৰকাশ কৰিছে।

ৰবীন্দ্ৰনাথে শিক্ষা আৰু শিল্প এই দুয়োটাৰ মাজত সম্পৰ্ক স্থাপন কৰিবলৈ সদায়েই চেষ্টা কৰিছিল।

ৰবীন্দ্ৰনাথৰ শিক্ষাৰ লক্ষ্যৰ প্ৰধান বিষয়সমূহ সংক্ষেপে তলত দিয়া হ'ল—

(১) শিক্ষাৰ্থীৰ সমগ্ৰ সত্তাৰ বিকাশ,

(২) জীৱনৰ এটি মহৎ আদৰ্শ স্থিৰ কৰা, শিক্ষাৰ্থীৰ জীৱনত এই লক্ষ্যত উপনীত হ'বৰ বাবে আশা আৰু সাহস সৃষ্টি কৰা,

(৩) আত্মবিশ্বাস আৰু দৃঢ় ইচ্ছা জাগ্ৰত কৰা

(৪) বৈজ্ঞানিক দৃষ্টি-ভংগীৰ সৃষ্টি কৰা, যাৰ সহায়ত শিক্ষাৰ্থীয়ে সৃষ্টিৰ ৰহস্য উদ্‌ঘাটনৰ বাবে চেষ্টা কৰিব পাৰে।

(৫) শিক্ষাৰ্থীৰ মনত ধৰ্মীয় মনোভাৱ আৰু সংস্কৃতিবোধ জগোৱা,

(৬) শিক্ষাৰ্থীৰ সামাজিক গুণৰ বিকাশ সাধন কৰা।

কিন্তু আমাৰ দেশৰ প্ৰচলিত শিক্ষা-ব্যৱস্থাৰ প্ৰধান লক্ষ্য হৈছে শিক্ষাৰ্থীৰ কৃতিত্ব অৰ্জনত সহায় কৰা। এই ব্যৱহাৰিক কৃতিত্ব—যাক ইংৰাজীত skill বোলা হয়, সেয়া যে মানুহৰ দৈনন্দিন জীৱনত বিশেষ প্ৰয়োজনীয় তাত সন্দেহ নাই। কিন্তু শিক্ষিত মানুহৰ জীৱনত আৰু এটি দিশৰ বিশেষ প্ৰয়োজন সেয়া হৈছে সংস্কৃতি বা culture। এই প্ৰসংগত ৰবীন্দ্ৰনাথৰ মত এই ধৰণৰ:—

"এই কৃতিত্ব-শিক্ষা অত্যাৱশ্যক হ'লেও ই যে যথেষ্ট নহয় এই কথা মনা হয়। ... ... ... আধুনিক শিক্ষাৰ পৰা এটি বস্তু কি ধৰণে স্খলিত হৈ পৰিছে আৰু সেইবিধেই হৈছে সংস্কৃতি চিত্তৰ ঐশ্বৰ্য্যক অৱজ্ঞা কৰি আমাৰ জীৱন যাত্ৰাৰ সিদ্ধিলাভকেই একমাত্ৰ প্ৰাধান্য দিছে। কিন্তু সাংস্কৃতিক বাদ দি এই সিদ্ধিলাভ কেনেকৈ যথাৰ্থ ভাৱে সম্পূৰ্ণ হ'ব পাৰে।"

সংস্কৃতিবান মানুহ সৃষ্টি কৰাই সু-শিক্ষাৰ অন্যতম লক্ষ্য। কিন্তু যি শিক্ষাব্যৱস্থাত এইটো পৰা হোৱা নাই, তাক সু-শিক্ষা বোলা সম্ভৱ নহয়।

শিল্প শিক্ষাৰ অভাৱে যে আমাৰ বৰ্তমান জীৱন যাত্ৰা অসুন্দৰ কৰি তুলিছে সেইটো নহয় আমাৰ অতীত যুগৰ ৰূপস্ৰষ্টা সমূহৰ সৃষ্টি সম্পদৰ পৰাও আমাক বঞ্চিত কৰিছে আৰু আধুনিক যুগৰ শিল্প সৃষ্টি ও বিদেশৰ বজাৰত নাবাচিলেও আমাৰ দেশ আদৃত নহয়, ই আমাৰ লাজৰ বিষয়।

ইয়াৰ প্ৰতিকাৰৰ বাবে চেষ্টা কৰাৰ প্ৰয়োজন হৈছে। বিশ্ববিদ্যালয় সমূহৰ কৰ্তব্য হৈছে প্ৰত্যেক স্কুল আৰু কলেজত অন্য শিক্ষাৰ লগে লগে শিল্প-শিক্ষাৰ স্থান ৰখা। শিল্পক পৰীক্ষা গ্ৰহণ কালত অৱশ্য শিক্ষণীয় বিষয় হিচাপে গণ্য কৰা আৰু প্ৰকৃতিৰ লগত ল'ৰা-ছোৱালীৰ যাতে পৰিচয় ঘটে তাৰ উপযুক্ত ব্যৱস্থা আৰু অৱকাশ ৰখা। অঙ্কন পদ্ধতি শিক্ষাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ পৰ্য্যবেক্ষণৰ ক্ষমতা বাঢ়িব, ফলত তেওঁলোকে সাহিত্য, বিজ্ঞান, দৰ্শন আদিৰ ক্ষেত্ৰতো সত্যদৃষ্টি লাভ কৰিব। বিদ্যালয়সমূহত কাব্য চৰ্চাৰ ব্যৱস্থা আছে, কিন্তু কাব্যত বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উত্তীৰ্ণ হলেই কোনো ডাঙৰ কবি নহ'বও পাৰে, সেইদৰে বিদ্যালয়ত শিল্পশিক্ষাৰ ব্যৱস্থা থাকিলেইযে সেইসকল ছাত্ৰ-ছাত্ৰী শিল্পী হ'ব আৰু ভাল শিল্প সৃষ্টি কৰিব পাৰিব বুলি আশা কৰাটো অৱশ্যে ভুল হ'ব।

প্ৰথমে ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়, গ্ৰন্থাগাৰ, পঢ়াৰ কোঠা ইত্যাদিত কিছুমান ভাল ছবি, মূৰ্তি আৰু অন্যান্য চাৰুশিল্পৰ নিদৰ্শন সদায় ৰাখিব লাগে।

দ্বিতীয়তে, ভাল ভাল শিল্প নিদৰ্শনৰ ছবি আৰু ইতিহাস দি সহজে বুজিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ উপযুক্ত লোকৰ দ্বাৰা যথেষ্ট পৰিমাণে লিখিব লাগে।

তৃতীয়তে, ছায়াচিত্ৰৰ সহায়ত মাজে মাজে দেশ-বিদেশৰ বচা বচা ভাল ভাল শিল্পবস্তুৰ লগত ল'ৰা-ছোৱালীসকলক পৰিচয় কৰি দিব লাগে।

চতুৰ্থতে, মাজে মাজে উপযুক্ত শিক্ষক-সকলক লগত লৈ ছাত্ৰ-ছাত্ৰীসকলক ওচৰৰ যাদুঘৰ বা চিত্ৰশালাৰ অতীত শিল্পকীৰ্ত্তিৰ নিদৰ্শন দেখুৱাব লাগে। বিদ্যালয়ৰ পৰা ফুটবল মেচ খেলিবলৈ যোৱাৰ ব্যৱস্থা যেতিয়া কৰিব পাৰি, তেনেক্ষেত্ৰত চিত্ৰশালা বা যাদুঘৰ চোৱাৰ আশা অসম্ভৱ নহয়। এটি ভাল শিল্পবস্তু নিজ চকুৰে দেখিলে আৰু বুজিলে শিল্পবৃত্তি যেনেকুৱা জাগ্ৰত হয় এটি বক্তৃতা শুনিলে তেনেকুৱা নহয়।

পঞ্চমতে প্ৰকৃতিৰ লগত ল'ৰা-ছোৱালীৰ যোগসাধন কৰিবৰ উদ্দেশ্যে বিভিন্ন ঋতুত বিভিন্ন উৎসৱৰ আয়োজন কৰা উচিত।

সেই আয়োজনত থাকিব সেই সেই ঋতুৰ ফল-ফুল সংগ্ৰহ আৰু শিল্পকাব্যত সেই সেই ঋতু সম্বন্ধে যি সমস্ত সুন্দৰ সৃষ্টি হৈছে তাৰ লগত ছাত্ৰ-ছাত্ৰীৰ যতদূৰ সম্ভৱ পৰিচয় ঘটোৱাৰ ব্যৱস্থা কৰিব লাগে।

ষষ্ঠতে, প্ৰকৃতিত যি ঋতু উৎসৱ চলে তাৰ লগত ল'ৰা-ছোৱালীৰ পৰিচয় কৰাই দিব লাগে। শৰতৰ ধানখেতি আৰু পদ্মবন, বসন্তৰ পলাশ শিমলুৰ দৃশ্য তেওঁলোকে যাতে নিজচকুৰে চাই আনন্দ পায় তাৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ চহৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই ব্যৱস্থা অতি আৱশ্যক। প্ৰকৃতিৰ লগত যোগসাধন এবাৰ হ'লে, প্ৰকৃতিৰ সত্তাৰো ভালদৰে শিকিব, ছাত্ৰ-ছাত্ৰীৰ অন্তৰত ৰসৰ উৎস আৰু কোনোদিন নশুকায়, কাৰণ প্ৰকৃতিয়ে যুগে যুগে শিল্পীক শিল্পসৃষ্টিৰ উপাদান যোগাই আছে।

কলা চৰ্চাৰ স্থান বিশ্ববিদ্যালয়ত নথকাৰ বাবে অভিভাৱকসকলে কলা চৰ্চাক অত্যন্ত অপ্ৰয়োজনীয় বুলি ভাবে। ফলত যিসকল ল'ৰা-ছোৱালীৰ সৰুকালত নানা কলা-বিদ্যাৰ চৰ্চাৰ ক্ষেত্ৰত বিশেষ অনুৰাগ দেখা যায়, তেওঁলোকে প্ৰৱেশিকা পৰীক্ষাৰ দুই এক বছৰৰ আগতে কলা-চৰ্চাৰ অপ্ৰয়োজনীয়তা সম্বন্ধে সজাগ হৈ উঠে আৰু তেওঁলোকৰ শিল্পানুৰাগ এই সময়ত কমি কমি একেবাৰেই তিৰোহিত হয়।

যিঠতে শিল্প সম্বন্ধে শিক্ষিত সমাজ আৰু বিশ্ববিদ্যালয়ৰ উদাসীনতা কমিলেই শিল্পচৰ্চাৰ প্ৰসাৰ হ'ব আৰু দেশবাসীৰ সৌন্দৰ্য্যবোধ আৰু পৰ্যবেক্ষণ শক্তি বাঢ়িব। এই বিষয়ে সন্দেহ নাই। এই দিশটোৰ আশাপ্ৰদ উন্নতি আৰু সজাগ মনোভাৱৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।

( প্ৰবন্ধটি নন্দলাল বসুৰ 'শিল্পকথা'ৰ আলমত যুগুতোৱা হৈছে। নন্দলাল বসু পশ্চিমবঙ্গৰ প্ৰখ্যাত শিল্পী। )

# বৰ্ত্তমান শিক্ষানীতিত বৃত্তিমূলক শিক্ষাৰ ভূমিকা

শ্ৰীঅনিমা বৰা
প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক ।

মানৱ জীৱনৰ অৰ্থনৈতিক দিশটো বিশেষ গুৰুত্বপূৰ্ণ । দুবেলা দুমুঠি সুখে স্বচ্ছন্দে খাই-বৈ জীয়াই থাকিবলৈ প্ৰত্যেক মানুহকে এটা উপাৰ্জনৰ পথ লাগে। ভাৰতৰ কোটি কোটি দৰিদ্ৰ জন-সাধাৰণৰ সন্মুখত এটা বিৰাট প্ৰশ্নৰ সৃষ্টি হৈছে । প্ৰশ্নটো হ'ল— বৰ্ত্তমান সমস্যা জৰ্জৰিত পৰিস্থিতিৰ সন্মুখীন হৈ তেওঁলোক মানুহ হিচাপে জীয়াই থাকিব পাৰিবনে ? স্বাধীনতাৰ পিছত শিক্ষা সম্প্ৰসাৰণৰ ফলত লাখ লাখ শিক্ষিত যুৱক-যুৱতী স্কুল-কলেজ, বিশ্ববিদ্যালয় আদিৰ পৰা উত্তীৰ্ণ হৈছে। কিন্তু চাকৰিত নিযুক্তি পাইছে সামান্য সংখ্যক লোকেহে । ফলত লাখ লাখ নিবনুৱাৰ সৃষ্টি হৈছে । কেইবালাখৰ পৰা কেইবা কোটি হৈছে । শিক্ষিত যুৱক-যুৱতীসকল কৃষক, শ্ৰমিক, শিল্পী একো হব নোৱাৰে ! কাৰণ সেইবোৰ বিষয়ৰ শিক্ষা তেওঁলোকৰ পাঠ্যক্ৰমত নাই । তেওঁলোকে শিক্ষা লাভ কৰিছে সাহিত্য, বুৰঞ্জী, ভূগোল, অঙ্ক, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আদিৰ কোনো এটা বিষয়ত । এইবোৰ শিক্ষাই উপযুক্ত শিক্ষক নাইবা চৰকাৰী চাকৰিয়াল গঢ়িব পাৰে। কিন্তু কাৰিকৰ গঢ়িব নোৱাৰে। কিন্তু বছৰি এনে পদ খালী হয় কিমান? গতিকে বৰ্ত্তমান নিবনুৱা সমস্যা দেশৰ এক গুৰুতৰ বোজা হৈ পৰিছে ।

অতীত ভাৰতত মানুহে অভিৰুচি আৰু যোগ্যতা অনুসৰি বৃত্তি গ্ৰহণ কৰিছিল । সেই অনুক্ৰমেই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আদি চাৰি বৰ্ণৰ সৃষ্টি হৈছিল । অৱশ্যে এই কথা ঠিক যে, আজিৰ সু-সভ্য মানৱে বৃত্তি অনুসৰি জাতিভেদৰ সৃষ্টি হোৱাটো কেতিয়াও কামনা নকৰে আৰু বৰ্ত্তমান যুগত সি সম্ভৱো নহয় । কিন্তু দক্ষতা আৰু প্ৰতিভা অনুযায়ী বৃত্তি নিৰ্ব্বাচন কৰাটো কাম্য । আমি স্বীকাৰ কৰিব লাগিব যে ইংৰাজ চৰকাৰে আমাৰ বৃত্তিবোৰ কাঢ়ি নি আমাৰ কৰ্মবিমুখ কৰি কেৰানীগিৰিৰ শিক্ষাতে আমাক আৱদ্ধ কৰি ৰাখি সমগ্ৰ জাতিটোকে পঙ্গু কৰি তুলিলে । জাতীয় শিক্ষা নীতি, জাতীয় উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ নকৰাৰ ফলত আজি দেশত লাখ লাখ শিক্ষিত নিবনুৱাই কৰ্মসংস্থান বিচাৰি বিমুখ হ'ব লগা হৈছে ।

বৰ্ত্তমান যুগত শিক্ষাৰ্থীৰ মানসিক আৰু বৌদ্ধিক প্ৰৱণতা অনুসৰি শিক্ষাব্যৱস্থা হ'ব লাগে, যি শিক্ষা গ্ৰহণ কৰি মানুহে কোনো চাকৰিৰ বাবে চৰকাৰৰ মুখলৈ বাট চাই নাথাকি নিজ অভিৰুচি মতে বৃত্তি গ্ৰহণ কৰি জীৱিকা অৰ্জনত ৰত হ'ব পাৰে । বৃত্তিয়ে এজন ব্যক্তিক তেওঁৰ বিশেষ স-ক্ষমতা সামাজিক সেৱাত ব্যৱহাৰ কৰিবলৈ শিকায় । নিজৰ দক্ষতা আৰু সক্ষমতা এটা বৃত্তিৰ মাজেৰে প্ৰকাশ কৰিবলৈ পাই শিক্ষাৰ্থীয়ে নিজেও সন্তোষ লাভ কৰিব আৰু বেছি দক্ষতা লাভ কৰিব আৰু বেছি দক্ষতা লাভ কৰিবলৈ মনোযোগ দিব পাৰে। ফলত কামৰো মানদণ্ড উন্নত হ'ব । বৃত্তিৰ মাজেৰে অভিজ্ঞতা লাভ কৰাটো বেছি উদ্দেশ্যপূৰ্ণ হয় বুলি শিক্ষাবিদসকলে মত দিছে । বৃত্তি শিক্ষাত শিক্ষাৰ্থীয়ে নিজৰ কৌতূহল প্ৰবৃত্তি চৰিতাৰ্থ কৰি বিভিন্ন কামত সক্ৰিয় অংশ লৈ অভিজ্ঞতা সঞ্চয় কৰিবলৈ সমৰ্থ হয় । এনেধৰণৰ অভিজ্ঞতাৰ পৰা লাভ কৰা জ্ঞান অধিক উদ্দেশ্যপূৰ্ণ হয় ।

সকলো ছাত্ৰ-ছাত্ৰীৰে প্ৰতিভা আৰু অভিৰুচি একে নহয় । এজনৰ এটা বিষয়ত যি দক্ষতা, আন এজনৰ সেই বিষয়ত তেনে দক্ষতা নাথাকিবও পাৰে । আমাৰ অভিভাৱকসকলে এই বিষয়ে কোনোদিন মনোযোগ দিয়া নাই । চিন্তা মাথো এয়ে যে নিজ সন্তানটি হাকিম হওক, ডাক্তৰ হওক বা ইঞ্জিনিয়াৰ বা প্ৰফেচাৰ হওক । অথচ সন্তানটিয়ে তাৰবাবে উপযুক্ত ডিগ্ৰী লাভ কৰিব নোৱাৰি জীৱনটো ব্যৰ্থতাৰে ভৰাই তুলিছে । কোঠাৰী কমিশ্যন, ৰাধাকৃষ্ণন্ কমিশ্যন আদি বহু কমিশ্যনে বৃত্তিমূলক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ পৰামৰ্শ সদায় দাঙি ধৰি আহিছে । গান্ধীজীয়েও বৃত্তিমূলক শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ জন্মাবলৈ বুনিয়াদী শিক্ষা-ব্যৱস্থা দেশত প্ৰৱৰ্ত্তন কৰাইছিল । তেখেতে উৎপাদনমূলক কামৰ মাজেৰে সম্পূৰ্ণ শিক্ষা-দানৰ ব্যৱস্থা কৰিছিল । তেখেতে কেইটামান উদ্যোগ আৰু বৃত্তিৰ নাম উল্লেখ কৰিছিল যাৰ মাজেৰে শিক্ষাদানৰ ব্যৱস্থা কৰিছিল । এইবোৰ হ'ল— ১) সূতাকটা আৰু তাঁত বোৱা, ২) কৃষি ৩) কাঠৰ কাম আৰু ধাতুৰ কাম ।

মহাত্মাগান্ধীয়ে যান্ত্ৰিক পদ্ধতিতকৈ হস্ত পদ্ধতিৰ দ্বাৰাহে উদ্যোগ বা বৃত্তি শিকাৰ ওপৰত প্ৰাধান্য দিছে । উদ্যোগ বা শিল্পকামৰ মাজেদি যি শিক্ষা দিয়া হয় সি মানুহক স্বাৱলম্বী উৎপাদন-কাৰী আৰু সমাজ সচেতন নাগৰিক হিচাবে গঢ়ি তোলে । আজি কালি মানুহে লাহে লাহে উপলব্ধি কৰিব ধৰিছে যে চৰকাৰী চাকৰি কৰাৰ আশা বাদ দি মানুহ বাস্তৱবাদী হোৱা উচিত । জীৱন্ত বাস্তৱক স্বীকাৰ কৰি মানুহে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা আৰু দক্ষতাৰ প্ৰতি লক্ষ্য ৰাখি নিজৰ সন্তান-সন্ততিক বাস্তৱমুখী শিক্ষা দিয়াৰ কথা বিবেচনা কৰিছে ।

ভাৰতৰ দৰে দুখীয়া আৰু জনবহুল দেশ এখনৰ দ্ৰুত উন্নয়নৰ কাৰণে, সমৃদ্ধিৰ কাৰণে শিল্প উদ্যোগৰ প্ৰয়োজন । শিল্প উদ্যোগ পৰিচালনাৰ কাৰণে দক্ষ কাৰিকৰৰ একান্ত প্ৰয়োজন । কাৰি-কৰৰ বাবে ইঞ্জিনীয়াৰসকলৰ যেনে প্ৰয়োজন তেনেদৰে টেক্‌নিচিয়ান, মেকানিক্, ৱেল্ডাৰ আদিৰো প্ৰয়োজন । কাৰিকৰসকলক দক্ষ কৰি তুলিবৰ বাবে শিক্ষা আৰু প্ৰশিক্ষণৰ আৱশ্যক । ইয়াৰ বাবে দেশত বহুতো টেক্‌ন'লজিকেল ইন্‌ষ্টিটিউট, ইঞ্জিনিয়াৰিং কলেজ, টেক্‌নিকেল স্কুল আদি স্থাপিত হৈছে । এই শিক্ষা লাভ কৰাত উৎসাহ-উদ্দীপনা জগাই তুলিবৰ কাৰণে বৃত্তিৰ ব্যৱস্থাও কৰা হৈছে। এনেক্ষেত্ৰত ল'ৰা-ছোৱালীৰ দক্ষতাৰ কিছুমান মনোবৈজ্ঞানিক Test লব পৰা যায় । Aptitude Test এইক্ষেত্ৰত প্ৰযোজ্য । যিসকলৰ উচ্চ শিক্ষা লাভ কৰিব পৰা দক্ষতা নাই অথচ কাৰিকৰী শিক্ষাৰ প্ৰতি উৎসাহী তেওঁলোকক উচ্চশিক্ষাৰ বাবে ব্যতিব্যস্ত কৰি নুতুলি কাৰিকৰী শিক্ষাৰ প্ৰতিহে উৎসাহ দিব লাগে । তেনে কৰিলে বহুতে উপযুক্ত কাৰিকৰী শিক্ষা লাভ কৰি কৰ্ম্মজীৱনত আত্ম প্ৰতিষ্ঠা লাভ কৰিব পাৰিব । তাৰ দ্বাৰা নিবনুৱা সমস্যাও যথেষ্ট পৰিমাণে লাঘৱ হ'ব । অৰ্থনৈতিক সমৃদ্ধিও বাঢ়িব । দেশৰ প্ৰতিজন নাগৰিকেই যেতিয়া কিবা নহয় কিবা এটা বৃত্তিৰ অধিকাৰী হব, তেতিয়া অৰ্থনৈতিক সংকট দূৰ হ'ব, দৰিদ্ৰতা গুচিব আৰু নিবনুৱা সমস্যাৰ সমাধান হ'ব ।

বৃত্তিমূলক শিক্ষাৰ এটা বিশেষ গুণ এয়ে যে

॥ বৰ্ত্তমান শিক্ষানীতিত বৃত্তিমূলক…… ॥

চাকৰি নকৰাকৈয়ো এজন মানুহে নিজ বৃত্তিৰ সহায়ত জীৱিকা অৰ্জন কৰিবলৈ সক্ষম হয়। স্বাধীনভাৱে কাম কৰি উপাৰ্জনক্ষম হ'ব পাৰে। বহুতে এইদৰে ক'ব খোজে যে— কাৰিকৰী শিক্ষাই মানুহক বেছি বাস্তৱমুখী কৰি তোলে। জীৱনটো যান্ত্ৰিক আৰু গতানুগতিক হৈ পৰে। এই ধাৰণা ভুল। বৃত্তিৰ লগত জড়িত হৈ থাকিও অন্যান্য উচ্চ-চিন্তা-চৰ্চাৰ লগত সম্বন্ধ থাকিব পাৰে। তাৰ এটা উদাহৰণ হৈছে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাই সম্বলপুৰৰ হাবিত কাঠৰ লগত যুঁজি যুঁজি কাঠ হৈ যোৱা নাছিল— বৰঞ্চ তাৰ বিশাল আৰু প্ৰবল অনুভূতি গভীৰহে হৈছিল। তাৰ ফলত অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হৈছিল। তেনেধৰণৰ অন্যান্য বহুতো উদাহৰণেই পোৱা যায়। উচ্চ শিক্ষিত হৈ নিবনুৱা জীৱন ধাৰণ কৰি অৰ্দ্ধাহাৰে থাকি কোনো মানুহেই উচ্চ চিন্তাত মনোনিবেশ কৰিব নোৱাৰে। আগতে ভোক নিবাৰণ কৰা, তাৰ পিছতহে অন্য চিন্তা। গতিকে ডিগ্ৰীৰ মোহ মানৱ জীৱনৰ ঘাই উদ্দেশ্য নহয়; ঘাই উদ্দেশ্য হ'ল অন্ন সংস্থান। সেইবাবে যোগ্যতা আৰু অভিৰুচি অনুযায়ী কাৰিকৰী শিক্ষা লাভ কৰি একোটা বৃত্তি গ্ৰহণ কৰাটো বাঞ্ছনীয়। তেনে কৰিলে দেশৰ নিবনুৱা সমস্যা আৰু দৰিদ্ৰতা দুয়োয়োৰে সমাধান হ'ব।





# আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু আমেৰিকান মিছনেৰীসকল।

অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভুঞা

বৃটিছ-অসমত প্ৰশাসনৰ মাধ্যম হিচাপে অসমীয়া ভাষা একেলেঠাবিয়ে দহ বছৰ ব্যৱহৃত হোৱাৰ পাছত ১৮৩৬ খ্ৰীষ্টাব্দত অসমীয়াৰ পৰিবৰ্ত্তে বঙলা ভাষা অসমত প্ৰবৰ্ত্তিত হ'ল, আৰু সেইটো বছৰতে খ্ৰীষ্ট-ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীসকল আহি অসমত উপস্থিত হ'লহি। এই দুয়োটা কথা যেন দৈৱিক সংঘটনহে, কাকতালীয় সংযোগ নহয়। সুদূৰ আমেৰিকাৰ বেপ্টিষ্ট মিছন ফৰে'ইন ছোছাইটিক জেনেৰেল জেন্‌কিন্‌ছে ১৮৩৫ চনত আমন্ত্ৰণ জনোৱাৰ উদ্দেশ্য আছিল ভাৰতৰ উত্তৰ পূৱ সীমান্তৰ চিংফো আৰু খামটিসকলক খ্ৰীষ্ট ধৰ্মৰ অমৃত বাণীৰে শান্ত কৰি বৃটিছ প্ৰশাসনৰ বিজয় গৌৰৱ অক্ষুন্ন ৰখাটো। এই আমন্ত্ৰণেই যে এটা জাতিৰ আপোন ভাষাৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ পবিত্ৰ আৰু মহৎ ইংগিত এটাৰো শুভ নিহিতি হ'ব পাৰে সেই কথা মিছনেৰীসকল বা জেনেৰেল জেনকিন্‌ছ কোনেও তেতিয়া ভাবিব পৰা নাছিল। কিন্তু কালক্ৰমত এই মাৰ্কিন মিছনেৰী সকলেই এটা জীয়া জাতিৰ স্বাভাৱিক জীৱন প্ৰবাহ অব্যাহত ৰখাত প্ৰধান সহায়ক হৈ পৰিল, মৰণোন্মুখ জাতি এটাক সঞ্জীৱনী শক্তি দি থিয়-দঙা দিব পৰা কৰিলে, অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিপাদন কৰি অসমৰ আদালত আৰু পঢ়াশালিত বঙলা ভাষাৰ পৰিবৰ্ত্তে পুনৰ অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাত আগ ভাগ ললে।

যোৱাটো শতিকাৰ চতুৰ্থ দশকৰ পৰা আৰম্ভ কৰি বিভিন্ন সময়ত অসমলৈ যিসকল মাৰ্কিন মিছনেৰীৰ শুভাগমন ঘটিছিল, সেই সকলৰ ভিতৰত ৰেভাৰেণ্ড ড. নাথান ব্ৰাউন, অলিভাৰ টি কট্ৰাৰ, ড মাইল্‌ছ ব্ৰন্‌ছন, শ্ৰীমতী ব্ৰন্‌ছন, জেকব টমাছ, চাইৰাচ বাৰ্কাৰ, এ. এইচ. ডেনকোৰ্থ, জে. ষ্টোডাৰ্ড, এ. কে. গাৰ্নী, ই. ডব্লু. ক্লাৰ্ক, এছ. এম. হোৱাইটিং, উইলিয়াম ৱাৰ্ড, শ্ৰীমতী ৱাৰ্ড. ডব্লু. জে, লং. পি, এইচ. মূৰে, জি. চি. ডাইবলি আদিৰ নামেই প্ৰধানকৈ উল্লেখযোগ্য। এই সকলৰ ভিতৰতো আকৌ ব্ৰাউন ব্ৰন্‌ছন পৰিয়ালৰ নাম অসমীয়াৰ জাতীয় জীৱনৰ লগত অধিক পৰিমাণে সম্পৃক্ত।

মিছনেৰীসকলে এই কথা বাৰুকৈয়ে উপলব্ধি কৰিছিল যে অনা-অসমীয়া মাত-কথাৰে অসমীয়া মানুহৰ মনৰ পথাৰত সোমোৱাটো সহজ সাধ্য নহয়। লগতে এই কথাও তেওঁলোকৰ উপলব্ধি হৈছিল যে ভাগৱতী বৈষ্ণৱ ধৰ্মৰ গভীৰ প্ৰভাৱৰ শিপা উঘালি মহাপুৰুষ শংকৰদেৱ মাধৱ-দেৱৰ সাম্ৰাজ্য অসমত যীশুখ্ৰীষ্টৰ বাণীৰ খেতি কৰাটো ততোধিক দুৰূহ কাৰ্য। বাস্তৱ ক্ষেত্ৰতো দেখা গৈছিল যে ১৮৩৬ চনৰ পৰা ১৮৪১ চনলৈ কালছোৱাৰ ভিতৰত অসমহে নালাগে সমগ্ৰ উত্তৰ পূৱ ভাৰতত মাত্ৰ এজন মানুহকহে মিছনেৰী-সকলে খ্ৰীষ্টধৰ্মত দীক্ষিত কৰিব পাৰিছিল।

১) তেনেস্থলত অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰাৰ বেলিকা

মিছনেৰীসকল অলপো উৎসাহিত হ'ব পৰা নাছিল। অথচ তেওঁলোকে উৎসৰ্গীকৃত জীৱনেৰে অসমীয়াৰ জাতীয় জীৱনৰ হকে অক্লান্তভাৱে কাম কৰি গ'ল। তেওঁলোকৰ সেই প্ৰাণপাত পৰিশ্ৰমেই অসমীয়াৰ জাতীয় জীৱনৰ কৰুণ অধ্যায় এটাৰ শুভ পৰিৱৰ্ত্তন ঘটালে। মাৰ্কিন মিছনেৰীসকলৰ সেই উদ্যোগৰ ফলতেই যে আধুনিক অসমীয়া ভাষাৰ সাহিত্যি প্ৰতিষ্ঠা হ'ল, সেই কথা অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসে চিৰকাল সুঁৱৰিব লাগিব। ইয়াৰ মূলতে হ'ল মিছনেৰীসকলৰ এক উদৰনৈতিক দৃষ্টিভংগী।

মাৰ্কিন মিছনেৰীসকলে এই কথা উপলব্ধি কৰিছিল যে কেৱল তেওঁলোকে নিজৰ ৰবীয়াকৈ কৰা অহোপুৰুষাৰ্থেৰেই অসমীয়া ভাষাৰ হৃত মৰ্যাদা ঘূৰাই অনা সম্ভৱ নহয়, অসমীয়া ভাষী মানুহখিনিৰো আত্মচৈতন্যৰ ইন্ধনৰ প্ৰয়োজন. আৰু সেইবাবেই জাতিটোক জগাই তুলিবলৈ তেওঁলোকে 'অৰুনোদই' কাকতৰ যোগেদি ১) অসমীয়া মানুহৰ মাজৰ পৰা কানি ৰৰবিহৰ মূলোচ্ছেদ ঘটাব খুজিলে, ২) পুৰণি অসম বুৰঞ্জী আদি সংগ্ৰহ আৰু প্ৰকাশ কৰি ঐতিহ্যসম্পন্ন জাতিটোক নিজৰ সমৃদ্ধিশালী অতীতটোৰ লগত পৰিচয় কৰাই দিলে, ৩) পাশ্চাত্য জগতৰ ধ্যান-ধাৰণা আৰু দেশ-দস্তৰৰ প্ৰতি জাতিটোৰ দৃষ্টি আকৰ্ষণ কৰিলে আৰু ৪) মাতৃভাষাৰ শক্তি-সামৰ্থ্য আৰু সৌন্দৰ্যৰ বিষয়ে অসমীয়াক অৱগত কৰালে। মিছনেৰীসকলৰ এইকেইটা কাৰ্যৰ ফলতে অসমীয়া জাতিৰ গাত চেতনা সঞ্চাৰিত হ'ল, আৰু জাতিটোৱে উদগতি-পথৰ প্ৰধান মূলধন এক সুগভীৰ আত্মপ্ৰত্যয়ে লাভ কৰিলে। এই আত্ম-চৈতন্য আৰু আত্মপ্ৰত্যয়েই হ'ল অসমত বঙলা ভাষাৰ দুকুৰি বছৰীয়া অকণ্টকা ৰাজত্বৰ অৱসান আৰু অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাপন-আন্দোলনৰ প্ৰধান অৱলম্বন। অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীয়ে চিৰকাল মুক্ত কণ্ঠে ঘোষণা কৰিব যে সেই আন্দোলনৰ পুৰোধা আছিল মাৰ্কিন মিছনেৰীসকলেই। এওঁলোকেই দৃপ্তকণ্ঠে ঘোষণা কৰি গ'ল বোলে অসমীয়া ভাষাৰ সৌন্দৰ্য-সুষমা বঙলা ভাষাতকৈ বহুত ওপৰ খাপৰ, আৰু বঙলাহে নালাগে ভাৰতৰ কোনো ভাষাতকৈ অসমীয়া ভাষা অপকৃষ্ট নহয় ("For beauty and softness, the Assamese language is much superior to the Bengali .. ... It is not inferior, in Copiousness, to any of the Indian languages." — Dr. Nathan Brown.)। ইতিহাসৰ বিভিন্ন ঘটনা-চক্ৰত পৰিও অসমীয়া ভাষা কেনেকৈ বিশাল ব্ৰহ্মপুত্ৰৰ দৰে প্ৰৱাহিত হৈ আহিছে আৰু আগলৈও প্ৰৱাহিত হৈ থাকিব, সেই কথাও এওঁলোকেই গভীৰ জ্ঞান আৰু প্ৰত্যয়েৰে কৈ থৈ গ'ল (ড. মাইল্‌ছ ব্ৰন্‌ছন)।

আধুনিক অসমীয়া ভাষা সাহিত্যৰ কেইবাটাও দিশৰে 'প্ৰথম' শব্দটোৰো দাবী কৰিব পাৰে এই আমেৰিকান মিছনেৰীসকলেই। জনসং-যোগৰ মাধ্যম ছাপাখানা স্থাপন আৰু সংবাদ-পত্ৰ প্ৰচলন; জনমত গঠন; ভ্ৰমণ-কাহিনী, শিশু-সাহিত্য, কবিতাধৰ্মী আৰু উপন্যাসধৰ্মী ৰচনাৰ প্ৰৱৰ্ত্তন; পুৰণি পুথিৰ সংকলন আৰু প্ৰকাশন, অভিধান প্ৰণয়ন আৰু মুদ্ৰণ, পুথি-সমালোচনাৰ আদৰ্শ স্থাপন— এই সকলো দিশতে এওঁলোকেই পোন প্ৰথমে হাত দি একো একোটা ঐতিহ্য সৃষ্টি কৰি

১. সেইজনেই আছিল প্ৰথম অসমীয়া খ্ৰীষ্টিয়ান .নিখিৰাম কেওঁট বা নিধিলেভি ফাৰয়েলা the first man of North East India to beoome a Christiain and aemarn one thronghout his Life". F. S.Downs, The Mighty works of God : p. 30।



গ'ল। অসমৰ পঢ়াশালিত অসমীয়া ভাষাৰে শিক্ষা দিবলৈ যোৱাটো, ফ্ৰেন্‌ছিছ জেন কিন্‌ছৰ মতে আছিল, মিছনেৰীসকলৰ এক আলাসত চাংপতা কথা ("Vain Fencies")। অসমীয়া ভাষাত পাঠ্যপুথিৰ অভাৱেই এনেদৰে ভাবিবলৈ জেন্‌কিন্‌ছক উৎসাহ যোগাইছিল। কিন্তু মিছ-নেৰীসকলে এই বিষয়টো এক প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰি বিভিন্ন বিষয়ৰ পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশ কৰিলে। এ. জে. মফাট মিল্‌ছ চাহাবৰ ১৮৫৩ চনৰ প্ৰতিবেদনতে আছে বোলে অসমত ভাষিক ৰাজত্বৰ পৰিৱৰ্ত্তনটো যাতে ত্বৰান্বিত হ'ব পাৰে, সেই উদ্দেশ্যে অধিক পুথি প্ৰকাশ কৰিবলৈ মিছনেৰী-সকল প্ৰস্তুত হৈ আছিল ("The American Missionaries have published some elementary educational works in Assamese, and would readily publish more, so, that the change might be introduced at once.")।

পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশনৰ ক্ষেত্ৰতো মিছনেৰীসকলে এক উদাৰনৈতিক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। মিছনেৰীসকল অসমলৈ অহাৰ পৰা আঢ়ৈ কুৰি বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰ উপত্যকাত জনজাতিসকলৰ সংখ্যা বাদ দিলে মুঠতে মাত্ৰ তিনিশ ছজন অসমীয়া লোকহে খ্ৰীষ্টধৰ্মত দীক্ষিত হৈছিল। এই হতাশাজনক সংখ্যাটোৱেও পিছে তেওঁলোকক অসমীয়া ভাষাৰ পুথি প্ৰণয়ন-প্ৰকাশনৰ পৰা নিৰস্ত কৰিব পৰা নাছিল। তেতিয়াৰ পাঠ্যপুথি বাছনী সমিতিত মিছনেৰীসকলৰো একোজন লোক অন্তৰ্ভুক্ত আছিল। ১৮৭৩ চনৰ পুথি বছা সমিতিয়ে নিৰ্বাচন কৰা তুলসীৰাম বৰুৱাৰ পুথিখনত থকা "দেৱতাৰ নিৰ্মালি মূৰত লব লাগে" আৰু "সংস্কৃত সকলো ভাষাতকৈ ভাল"— এই বাক্য দুটা আপত্তিজনক বুলি তেতিয়াৰ লক্ষীমপুৰ জিলাৰ ডেপুটী কমিচনাৰ মেজৰ ডব্লু. এছ ক্লাৰ্কে কমিচনাৰৰ একান্ত সচিবলৈ লিখিছিল বোলে চৰকাৰৰ দ্বাৰা পৰিচালিত পঢ়াশালিত এনে বাক্যযুক্ত পুথি পঢ়োৱা অনুচিত ("We should not teach in schools supported by Government") (২) লক্ষ্য কৰিবলগীয়া যে উল্লিখিত বাক্য দুটা নিশ্চয় বাছনী সমিতিৰ মিছনেৰী সদস্যৰ দৃষ্টিৰ অগোচৰত নাছিল। অসমীয়া পাঠ্যপুথিৰ সংখ্যা বৃদ্ধি হওক — এয়ে আছিল মিছনেৰীসকলৰ কামনা। ১৮৮১ চনত স্কুল-পৰিদৰ্শকসমূহ'ল চিফ কমিছনাৰে পঠোৱা চিঠি এখনত এনেদৰে ভয় প্ৰকাশ পাইছিল বোলে অসমীয়া পাঠ্যপুথিৰ অভাৱত বঙলা পুথি এবাৰলৈও প্ৰৱৰ্ত্তিত হ'লে বিভাগীয় লোকসকলে সিহঁত বিচাৰি ফুৰোঁতে মুকলি ঢুৱাৰকে পাব পাৰে; গতিকে গুণগত বিচাৰত উৎকৃষ্ট নহলেও আৰম্ভণিৰে পৰা (১৮৭৩ চনত পুনৰ অসমীয়া ভাষা প্ৰচলিত হোৱাৰ পাছত) সম্ভৱস্থলত অসমীয়া পাঠ্যপুথিকে প্ৰচলন কৰিব লাগে। ("... When once Bengali books have been introduced, departmental officer will be disinclined to disturb them, ... Assamese text books, though inferior in intrinsic merit, should, if possible, be used from the very beginning.") (৩)। মিছনেৰীসকলৰ উদাৰতাৰ আৰু এটা উদাহৰণ দিব পাৰি। হেমচন্দ্ৰ বৰুৱাই মিছনেৰী প্ৰৱৰ্ত্তিত আখৰ-জোঁটনি স্বীকাৰ কৰি লোৱা নাছিল, আৰু সেই ক্ষেত্ৰত তেওঁ একক প্ৰচেষ্টাৰে এক আন্দোলনকে গঢ়ি তুলি-ছিল। অৱশেষত হেমচন্দ্ৰৰে জয় হলগৈ,— আৰু মিছনেৰীসকলে নিজা ৰীতি পৰিহাৰ কৰি হেমচন্দ্ৰৰ

২। দ্ৰষ্টব্য : ডিম্বেশ্বৰ নেওগৰ 'New Light on Asamiya Literature', পৃ: ৩৫৬।
৩। The Assam Gazette, April 23, 1881.

ৰীতিকে গ্ৰহণ কৰিলে, আনকি, 'অৰুনোদই'কো 'অৰুণোদয়' কৰিলে। তথাপি হেমচন্দ্ৰৰ প্ৰতি মিছনেৰীসকলৰ মনোভাব বিৰূপ হোৱা নাছিল। তাৰ বিপৰীতে দেখা গ'ল— হেমচন্দ্ৰৰ অসমীয়া ভাষাৰ ব্যাকৰণখনো তেওঁলোকে প্ৰেছৰ পৰাই প্ৰকাশ কৰি উলিয়ালে। মিছনেৰীসকলৰ এই উদাৰতা আধুনিক অসমীয়া ভাষাৰ বিকাশত সহায়ক হোৱাৰ উপৰি পাছলৈ আধুনিক অসমীয়া সাহিত্যৰ ব্যক্তিত্ব গঠনতো সহায়ক হৈ পৰিছিল। ১৮৫৩ খ্ৰীষ্টাব্দলৈকে পাঠ্যপুথিকে ধৰি মিছনেৰীসকলে প্ৰকাশ কৰা অসমীয়া পুথিৰ তালিকা আনন্দৰাম ঢেকিয়ালফুকনে অসমীয়া ভাষা বিষয়ক তেওঁৰ পুথিখনত সন্নিৱেশ কৰি গৈছে। উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত, বিশেষকৈ অসমীয়া ভাষাই হৃত মৰ্যাদা ঘূৰাই পোৱাৰ পাছত মিছনেৰীসকলৰ অসমীয়া পুথি প্ৰণয়ন আৰু প্ৰকাশন কাৰ্যৰ দ্ৰুততা বৃদ্ধি পালে। সেইবোৰৰ উল্লেখো অসমীয়া সাহিত্যৰ বিভিন্ন গ্ৰন্থত ঘটিছে।

অসমীয়া ভাষা যে বঙলাৰ পৰা পৃথক সেই কথা প্ৰমাণ কৰাৰ বেলিকা মিছনেৰীসকলে অসমীয়া মানুহৰ কথিত ভাষাক আশ্ৰয় নকৰা হ'লে কিজানি অসমীয়া জাতিৰ মূৰৰ ওপৰৰ পৰা বিপদৰ ডাৱৰ আঁতৰিবলৈ আৰু বহু বছৰ লাগিলহেঁতেন। আত্মাৰাম শৰ্মাৰ সহায়ত ডঃ উইলিয়াম কেৰীয়ে অনুবাদ কৰা বাইবেলখনত বঙলা বা সংস্কৃতগন্ধী শব্দৰ প্ৰচুৰ প্ৰয়োগ ঘটা বাবে জতুৱা অসমীয়া ভাষাত গ্ৰন্থখন পুনৰ ব্ৰাউনে অনুবাদ কৰিবলৈ লোৱা কথাটো সঁচাকৈয়ে অতি তাৎপৰ্যপূৰ্ণ। ব্ৰন্‌ছন চাহাবে প্ৰণয়ন কৰা অভিধানখনতো কথিত অসমীয়া শব্দ সম্ভাৰৰ ওজন আছিল অধিক। অভিধানখনত সংকলিত আৰু দৈনন্দিন ক্ষেত্ৰত অসমীয়া মানুহৰ কথোপকথনত ব্যৱহৃত বহুতো শব্দ যে বঙালী পণ্ডিতৰ বাবেও দুৰ্বোধ্য, সেইকথা ব্ৰন্‌ছনেই কৈ গৈছে। কেৱল অভিধান খনতে নহয়, ব্ৰন্‌ছন প্ৰমুখ্যে মিছনেৰীসকলে লিখা বিভিন্ন পুথি পত্ৰাদিত কথিত ভাষাৰ শব্দৰ প্ৰয়োগ প্ৰাচুৰ্যই ভাষাটোক এটা পৃথক কালিকা দান কৰিছিল। এই ক্ষেত্ৰত ডঃ গ্ৰিয়াৰ্ছনে কোৱা কথাষাৰ প্ৰনিধানযোগ্য। তেওঁ কৈছিল বোলে ছপাশাল ওলোৱাৰ পৰা বঙলা ভাষা ক্ৰমান্বয়ে অধিক সংস্কৃতগন্ধী হৈ পৰিল; কিন্তু অসমৰ মিছনেৰীসকলৰ প্ৰযত্নত অসমীয়া ভাষা সেই দুৰ্দশাৰ পৰা মুক্ত ("Bengali, as it has progressed since the introduction of printing, has become more and more Sanskritised; while Assamese, under the wise conduct of the local Missionaries, has escaped the fate of its sister language") সংস্কৃতগন্ধী শব্দৰ অনুপস্থিতিৰ বাবেই নিশ্চয় ব্ৰন্‌ছনৰ অভিধানখনৰ "আভাস" শীৰ্ষক পাততনিটো পণ্ডিত চিভিলিয়ান ৰমেশ চন্দ্ৰ দত্তই বাৰে বাৰে চেষ্টা কৰিও ভালকৈ বুজিব নোৱাৰিলে। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিপাদনত এই কথাটোও কম সহায়ক হোৱা নাছিল।

আধুনিক অসমীয়া ভাষা-সাহিত্যলৈ মাৰ্কিন মিছনেৰীসকলৰ এটি আওপকীয়া অৱদানো আছিল। অসমীয়া ভাষাৰ ত্ৰাণকৰ্ত্তা আনন্দৰাম ঢেকীয়ালফুকনৰ লগত মিছনেৰীসকলৰ এক ঘনিষ্ঠ সংযোগ ঘটিছিল। নগাঁৱত থকা কালত ডঃ ব্ৰনছনৰ লগত আনন্দৰামৰ অন্তৰংগ সম্পৰ্ক ঘটাৰ উপৰি অসমীয়া ভাষা প্ৰসংগত আনন্দৰাম আৰু মিছনেৰীসকলৰ মাজত সততে চিঠি-পত্ৰ বা আলাপ আলোচনা চলিছিল। সেই সংযোগে নিশ্চয় বৃটিছ চৰকাৰৰ অনুগত প্ৰশাসক আনন্দৰামৰ মানসিকতাক কিছু পৰিমাণে হলেও প্ৰভাৱিত কৰিছিল। অৱশ্যে, পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে মিছনেৰীসকলৰ প্ৰসংগত কওঁতে আনন্দৰামৰ বিষয়ে কোৱা দৰে (৪) অসমীয়া ভাষাৰ হকে পাদ্ৰি চাহাবসকলে যত্ন কৰা দেখিহে ফুকনেও যত্ন কৰিছিল বোলা কথাষাৰ সত্য নহয়। পণ্ডিত গোস্বামীৰ এই মন্তব্য একদেশদৰ্শী। তাৰ প্ৰমাণ, গুণাভিৰাম বৰুৱাৰ 'আনন্দৰাম ঢেকিয়ালফুকন'ৰ জীৱন চৰিত্ৰই দিছে। কিন্তু গুণাভিৰাম আৰু হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যিক প্ৰতিভাৰ অংকুৰ আৰু বিকাশৰ মূলত মিছনেৰীসকলৰ অৱদানযে প্ৰচুৰ, সেই কথা কবই লাগিব। আন সকলো কথা এৰিও কব পাৰি, অৰুণোদই কাকতৰ উম নোপোৱা হলে হেমচন্দ্ৰ-গুণাভিৰামৰ সাহিত্যিক প্ৰতিষ্ঠা কিজানি সম্ভৱেই নহ'লহেঁতেন।

মাৰ্কিন মিছনেৰীসকলৰ কেইবাজনেও খ্ৰীষ্টীয় স্তুতিগীত কিছুমান অনুবাদ কৰিছিল। তেওঁলোকৰ ভিতৰত নাথান ব্ৰাউন, মাইল্‌ছ ব্ৰন্‌ছন, উইলিয়াম ৱাৰ্ড, পি এইচ. মূৰে আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। 'ছেক্ৰেড ছং' (Sacred songs) সমূহৰ পৰা অনুদিত এই গীতসমূহ যদিও ধৰ্মমূলক আৰু উদ্দেশ্য ধৰ্মী, তথাপি কেইটামান গীতত বা কেইটামানৰ কোনো কোনো ফাঁকিত পৰৱৰ্তী কালৰ অসমীয়া কবিতাৰ ৰচনাৰীতিৰ আদৰ্শ নিহিত থকা যেন লাগে। মূলৰ লগত প্ৰায় ক্ষেত্ৰতে সম্পৰ্ক নৰখা এই অনুদিত গীতসমূহত ব্যৱহৃত ছন্দয়ো পৰৱৰ্তী কালৰ অসমীয়া কবিতাৰ ছন্দক আৰ্হি দেখুৱাইছিল বুলিব পাৰি। ব্ৰন্‌ছনৰ এটি গীতত ছন্দৰ খোজ এনেকুৱাঃ— "হ'ল, সিদ্ধ হ'ল, এই প্ৰধান কাৰ্য,
যীচু মোৰ প্ৰভু, মই তেওঁৰ দাস,
তেওঁৰ নিমন্ত্ৰণ কেনে আশ্চৰ্য!
আনন্দে ৰাখিম তেওঁতহে আশ।" (৫)

ৱাৰ্ডৰ সৰহসংখ্যক গীতেই তলত দেখুৱা ধৰণেৰে ছন্দোবদ্ধঃ— "হয়, মই তেওঁতে, তেৱো মোতে
নিবাস কৰে নাথ দয়াল;
প্ৰেমে পূৰ হয় মন ইয়াতে,
পূৰ হবও অনন্ত কাল।" (৬)

বহুতো গীতৰ ছন্দ আকৌ অসমীয়া ছন্দৰ ঐতিহ্যযুগ। ব্ৰাউনৰ এটা গীতৰ ছন্দৰ গতি এনেকুৱাঃ—

"যি গছ থাকে জলৰ পাৰ,
গুটি পাত নুশুকায় তাৰ।
সেই গছ যেনে ফলৱন্ত,
ধাৰ্মিক তেনে সুখৱন্ত।" (৭)

গতিটোৱে ডাক-ছন্দলৈ মনত পেলাই দিব পাৰে। যেনেঃ— "নাঙল বলদত সবাৰে আশ।
যাৰ নাই তাৰ সৰ্বনাশ॥
জেঠ মাহ গ'ল বিনা নাঙলে।
তাৰ কৃষি কিমতে ফলে॥"

কোনোটো গীতৰ দুই এটা ফাঁকিয়েই আকৌ একোটা গুটীয়া কবিতাৰ সৌন্দৰ্যৰো আভাস দিব পাৰে। ব্ৰাউনৰ এটি গীতৰ দুটি ফাঁকিৰেই আমি প্ৰসংগৰ সামৰণি মাৰিব খুজিছোঁঃ—

"কেৱল এক যি পৰম ইশ্বৰ, সত্য নিত্য ভগৱন্ত;
সকলোৰে আদি অন্তো, তেওঁ অনাদিও অনন্ত।
স্ৰষ্টা, পালন, সংহাৰকৰ্তা, তেওঁৰ বাহিৰে
কোনো নাই,
জীৱন, মৰণ মুক্তি তেওঁতে, প্ৰভু সৰ্বানন্দ সদায়।
শক্তিমন্ত সৰ্বজ্ঞানী, অবিনাশী নিৰাময়,
সৰ্বব্যাপি, সৰ্বদৰ্শী, অন্তৰ্যামী দয়াময়।
তেওঁ নিষ্পাপী পাৰমাৰ্থিক, গুণ অসীমা প্ৰেম আধাৰ,
প্ৰভুৰো ওপৰ হয় প্ৰভু, নিৰঞ্জন ও নিৰাকাৰ।" (৮)

৪। অসমীয়া ভাষা : পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃঃ ১৩৩। ৫। নতুন ধৰ্মগীত, ২য় সংস্কৰণ, ১৯৪৮, পৃঃ ৯১। ৬। প্ৰশংসা সংগীত, ১ম সংস্কৰণ ১৯৪৪, পৃঃ ৯১। ৭। প্ৰশংসা সংগীত, পৃঃ ৪৭। ৮। প্ৰশংসা সংগীত, পৃঃ ১০।

## নগাঁৱৰ বঢ়মপুৰ

# ॥ শ্ৰীমন্ত শঙ্কৰমিশ্যনত এভুমুকি ॥

কুমাৰী প্ৰণতি বৰা
স্নাতক, ২য় বাৰ্ষিক

সিদিনা দেওবাৰ আছিল। আবেলি তিনিমান বজাত মই বহুদিনৰ আকাঙ্ক্ষিত হেপাহৰ বঢ়মপুৰৰ শ্ৰীমন্ত শঙ্কৰমিশান অন্ধবিদ্যালয়খন চাবৰ মানসেৰে ওলাই গৈছিলো বিদ্যালয় অভিমুখে। লগ পাইছিলো বিদ্যালয়ৰে অন্ধ শিক্ষয়িত্ৰী শ্ৰীকমলা বৰুৱা আৰু লগতে সেই বিদ্যালয়ৰে প্ৰতিষ্ঠাতা তথা বিদ্যালয়ৰ প্ৰাক্তন চুপাৰিনটেণ্ডেণ্ট শ্ৰীযুত বিষ্ণু বৰুৱাক। কমলা বৰুৱাৰ বাসভৱনত সকলোৰে লগত চিনাকি হৈ নিজেই গৌৰৱ অনুভৱ কৰিছিলো। কিন্তু লগে লগে দুখো পাইছিলো ইমান দেৰিকৈ তেওঁলোকৰ লগত চিনাকি হৈ। কিয়নো কমলা বৰুৱা সেইখন অন্ধবিদ্যালয়ৰ অধীনতে স্নাতক পৰীক্ষা পাচ কৰি বৰ্তমান তাতে শিক্ষয়িত্ৰী। দ্বিতীয়তে বিষ্ণু বৰুৱা সেই মহাৰিদ্যালয়ৰ প্ৰথম চুপাৰিনটেণ্ডেণ্ট আৰু প্ৰতিষ্ঠাতা।

পৰিচয়ৰ পিছত কমলা বৰুৱাক মই সুধিছিলো স্কুলখনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ বিষয়ে। কিন্তু তেখেতে সবিশেষ উত্তৰ দিব নোৱাৰিছিল। সেয়েহে তেখেতে সবিশেষ কৰৰ বাবে চিনাকি কৰি দিছিল বিষ্ণু বৰুৱা চাৰক। তেখেতৰ লগতে মই লগ পাইছিলো সেই বিদ্যালয়ৰে অন্ধ শিক্ষয়িত্ৰী শ্ৰীমতী শেৱালি বৰাক। আৰু এয়া তেখেতসকলৰ মুখেৰে শুনা বঢ়মপুৰ শ্ৰীমন্ত শঙ্কৰমিশ্যন অন্ধ বিদ্যালয়ৰ ইতিবৃত্ত।

বঢ়মপুৰ শ্ৰীমন্ত শঙ্কৰমিশ্যন অন্ধ বিদ্যালয়ৰ প্ৰতিষ্ঠা হয় ১৯৫৫ চনৰ ২৭ চেপ্তেম্বৰ তাৰিখে। এইখনেই অসমৰ প্ৰথম অন্ধ স্কুল। এই স্কুলখনৰ প্ৰথম উদ্বোধন হয় নগাঁও শ্ৰীমন্ত শঙ্কৰমিশ্যনত। পিছত ঠাইৰ অসুবিধা হোৱাত বঢ়মপুৰলৈ স্থানান্তৰিত কৰে ১৯৬৬ চনৰ জানুৱাৰী মাহৰ ১৬ তাৰিখে। স্কুলখন প্ৰতিষ্ঠাৰ পাছত তিনিবছৰলৈকে কোনো পাঠ্যক্ৰম নাছিল। বৰ্তমান তেওঁলোকৰ শিক্ষা-পদ্ধতি সম্পূৰ্ণ সচলি কৰা হৈছে। প্ৰথমে তিনিজন শিক্ষক আৰু তিনিজন ছাত্ৰক লৈ স্কুল আৰম্ভ হৈছিল। ১৯৫৬ চনত শ্ৰীযুত বিষ্ণু বৰুৱাদেৱ প্ৰশিক্ষণৰ বাবে কলিকতালৈ যায় আৰু ১৯৫৭ চনৰ ১জানুৱাৰীত কলিকতাৰ পৰা ঘূৰি আহি প্ৰথম চুপাৰিনটেণ্ডেণ্ট হিচাবে নিযুক্ত হয়। ১৯৬৪ চনত প্ৰথম সেইবিদ্যালয়ৰ পৰা ভগৱান শৰ্ম্মা নামৰ এজন ছাত্ৰই প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। বৰ্ত্তমানলৈকে ছয়জন ছাত্ৰই বি. এ. ডিগ্ৰী লাভ কৰিছে। সেইকেইজন হ'ল ক্ৰমে ১। ভগৱান শৰ্ম্মা, ২। কমলা বৰুৱা, ৩। শেৱালি বৰা, ৪। দেৱজিত বৰুৱা, ৫। ধীৰেণ বৰা, ৬। অমলেন্দু ছুটীয়া। বৰ্ত্তমান অমলেন্দু ছুটীয়াই দিল্লী বিশ্ববিদ্যালয়ত এম. এ. পঢ়ি আছে।

স্কুলখনৰ সৰহভাগ ছাত্ৰ-ছাত্ৰীয়েই সঙ্গীত পৰিৱেশন কৰে। এই স্কুলৰ সঙ্গীত বিশাৰদ কণ্ঠশিল্পী শ্ৰীশেৱালি বৰা আৰু বাদ্যযন্ত্ৰ শিল্পী মনু ভূঞা।

এওঁলোকৰ পাঠ্যক্ৰম অন্যান্য স্কুলৰ পাঠ্যক্ৰমৰ লগত একেই, কিন্তু লিখা পদ্ধতি সম্পূৰ্ণ বেলেগ। তেওঁলোকে লুইব্ৰেইলৰ পদ্ধতি অনুকৰণ কৰিছে। এই ব্ৰেইল পদ্ধতি ৬টা বিন্দুৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰতিটো বিন্দুৰে নিজস্ব স্থান আছে। এই ৬টা বিন্দুৰ সহায়ত ৬৩টা সঙ্কেত চিন পোৱা যায়। আৰু এই ৬৩টা চিনৰ সহায়ত যিকোনো ভাষাৰ বৰ্ণমালা, গাণিতিক চিহ্ন, যতি চিহ্ন লেখিব পাৰি। এই ব্ৰেইল পদ্ধতি আজিলৈকে গোটেই পৃথিৱীত প্ৰাথমিক স্কুলৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যন্ত ব্যৱহৃত হয়। এওঁলোকক লিখোতে এখন প্লেইট, এডাল গাইড, আৰু এডাল ষ্টাইলাচ লাগে। অতি দুখৰ বিষয় যে বৰ্ত্তমানেও অসমত এওঁলোকৰ কিতাপ ছপাবৰ বাবে এটা প্ৰেছ নাই। শিক্ষকসকলে কিতাপ নিজে লিখি ছাত্ৰ-ছাত্ৰীক পঢ়ায় আৰু বহুতো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজা কিতাপ নিজে লিখি লৈ পঢ়ে। যদিওহে উত্তৰ পূৰ্ব্বাঞ্চলৰ বাবে কলিকতাৰ নৰেন্দ্ৰপুৰত এটা প্ৰেছ আছে তথাপিও সেই প্ৰেছটোৱে এই অঞ্চলৰ সমূহবিদ্যালয়ৰ কিতাপৰ চাহিদা পূৰণ কৰিব নোৱাৰে। লিখাৰ আহিলাৰ ভিতৰত কেৱল কাগজখনহে ইয়াত পোৱা যায়।

মই দুজন ছাত্ৰক লগ পাইছিলো। তেওঁলোক দুয়োজনৰে অভিমত বেলেগ। লক্ষ্যও দুয়োজনৰে সম্পূৰ্ণ বেলেগ। হোষ্টেললৈ গৈ মই আন কিছুমান ছাত্ৰক লগ পাইছিলো আৰু সুধিছিলো— তেওঁলোকে থকা-মেলাৰ কিবা অসুবিধা অনুভৱ কৰিছেনেকি? কিন্তু প্ৰত্যেকেই একেমুখেই কৈছিল— তেওঁলোকে সকলো সুবিধা নিয়মিত ৰূপে পাইছে। কাপোৰ-কানিৰ পৰা খোৱা-বোৱা কিতাপ-পত্ৰলৈকে সকলোৰে খৰচ চৰকাৰে বহন কৰিছে। তেওঁলোকে দৈনন্দিন তালিকা মতে চলে। প্ৰত্যেকেই নিজ নিজ কাম কৰিবলৈ সক্ষম। আনৰ ওপৰত নিৰ্ভৰ নকৰে।

'মিউজিক'ৰ ক্ষেত্ৰত তেওঁলোকক বিশেষ আগৰণুৱা হিচাবেই মই দেখা পাইছিলো। মিউজিক শ্ৰেণীৰ দুজন ল'ৰা মই লগ পাইছিলো। এজন শ্ৰীমুকুন্দ তালুকদাৰ আৰু আনজন হ'ল শ্ৰীদীপঙ্কৰ আচাৰ্য্য। দুয়োজনেই বাদ্যযন্ত্ৰত বিশেষ পাৰদৰ্শিতা অৰ্জ্জন কৰিব পাৰিছে। মুকুন্দই তেওঁৰ নিজৰ ৰচিত আৰু সুৰাৰোপিত এটা গান গাই শুনাইছিল। গীতটিৰ প্ৰথম কলিটি হ'ল—

সংগ্ৰামী তুমি সংগ্ৰামেৰে
পোহৰ কৰিলা বিশ্ব,
তুমি জানো জানা তোমাৰ দৰে
আছেনে কোনোবা শিষ্য ...।

প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত লক্ষ্য কি মই সুধিছিলো। প্ৰতিজনৰে লক্ষ্য আছে। তেওঁলোকে কৈছিল—"আমি ইয়াৰ পৰা পৰীক্ষাত পাছ কৰি গৈ নিজে নিজৰ ওপৰত চলিব পৰাটোৱেই আমাৰ লক্ষ্য।" তেওঁলোকে ভগৱানৰ ওপৰত বেছি গুৰুত্ব দিছিল।

বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে আবেলি খেলিছিল। তেওঁলোকে ঢেকী খেল, নাও খেল, ঝুল্না আদি খেল খেলে। অৱশ্যে সৰু চামৰ খেলৰ ওপৰত গুৰুত্ব বেছি।

মঠতে, মই অনুমান কৰিছিলো বঢ়মপুৰ শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ-বিদ্যালয়ে অতীতত, লগতে বৰ্ত্তমান যিখিনি কৰিছে সেইদৰে ভৱিষ্যতে আৰু বেছি অন্ধ ল'ৰা-ছোৱালীৰ জীৱন গঢ়াত সহায় কৰিব। এই দুৰ্ভগীয়া দৃষ্টিহীন অন্ধসকললৈ আমি প্ৰত্যেকেই সহানুভূতি দেখুওৱা আমাৰ কৰ্ত্তব্য। প্ৰতিজন অন্ধ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। ●

॥ শেষ ॥

# প্ৰয়াত অধ্যাপক বিনয় বৰা

অধ্যাপক কৃষ্ণ বৰা

'An hour in the glorious is worth an age without a name.'

১৯৬৫ চনৰ জুলাই মাহৰ পৰা ৺বিনয় বৰাৰ লগত নগাঁও ছোৱালী কলেজত সতীৰ্থ হোৱাৰ সৌভাগ্য হৈছিল। সেইদিন ধৰি তেওঁক নিচেই ওচৰৰ পৰা জনাৰ সুযোগ পাইছিলোঁ। তেওঁৰ কথা-বতৰা, পিন্ধন-উৰণ, আহাৰ-বিহাৰ আৰু ৰুচি সম্পৰ্কে ভালদৰে জানিছিলো আৰু তেওঁৰ পৰিয়াল আৰু আত্মীয়-কুটুম্বৰ লগতো' এক ৰকম আপোন সম্পৰ্ক গঢ়ি উঠিছিল।

৺বৰা পুৰণিগুদামৰ ওচৰৰ হালোৱা গাৱঁৰ এটা অভিজাত্য পৰিয়ালত ১৯২৮ চনত জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাক ৺নৰনাথ বৰা আৰু মাক ৺মাইকণ বৰা। দেউতাকে নগাঁৱৰ এখন চাহ বাগিচাত চাকৰি কৰিছিল। তেখেতে নিজে এজন বিদ্যোৎসাহী লোক বাবে নিজৰ ল'ৰাকেইটাৰ শিক্ষাৰ প্ৰতিও বৰ যত্ন লৈছিল আৰু আটাইকেইটা ল'ৰাকে যথাসময়ত উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিছিল। ৺বৰাই ল'ৰাকালৰ শিক্ষা হালোৱা গাঁৱৰ পাঠশালা স্কুলতে লৈছিল। তাৰ পিছত পুৰণিগুদাম হাইস্কুলৰ পৰা ১৯৪৮ চনত সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষা পাছ কৰি কলেজীয়া শিক্ষাৰ বাবে নগাঁও কলেজত নাম ভৰ্ত্তি কৰে। এই কলেজৰ পৰা দুবছৰৰ পিছত আই. এ. আৰু তাৰ দুবছৰৰ পিছত সুখ্যাতিৰে বি, এ, পাছ কৰে। তেওঁ কোৱামতে তেওঁ বি, এ-ৰ শেষান্ত পৰীক্ষা দিয়া দ্বিতীয় বছৰৰ পৰীক্ষাৰ্থী আছিল। সেই বছৰ এক্কৈশ নে বাইশজন ল'ৰাই পৰীক্ষা দিছিল, তাৰ ভিতৰত মাথোন দুজন ল'ৰাই পাছ কৰিছিল। পাছ কৰা দুজনৰ এজন আছিল ৺বিনয় বৰা।

বি, এ, পাছ কৰাৰ পাছত লগে লগে এম, এ, নপঢ়ি বড়মপুৰ হাইস্কুল প্ৰতিষ্ঠা হোৱাত তেওঁ এই স্কুলৰ হেড্‌মাষ্টৰ হৈ যায়। ৺বৰা আছিল বড়মপুৰ হাইস্কুলৰ প্ৰতিষ্ঠাপক হেড্‌মাষ্টৰ। তাৰ পিছত চৰকাৰী চাকৰি গ্ৰহণ কৰে। প্ৰথমে গোৱালপাৰাত, পিচত নগাপাহাৰৰ পি-ডাব্লিউ-ডিৰ ডিভিজনেল একাউণ্টেণ্ট চাকৰিত সোমায়। সেই সময়ত নগাভূমিত সুকীয়া নগাৰাজ্যৰ দাবীত আত্মগোপন কাৰী নগাই বিদ্ৰোহ কৰিছিল। গেৰিলা যুদ্ধ প্ৰক্ৰিয়াৰে যুদ্ধ কৰি মুহূৰ্ত্তৰ ভিতৰতে ক'ত মানুহৰ প্ৰাণ লৈছিল, ক'ত ঘৰ-দুৱাৰ ভাঙিছিল আৰু ক'ত যান-বাহন চূৰ্ণাকৃত কৰিছিল তাৰ হিচাব নাছিল। ৺বৰা যিটো ঘৰত আছিল সেই ঘৰটোৰ ভিতৰত বেৰৰ কাষে কাষে ওপৰলৈকে বালিৰ বস্তা। বাহিৰৰ বন্দুকৰ গুলীৰ শব্দ যেতিয়াই শুনিবলৈ পায়, তেতিয়াই পেট পেলাই বালিৰ বস্তাৰ মাজত সোমাই প্ৰাণ ৰক্ষা কৰে। নগা লোকসকলৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কেও বহুতো কথা তেওঁ কৈছিল। নগাসকলে শিয়ালৰ মঙহ খাই যে খুব ভাল পাইছিল সেই কথাও কৈছিল। কেইবছৰমান পিছত সেই চাকৰি এৰি অসম চৰকাৰৰ অধীনৰ হিচাব পৰীক্ষক চাকৰি গ্ৰহণ কৰে। যোৰহাট, গোলাঘাট আদি ঠাইত এই চাকৰি কৰি ভাল নলগাত এম, এ, পঢ়াৰ সিদ্ধান্ত লয় আৰু দৰ্শনত এম, এ, পঢ়িবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি কৰে। দুবছৰৰ পিছত এম. এ. পাছ কৰে। তাৰ পিছত ১৯৬৩ চনত অভয়াপুৰী কলেজত দৰ্শনৰ অধ্যাপক নিয়োজিত হয়। তাত দুবছৰ চাকৰি কৰি ১৯৬৫ চনত নগাঁও ছোৱালী কলেজলৈ আহি দৰ্শনৰ মুখ্য অধ্যাপক হিচাবে মৃত্যুকাল পৰ্য্যন্ত থাকে।

৺বৰা এজন কৃতী শিক্ষক। নিজৰ বিষয়ৰ ওপৰত দক্ষতা থকাৰ বাবেই ছাত্ৰীসকলৰ মাজত জনপ্ৰিয়তা অৰ্জ্জন কৰিব পাৰিছিল। ছাত্ৰীসকলৰ মাজত যেনে জনপ্ৰিয় নিজৰ সহকৰ্ম্মী বন্ধুসকলৰ মাজতো সমানেই সৰবৰহী আৰু জনপ্ৰিয় আছিল। ইংৰাজীত মুখেদি আখৈ ফুটাদি ফুটিছিল। সহকৰ্ম্মীসকলৰ লগত যুক্তিতৰ্ক সততে কৰা দেখা গৈছিল আৰু সেই তৰ্কত কোনোদিন হাৰমনা পৰিলক্ষিত হোৱা নাছিল। কোনোবা দিন তৰ্ক এনে পৰ্য্যায়লৈ গৈছিল যে উভয় পক্ষৰ মাজত খঙৰ মাত্ৰা বাঢ়ি চৰম অৱস্থা পাইছিলগৈ। কিন্তু ৺বৰাৰ চৰিত্ৰৰ আটাইতকৈ প্ৰশংসনীয় গুণ হ'ল যে তেওঁ তৰ্কৰ খাতিৰতহে তৰ্ক কৰিছিল। কাৰো প্ৰতি বিদ্বেষ বা কপট ভাৱ কেতিয়াও ৰখা নাছিল। 'কমন-ৰুম'ত ৺বিনয় বৰা আছেনে নাই অ'ৰ তেওঁৰ পৰাই ক'ব পৰা যায়। ৺বৰাই কিবা এটা নহয় কিবা এটা বিষয়ৰ আলোচনাত প্ৰবৃত্ত হৈ থাকেই। আৰু কথাও সৰু সৰুকৈ কোৱাৰ অভ্যাস নাই। অ'ৰ তেওঁৰ পৰা দ্বন্দ্ব বা খৰিয়াল লাগিছে বুলিহে অনুমান হয়। ৰসিক বৰাই নিজেও হাঁহে আৰু আনকো হঁহুৱাব পৰা ক্ষমতা আছিল। তেখেতে হস্তৰেখাও চৰ্চ্চা কৰিছিল। বহুতৰে হস্তৰেখা চাই সৌভাগ্য-দুৰ্ভাগ্যৰ কথা কৈ পতিয়ন নিয়াব পাৰিছিল।

কলেজত সোমোৱা দিন ধৰি কলেজৰ উন্নতিৰ কাৰণে একাণপটীয়াকৈ কাম কৰি গৈছিল। কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত মহেশ চন্দ্ৰ দেৱ-গোস্বামী আমাৰ বহুতৰ দৰে তেখেতৰো শিক্ষক আছিল। সহকৰ্মী হৈয়ো পঢ়ি থকা দিনৰ দৰেই অধ্যক্ষৰ ওচৰত একান্ত বাধ্য আছিল। 'বিনয়' বুলি মাত দিলেই ততালিকে চাৰৰ ওচৰ পাই কামৰ নিৰ্দ্দেশৰ বাবে অপেক্ষা কৰিছিল। ৺বৰা কলেজৰ পৰীক্ষাসমূহ চলোৱাৰ তত্বাৱধায়ক আছিল। পৰীক্ষাসমূহ নিয়াৰিক চলাবলৈ যত্ন কৰিছিল। স্বৰ্গীয় বৰাই সুকীয়া এটা কোঠালিত পৰীক্ষাৰ কাম কৰিছিল। সেই সময়ত কলেজৰ উপাধ্যক্ষ নিয়োগ কৰা নাছিল যদিও বৰাই যি হিচাবত কাম চলাইছিল তাৰ পৰাই বিশেষকৈ ছাত্ৰীসকলে তেওঁকেই উপাধ্যক্ষ বুলি ভাবি লৈছিল। কিন্তু এই পদৰ বাবে অদম্য আশা আছিল যদিও ৺বৰা উপাধ্যক্ষ নহ'লগৈ। তাৰ বাবে যে আপচোচ কৰা নাছিল এনে নহয়। কিন্তু সেই আপচোচ দূৰ হ'ল যেতিয়া কলেজৰ অধ্যক্ষ পদ খালী হ'ল আৰু সেই পদত স্বৰ্গীয় বৰাক নিয়োজিত কৰিব লাগে বুলি তেওঁৰ সহকৰ্মী বন্ধুসকলে কলেজ কৰ্ত্তৃপক্ষক বাৰুকৈয়ে খটা দেখিছিল। কিন্তু হায় বিধাতা! মানুহে পাতে. ঈশ্বৰে ভাঙে। কলেজৰ অধ্যক্ষৰ আসন অলঙ্কৃত কৰিবলৈ ঈশ্বৰে তেওঁক জীয়াই নেৰাখিলে। এপেণ্ডিচাইটিচ ৰোগত পৰি ১৯৮২ চনৰ ৯ ফেব্ৰুৱাৰীত চিৰদিনলৈ চকু মুদিলে। লগত লৈ গ'ল মাথোন এবুকু অপূৰণীয় আশা।

কলেজৰ উন্নতিৰ বাবে কৰা বিভিন্ন কামৰ ক্ষেত্ৰত ৺বৰা আছিল এজন আগৰণুৱা কৰ্মী। কলেজৰ সাহায্যত ভ্ৰাম্যমান থিয়েটাৰ 'নটৰাজ' অনা হৈছিল। চোঁৰাঘৰ বনাবলৈ মূৰত বেৰ কঢ়িয়াই লৈ

যাওঁতে হামখুৰি খাই খালত পৰিছিল। কলেজৰ ঘাটী মঞ্জুৰীৰ বাবে স্বৰ্গীয় বৰাৰ নাম সদায়েই কলেজৰ বুৰঞ্জীত ৰৈ যাব। তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহা নগাঁৱলৈ আহিছিল। স্বৰ্গীয় বৰাই কেনেবাকৈ খবৰ পালে। আৰু লগে লগে অধ্যক্ষ প্ৰমুখ্যে সকলো অধ্যাপক-অধ্যাপিকাকে গোটাই আৱৰ্ত্ত গৃহলৈ গৈ মুখ্য-মন্ত্ৰীক লগ কৰিলে আৰু সেইমুহূৰ্ত্তেতে টেলিফোন যোগে মুখ্যমন্ত্ৰীয়ে শিক্ষাধিকাৰৰ লগত কথা হৈ কলেজৰ ঘাটী মঞ্জুৰী দিলে। অৱশ্যে বৰাক লগৰ লগৰীয়াই 'ডেফিচিট বৰা' বুলি কোৱা হ'ল তেওঁৰ অনুষ্ঠানৰ প্ৰতি কেনে আনুগত্য আছিল আৰু কেনে কৰ্মতৎপৰ তাৰেই ই সুন্দৰ চানেকী। মিত-ব্যয়িতা তেওঁৰ চৰিত্ৰৰ ভূষণ। কেনেকৈ সঞ্চয় কৰিব লাগে এই বিষয়ে তেওঁ আনকো শিকায় আৰু নিজেও হাতে কামে কৰি দেখুৱায়। সেইবাবেই আন দহজন সহকৰ্মীতকৈ তেওঁৰ অৱস্থা স্বচ্ছল আৰু অভাৱত কোনো দিন পৰা দেখা নাই। তেওঁৰ মতে, 'Money begets money' এই সঞ্চয় গুণৰ বাবেই বৃহৎ পৰিমাণৰ ধন সঞ্চয় কৰি ৰাখিব পাৰিছিল আৰু মৃত্যুৰ পাচত সেই-বাবেই তেওঁৰ সহধৰ্মিনীয়ে দুটা লৰা আৰু এজনী ছোৱালীক সকলো প্ৰকাৰে অৰ্থৰ যোগান ধৰি পোহপাল দিবলৈ সক্ষম হৈছে।

স্বৰ্গীয় বৰা পুৰণি অসমীয়া গানৰ প্ৰতি মোহ থকা এজন লোক। কলেজৰ ভোজমেলত গান গোৱা কোনোবা যদি আছে তেনেহলে তেওঁ হ'ল স্বৰ্গীয় বিনয় বৰা.। স্বৰ্গীয় বৰাই স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' কথাছবিৰ গীতকে ধৰি ইন্দ্ৰমালতী, ছিৰাজ পুৰণি কথাছবিৰ অসমীয়া গানৰ কথা আৰু সুৰ খুব সুন্দৰকৈ গাই দিব পাৰিছিল। কলেজৰ বিচিত্ৰানুষ্ঠানত স্বৰ্গীয় বৰাৰ গান থাকেই। ছোৱালীহঁতেও তেওঁৰ গান শুনি বৰ আনন্দ পায়।

পিন্ধন-উৰণতো স্বৰ্গীয় বৰা চৌখিন আছিল। কাপোৰৰ দোকানলৈ গৈ একেবাৰতে দুযোৰ বা তিনিযোৰ কাপোৰৰ অৰ্ডাৰ দিয়ে। তেওঁ এযোৰ চুটৰ কাপোৰ আনিছিল কলিকতাৰ পৰা। কাপোৰ-যোৰৰ ৰং ৰ'দত এটা হয়, ছাঁত আন এটা হয়। সেইবাবে কাপোৰযোৰৰ কথা প্ৰায়েই কৈছিল আৰু তাকেই গইনা লৈ বন্ধু-বান্ধৱসকলেও কাপোৰ যোৰৰ কথা কৈ কৈ তামাচা কৰিছিল।

তেওঁ অধিক বৈষয়িক আছিল। পাৰি-বাৰিক আৰু ব্যক্তিগত সুখ-সমৃদ্ধিয়েই জীৱনৰ লক্ষ্য আছিল। আনৰ উপকাৰ কৰিব নোৱাৰিলেও আনৰ অপকাৰ নকৰাকৈ থকাটো জীৱনৰ ব্ৰত আছিল। ধৰ্ম্মৰ ক্ষেত্ৰত উদাৰপন্থী। ঈশ্বৰ বিশ্বাস কৰে। কিন্তু চাৰ্বাকৰ আৰু ওমৰ খায়ামৰ সুখ-বাদী দৰ্শনে অধিক প্ৰভাৱ বিস্তাৰ কৰা যেন লাগে। সাহিত্য-কৰ্ম্মৰ ভিতৰত বহুত ইংৰাজী কবিতা ৰচনা কৰাৰ কথা কৈছিল আৰু তাৰে দুটামান এটা কোনোবা আলোচনীত প্ৰকাশো হৈছিল।

স্বৰ্গীয় বৰা এজন সৎ আৰু উদাৰ স্বভাৱৰ লোক আছিল। সহকৰ্মীসকলৰ বাদে সৰ্বসাধাৰণে তেওঁলৈ আশৈ নেপাইছিল। শিক্ষকতাকে জীৱনৰ ব্ৰত স্বৰূপে লৈ কলেজৰ উন্নতিতে ব্ৰত হোৱা স্বৰ্গীয় বৰাই কলেজৰ পূৰ্ণ উন্নতি দেখিবলৈ নেপালে। কিন্তু কলেজৰ উন্নতিৰ পূৰ্ণৰূপ দিবলৈ তেৱেঁই অৰ্জ্জন কৰি থৈ যোৱা দহ হাজাৰ টকা তেওঁৰ সুযোগ্যা পত্নী শ্ৰীমতী অঞ্জলি বৰাই কলেজলৈ দান দি তেওঁৰ মৃত স্বামীৰ স্মৃতি সংৰক্ষণৰ যি দিহা কৰিছে সেই বদান্যতা শ্ৰীমতী বৰাৰ মৃত স্বামীৰে আশীৰ্বাদৰ বাহিৰে আন একোৱেই নহয়।

স্বৰ্গীয় বৰা কোনো জননেতা নহয়, বিখ্যাত দাৰ্শনিক, সাহিত্যিক বা সমাজ কৰ্মী নহয়, তথাপি এজন শিক্ষক হিচাবে মৃত্যুবেলা যি সন্মান পালে দেখি তবধ হ'ব লাগে। গাড়ীত মৃতদেহ লৈ প্ৰায় আধামাইল জোৱা শ্মশানলৈ কৰা মৌন শোভা-যাত্ৰাই তেওঁৰ প্ৰতি জনোৱা ৰাইজৰ শেষ শ্ৰদ্ধা। নগাঁও চহৰৰ নাগৰিকসকলে ই নগাঁৱত হোৱা দ্বিতীয় বৃহৎ শ্মশান যাত্ৰা বুলি অভিহিত কৰা শুনা গৈছিল।

স্বৰ্গীয় বৰা আমাৰ মাজত নাই, কিন্তু তেওঁৰ কৰ্ম আৰু আদৰ্শ আমাৰ মাজত সদায় থাকিব। তেওঁৰ বিদেহী আত্মাই চিৰশান্তি পাওঁক-এয়ে আমাৰ কামনা।





"ব্যাকৰণ অভিধান নাথাকিলে, ভাষা আৰু সাহিত্য হেদাণ্ডি মেলা গৰুৰ দৰে হ'ব আৰু সেই ভাষাৰ উপদ্ৰৱত কাৰো টাটী-চকোৱা এখনো নাথাকিব। সকলোতে এটা বিবেচনাৰে সৈতে, সংযম আৰু বিচাৰেৰে সৈতে বিধি-নিষেধৰ নিয়ম থকা ভাল, সাহিত্য আৰু ভাষাতো। ....... কিন্তু সেই বুলি সেই নিয়ম কট্‌কটীয়া ডাঙৰ শিকলি হোৱাটো অযুগুত, হলেই মৰণ। সাহিত্যত উচ্ছৃঙ্খলতা যেনেকৈ দোষৰ কথা, "মোক নুছুবি মোক নুছুবি" বাৰো তেনেকৈ দোষৰ কথা।"

লক্ষ্মীনাথ বেজবৰুৱা ( ১৯২৪ )

# ॥ কথক নৃত্য ॥

শ্ৰীময়ূৰী নয়না বৰা
প্ৰাক্‌বিশ্ববিদ্যালয়
দ্বিতীয় বাৰ্ষিক শ্ৰেণী ।

বৈদিক যুগত প্ৰতিজন ভাৰতীয়ই আছিল ধৰ্ম্মপৰায়ণ । প্ৰতি ভাৰতীয়ৰ কথা-বতৰা, চাল-চলন, বিলাস-বিনোদনৰ মাজেদি অনুকৰণ আছিল শাস্ত্ৰীয় কথাৰ আৰু দেৱ-দেৱতাৰ বেহ ৰূপ । সেই যুগতে শিল্পীৰাজ ভৰত মুনিয়ে সঙ্গীতৰ সৰ্ব্ব প্ৰথম গ্ৰন্থ "নাট্য-শাস্ত্ৰ" ৰচনা কৰিলে আৰু সেয়ে ঋষি মুনিৰ বা নানা দেৱ-দেৱতাসকলৰ ধৰ্ম্মকথাৰে ৰচিত নাটক, মহৰ্ষি ভৰত মুনিয়ে সৰ্ব্বপ্ৰথমে ৰংশালা বা, নাট্যশালাত স্থাপিত কৰি সঙ্গীত, নৃত্য আৰু নাট্য শাস্ত্ৰীয় পদ্ধতি ভাৰতক দি গ'ল । সেই বৈদিক যুগৰে পৰা নাট্যৰ বহুতো প্ৰচলন হৈয়েই আছে । এই নাট্যৰ লগত যদি গীত, বাদ্য আৰু নৃত্য আদি থাকে তেন্তে সেই নাট্য বৰ আমোদজনক হৈ পৰে । কোনো কথাৰ বাক্যটোৰ অৰ্থ নিজা ভঙ্গিমাৰ যোগেদি ৰস উৎপন্ন কৰি প্ৰকাশ কৰা কাৰ্য্যক অভিনয় বুলি কোৱা হয় । সাধাৰণতে মানুহে দৈনন্দিন জীৱন যাপনত যিবোৰ কৰি থাকে বা যিবিলাক ঘটনা সচৰাচৰ ঘটি থাকে সেই সকলোবোৰেই মানুহৰ মনৰ সুখ, দুখ, ক্ৰোধ, স্নেহ আদি ভাববোৰৰ প্ৰকাশ ভঙ্গিমাবোৰো আমাৰ নাট্যৰ ৰূপ ।

নৃত্য অৰ্থে নাট্য আৰু নৃত্যৰ এটি যুটীয়া সমন্বয় । অভিনয়বিহীন তাল, লয়, ছন্দ, গীতৰ লগত পদ চালনা বা অঙ্গ-চালনা কৰিলে আমোদজনক নহলেও শাস্ত্ৰীয় পদ্ধতিয়ে এনে কাৰ্য্যক "নৃত্ত" বুলি নামকৰণ কৰিছে । নৃত্যৰ প্ৰধান আৱৰ্তণি নৃত্তৰ যোগেদি । নৃত্ত, নৃত্যৰ প্ৰা[ণ] স্বৰূপ । এনে নৃত্ত যেতিয়া নাট্যৰ যুটীয়া সমন্বয়তাৰে প্ৰকাশ কৰা হয় তেতিয়া সেয়েই হৈ পৰে নৃত্য ।

"কথক নৃত্য" কেতিয়া কেনেকৈ জন্ম ললে সেই বিষয়ে সঠিককৈ জনা নাযায় । কিন্তু "কথক" শব্দটো ভৰত মুনিৰ "নাট্যশাস্ত্ৰ"ত উল্লেখিত । ব্ৰহ্মপুৰাণতো "কথক" শব্দটো অভিনেতা গায়ক নৰ্ত্তকীৰ কাৰণে ব্যৱহৃত । তাৰউপৰি ভাৰতীয় সংস্কৃতিৰ পুনৰোদ্ধাৰৰ বাবে মহেঞ্জোদাৰো আৰু হৰপ্পাৰ মাটি খান্দোতে যিবোৰ শ্ৰীমূৰ্ত্তি পোৱা হৈছিল সেইবোৰ নৃত্যভঙ্গিমাবোৰ যেন কথক নৃত্য শিল্পীৰ ভঙ্গিমা এনেহেন লাগে ।

প্ৰাচীন কালত দেৱমন্দিৰত কথাবাচকে ধৰ্ম্ম-কথা কৈছিল । কথাবাচকে ধৰ্ম্মকথা কোৱাৰ পাছত কীৰ্ত্তন কৰা হৈছিল আৰু কীৰ্ত্তনৰ লগে লগে নট-বোৰে নৃত্য কৰিছিল । এনে পদ্ধতি কথাবাচক-জনক বাদ দি নটবোৰে নিজা নিজা বিবেক বুদ্ধিৰ পৰিচয় দিয়াৰ উপায়েৰে ধৰ্ম্মকথা কোৱাৰ উপৰিও ৰসপূৰ্ণ কবিতা, গল্প আদি কৈ কৈ ৰজা বা দৰ্শকক আমোদ-প্ৰমোদ দিয়াৰ এটা আহিলা কৰি ললে আৰু এইটো নটবোৰৰ ধন, টকা, পইচা উপাৰ্জনৰ একমাত্ৰ উদ্দেশ্য । পাছত সঙ্গীতজ্ঞসকলে শ্ৰীকৃষ্ণৰ ৰাস-লীলাক বিষয় বস্তু হিচাবে লৈ "কথক নৃত্য" এক স্বকীয়া ভাৱে প্ৰদৰ্শন কৰাৰ প্ৰচেষ্টা ললে ।

ভাৰতবৰ্ষত মোগল যুগ স্থাপিত হোৱাৰ লগে লগেও নৃত্যই এক স্বকীয়া ৰূপ ললে । নতুন নতুন ভঙ্গিমাৰে নৃত্য, জুনুকাৰ মধুৰ ধ্বনি । কিন্তু এই যুগত নৃত্যত নৰ্ত্তকীৰ ভাবনা-বেদনা কোনো অৰ্থপূৰ্ণ নহৈছিল । হাতত মদৰ পিয়লা লৈ নানা তৰহৰে হাতৰ খেলা দেখুৱাই নৃত্য কৰিছিল । শাসনতন্ত্ৰৰ তাৰতম্যৰ অনুসৰি সেই সময়ত নৃত্য সঙ্গীতৰ চৰ্চ্চাত ব্যভিচাৰ হ'ল । ক্ৰমে গ'লে সঙ্গীত লুপ্তই হৈছিল । কিন্তু কেই-জনমান শিল্পীৰাজে এই সঙ্গীত চৰ্চ্চা ৰক্ষা কৰিলে প্ৰতিজন গুৰুৱে নিজা নিজা পদ্ধতিৰে নৃত্য ৰূপ দিলে । তেওঁলোকে শাস্ত্ৰ বাদ দি নিজে সঙ্গীত, নৃত্যৰ নিয়ম পদ্ধতি উলিয়ালে । "কথক নৃত্য" তেতিয়া বেলেগ ধৰণে গঢ় ললে ।

প্ৰাণহীন যিকোনো সৃষ্টি যিদৰে মানুহৰ মৰমৰ নহয় সেইদৰে তালহীন বিলাপ বিনোদন সঙ্গীত, নৃত্য, বাদ্য এজনৰ আদৰণীয় নহয় । "কথক নৃত্য" তাল প্ৰধান । ভৰিৰ জুনুকাৰে নৃত্য কৰি কৰি তালৰ জটিল ৰূপ প্ৰকাশ কৰাটোৱেই "কথক নৃত্য"ৰ বিশেষত্ব । এনে তালৰ জটিল ৰূপ সৃষ্টি অইন কোনো নৃত্যতেই নাই । তালৰ বিভিন্ন ছন্দৰে যিকোনো ভাৱৰ প্ৰকাশ ভঙ্গীৰ সৃষ্টি কৰি ভাৱৰ মূৰ্ত্তি পৰিবেশনতেই দৰ্শক মণ্ডলীক নৃত্যৰ অৰ্থ গঢ়ি ভাৱ অন্তৰত থাহ খুৱাই দিব পাৰি । যিদৰে এজন গায়িকাই বিভিন্ন সুৰৰ যোগেদি কল্পনাৰে সুৰ বিশ্লেষণ কৰি দৰ্শকক আনন্দ দিব পাৰে, সেইদৰে কথক নৃত্যৰ জুনুকাৰ তালৰ লয়লাসী ছন্দেৰে বিভিন্ন ভাৱ, কল্পনা দৰ্শকৰ মনত দৃঢ়ভাৱে থাহ খুৱাই দিব পাৰি । "কথক নৃত্য" নৃত্ত আৰু নাট্যৰ এক অপূৰ্ব্ব সমন্বয় । তবলাৰ লগত সমানে ফেৰ মিলাই নাচিব পৰা ইয়েই একমাত্ৰ নৃত্য— "কথক" । এই নৃত্য তবলাৰ লগতে বিভিন্ন লয়কাৰী বাদ্য যেনে— হাৰমণিয়ম, তানপুৰ, ভাইয়লিন ইত্যাদিবো আৱশ্যক । এইবিলাক বাদ্য সঙ্গীতেৰে সৈতে দৰ্শকৰ মন আকৰ্ষণ কৰা আৰু মনত আনন্দ দিব পৰা এক মধুৰ নৃত্য "কথক" । বৰ্ত্তমানে এই নৃত্যই "একক নৃত্য" হিচাবে স্বীকৃতি লাভ কৰিছে, সেইহে "কথক নৃত্য"ৰ প্ৰদৰ্শনৰ কাৰণে অশেষ সাধনাৰ দৰকাৰ ।

জ্যোতিপ্ৰসাদৰ

# ॥ নিমাতী কইনা ॥

অধ্যাপক ইদ্ৰিছ আলি

'নিমাতী কইনা' ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ এখনি অভিনৱ গীতি-নাটিকা। অসমীয়া ৰোমাণ্টিক কবিসকলৰ মনোনিবেশৰ ফলত 'তেজীমলা', 'পানেশৈ' আদি লোক সাধুৱে নতুন ৰূপ সৌন্দৰ্য পৰিগ্ৰহণ কৰিছিল। 'নিমাতী কইনা'ও এই ৰোমাণ্টিক অভিযোজনাৰে অন্য এক সুন্দৰ অভিলেখ।

ৰত্নপুৰৰ ৰজা সবিতাপ্ৰিয়ৰ একমাত্ৰ কন্যা 'কণ্ঠহীনা, ভাষাহীনা, নিস্পন্দন, নিৰ্বাক। নেহাঁহি নেমাতি নিমাতীয়ে যেন কোনো বা অনাগত ৰূপকোঁৱৰৰ ধ্যানত মগ্ন। সখী ৰত্নাৱলী, চিত্ৰাৱলী, মুক্তাৱলী, ৰূপাৱলী আৰু নিদ্ৰাৱলীৰ মৰম-সনা কাতৰ আৱেগ-অনুৰোধতো কন্যাৰ মুখত মইন যাত নুফুটে। ৰত্নপুৰৰ যত মহা মহা ওজা, বিদ্যাবিদ, সৌন্দৰ্য-সেৱী, কবি আৰু কাৰিকৰ শিল্পী, যাদুকৰ, চিত্ৰকৰ সকলো ব্যৰ্থতাৰ ভৰত নিমাত হ'ল। সকলো উপায় খটুৱাই পাত্ৰ-মন্ত্ৰীসৱো নিৰুপায়। নিমাতীৰ মাত ফুটাবলৈ আহিল কামৰূপৰ ওজা ৰেজদেউ. গন্ধৰ্ব দেশৰ গন্ধৰ্ব ওজা, আহিল নৃত্যকুশলা ৰূপৱতী বিলাসিনীৰ সতে। কিন্তু. ব্যৰ্থহৈ উলটি গল। নিমাতীৰ মাত ফুটুৱাৰ প্ৰচেষ্টা বৃথা হল। খেতিয়ক ছোৱালী, নানান দেশৰ সাত সাগৰৰ পাৰৰ শিপিনীসকল আহিল—আহি বিফল মনোৰথ হৈ উভতি গল। নিমাতীৰ জন্মান্তৰৰ অভিমানৰ আগত পৰাজয় স্বীকাৰ কৰিলেহি নানা দেশৰ ৰাজকোঁৱৰ সৱে। মাত ফুটাবলৈ আহি পাৰশ্যৰ বুঢ়াৰজা হ'ল মাথোন হাঁহিয়াতৰ পাত্ৰ। ৰূপবান, বীৰ্যমান, গুণী-জ্ঞানী সকলৰ পিছত আহিল বিদ্যাত দিকৃগজ পণ্ডিত-প্ৰৱৰ আচাৰ্য, আহিল বৈজ্ঞানিক। কিন্তু ব্যৰ্থ হল সকলোৰে দৃঢ় প্ৰতিজ্ঞা। শেষত আহিল অপাৰ্থিৱ, অলৌকিক, ৰহস্যময় স্বৰ্গ আৰু মৰতৰ, বেজাৰ আৰু আনন্দৰ, প্ৰণয় ঝংকাৰ আৰু অজাগতিক সুন্দৰৰ পূজাৰী, জ্যোতিদেশৰ শ্ৰীৰূপকোঁৱৰ ফটা কাপোৰ পিন্ধি ভিক্ষাৰীৰ বেশেৰে। শক্তিশালী কামাতুৰ ৰজাসৱৰ তাচ্ছিল্য-ভৰ্ৎসনাকো চূৰ্ণ কৰি শ্ৰীৰূপকোঁৱৰে সাৰ্থকতা লাভ কৰিলে। তেওঁৰ সাধনমন্ত্ৰৰ পৰশত তীৰ্থজল সদৃশ অশ্ৰুজলেৰে সিক্ত, বিকশিত কমলস্বৰূপ নিমাতীৰ মুখত মাত ফুটিল। উচ্চাৰিত হ'ল—

"'জয় ৰূপ মুগ্ধ জয় সুৰ মুগ্ধ ... ...।

এইটোৱেই 'নিমাতী কইনা' গীতি নাটিকাখনিৰ থূলমূল আখ্যানবস্তু।

'নমাতী কইনা' সাধুটিৰ মূলৰ সন্দেহ দি জ্যোতিপ্ৰসাদে নিজে 'প্ৰণেতাৰ কথা'ত লিখিছে—আমাৰ বুঢ়ীআইৰ সাধুৰ জোলোঙাৰ পৰা 'নিমাতী কইনা' নামৰ আমাৰ দেশৰ প্ৰচলিত সাধুৰ এইনাটক ৰূপত ৰূপান্তৰ। জ্যোতিপ্ৰসাদে বুঢ়ী আইৰ সাধু বোলোতে যে বেজবৰুৱাৰ বুঢ়ীআইৰ সাধুক নিৰ্দ্দেশ কৰা নাই সেই কথা 'আমাৰ দেশত প্ৰচলিত সাধুৰ এই নাটক ৰূপত ৰূপান্তৰ'-- এই সন্দেহৰ পৰাই স্পষ্টভাৱে বুজা যায়। তদুপৰি লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ত নিমাতী কইনাৰ সাধুটি অনুপস্থিত। গতিকে জ্যোতিপ্ৰসাদে বেজবৰুৱাৰ দৰেই পূৰ্ব প্ৰচলিত 'বুঢ়ী আইৰ সাধু' বঙলা ভাষাত ইতিমধ্যে প্ৰবচনৰ ৰূপ লোৱা 'ঠাকুমার ঝুলি' খণ্ডবাক্যটিৰ ৰূপেই এই লৌকিক বাক্যাংশটো ব্যৱহাৰ কৰিছে মাথোন। প্ৰসঙ্গত উল্লেখনীয় যে বেজবৰুৱাৰ 'ককাদেউতা আৰু নাতিল'ৰা'ত আৰু কবিতাপুথি 'কদমকলি'ত কবিতা আকাৰত নিমাতী কন্যা' সাধুটি সন্নিৱিষ্ট হৈছে, অৱশ্যে হীনদেঢ়িকৈহে। 'নাতি লৰা'ত নিমাতী কন্যাৰ সাধুটি অন্য এটা সাধুৰ লগত ওপৰঞ্চি ৰূপেহে সংযোজিত আৰু জ্যোতিপ্ৰসাদৰ নাটিকাৰ লগত ইয়াৰ সাদৃশ্যও যৎসামান্য। আনহাতে 'কদমকলিৰ' নিমাতী কন্যাৰ লগতহে জ্যোতিপ্ৰসাদৰ নাটিকাৰ সাধুৰ কিছু দূৰ সাদৃশ্য পৰিলক্ষিত হয় যদিও নাট্যকাৰৰ অভিনৱ উদ্ভাৱনাই সাধুটিত মণিকাঞ্চন সংযোগ সাধনৰ উপৰিও নাটিকাত ইয়াৰ সুক্ষ্মকলানুগ পৰিণতিয়ে সাধুটিৰ আকৰ্ষনীয়তা বৃদ্ধি কৰিছে। বেজবৰুৱাৰ সাধু দুটিৰ পোহৰত জ্যোতিপ্ৰসাদৰ নাটিকাৰ সাধুটি বিচাৰ কৰি চালে উপৰোক্ত কথাখিনি স্পষ্ট হৈ পৰে।

বেজবৰুৱাৰ 'ককাদেউতা আৰু নাতিল'ৰা'ত থকা 'নিমাতী কন্যা' সাধুটি চমুকৈ এনে ধৰণৰঃ এক সন্তানহীন ৰজাই সন্ন্যাসীয়ে দিয়া গছৰ গুটি ৰাণীক খুৱাই দুটা পুত্ৰ সন্তান লাভ কৰিলে। তাৰে প্ৰথমটি সন্তান সন্ন্যাসীক দিয়াৰ প্ৰতিশ্ৰুতি আছিল। কিন্তু পুত্ৰ হ'লত ৰজাই প্ৰতিশ্ৰুতিৰ কথা পাহৰি গ'ল। পিছে সন্ন্যাসীয়ে নিজে আহি পূৰ্বৰ প্ৰতিশ্ৰুতি সোঁৱৰাই দি ৰজাৰ প্ৰথম কোঁৱৰক লৈ গ'লহি। কোঁৱৰক সন্ন্যাসীয়ে আশ্ৰমলৈ নি বলি দিলে। বহুদিন কোনো বাৰ্ত্তা নাপাই সৰুকোঁৱৰে, বৰ কোঁৱৰে বাটত ছিঙি ছিঙি পেলাই থৈ যোৱা পাগুৰিৰ কাপোৰৰ টুকুৰাবোৰ অনুসৰণ কৰি গৈ সন্ন্যাসীৰ আশ্ৰম পালেগৈ। পিছত ৰাক্ষস বধ কৰি ৰাজকোঁৱৰৰ লগতে অভিশপ্ত আন সকলোকে অমৃত পান কৰাই পুনৰ্জীৱিত কৰিলে। এনেতে সন্ন্যাসী-ৰূপী ৰাক্ষসৰ ভনীয়েক আহি সৰুকোঁৱৰক এখন ধুনীয়া দেশলৈ লৈ গ'ল। সেই দেশৰ ৰজাৰ ৰূপৱতী কুঁৱৰীয়ে মুখেৰে নেমাতে; যিজনে তেওঁৰ মুখৰ মাত উলিয়াব পাৰিব তেওঁকেহে ৰজাই কুঁৱৰীক বিয়া দিব। সৰুকোঁৱৰে ৰাক্ষসীৰ সহযোগত কুঁৱৰীৰ মাত ফুটোৱাৰ পিছত ৰজাই কুঁৱৰীক সৰুকোঁৱৰৰ লগত বিয়া দিলে। আকৌ বেজবৰুৱাৰ 'কদমকলি ৰ 'নিমাতী কন্যা'ৰ গল্পাভাস হ'ল: ৰত্নপুৰৰ ৰজাৰ ৰাজকুঁৱৰী নিমাতী, মাত ফুটা নাই। ফুটিছে মাথোন হাঁহি। যৌৱনৱতী হোৱাৰ লগে লগে ৰজা-ৰাণীৰ চিন্তা উপস্থিত হ'ল—দৰা এজন ক'ত পায়? দেশ-বিদেশলৈ বাতৰি পঠালে যি-জনাই নিমাতীৰ মাত ফুটাব পাৰিব ৰজাই তেওঁকে কুঁৱৰীক বিয়া দিব। কন্যাৰ লোভত পৰি নানা বুধি কৰিও কুঁৱৰীৰ মাত ফুটাব নোৱাৰি ৰজাৰ কোঁৱৰ ভোমোৰাসৰ হাৰি গ'ল; পোতাশালত পৰিল। শেহত দিনে-ৰাতিয়ে বীণ বাই ফুৰা কমতাপুৰৰ এক আলসুৱা কোঁৱৰে কোৱাচিলাৰ মুখে শুনি বীণখনিকে সাৰথি কৰি কুঁৱৰীৰ মাত ফুটাবলৈ ৰত্নপুৰ পালেহি। কমতাপুৰৰ কোঁৱৰৰ বীণৰ সুৰত নিমাতী কুঁৱৰীৰ মাত ফুটিল। কোঁৱৰৰ ডিঙিত ওলমি মইনা মাত মাতিলে— 'প্ৰাণপ্ৰিয়!' তেতিয়া—

"ৰজা উঠি আহি দুইকো আকোঁৱালি<br>
শুঙিলে দুইৰো মূৰ<br>
কন্যা দান কৰি বীণ কোঁৱৰক<br>
ৰঙত মজিলে পুৰ।"

মন কৰিলে দেখা যায় বেজবৰুৱাৰ 'ককাদেউতা আৰু নাতিল'ৰা'ত থকা 'নিমাতী কন্যা' দীঘলীয়া সাধুটিৰ ৰূপ বিক্ষিপ্ত আৰু ৰাক্ষসৰূপী

সন্ন্যাসী নিধনৰ মূল সাধুটিৰ লগত ওপৰঞ্চি ভাবেহে সককোঁৱৰে নিমাতীৰ মাত ফুটোৱা সাধুটি সংযুক্ত। জ্যোতিপ্ৰসাদৰ নাটিকাৰ কাহিনীৰ লগত বেজবৰুৱাৰ এই সাধুটিৰ মিলতকৈ অমিলহে বেছি প্ৰকট ; কেৱল চকুত পৰা সাদৃশ্য ইমানেই যে শেষত কোঁৱৰৰ প্ৰযত্নতে নিমাতীৰ মাত ফুটিছে। কিন্তু 'কদমকলি' কবিতা পুথিত থকা 'নিমাতী-কন্যা' কবিতাৰ লগত জ্যোতিপ্ৰসাদৰ 'নিমাতী-কইনা'ৰ সম্বন্ধ ওচৰচপা। এই কথা ওপৰুক্ত কবিতাৰ কাহিনী ভাগৰ পৰা প্ৰতীত হ'ব। আনকি বেজবৰুৱাই দিয়া নিমাতী কন্যাৰ ৰূপ-সৌন্দৰ্য তথা কমনীয়তাৰ বৰ্ণনা জ্যোতিপ্ৰসাদৰ নাটিকাতো প্ৰায় একে সাঁচত চলাৰ দৰেই প্ৰকাশ পাইছে। বেজবৰুৱাই লিখিছে :

'ওপজাৰে পৰা কথা ফুটা নাই, ফুটিছে মাথোন হাঁহি,
পোহৰ সদায় বোহ-ঠেহ নাই, যেন কেতেকীৰে
পাহি।
বুধিৰ জেউতি জ্ঞানৰ দীপিতি দুচকু আবৰি আছে,
ভাবৰ অমিয়া ৰূপৰ লবণু চাবি ফালে বিৰিঙিছে।'

জ্যোতিপ্ৰসাদৰ নাটিকাৰ ৰত্নাৱলীৰ মুখত নিমাতীৰ ৰূপ-লাৱণ্যৰ প্ৰকাশ ঘটিছে এনেদৰে :

'সখীটি সুন্দৰ
তুমি জানো ৰূপ সুৰ মুগুধা
কল্পনা কমলজা
মাথো এটি
নিৰ্বাক প্ৰতিমা
স্বৰ, ভাষা, শব্দ কণ্ঠত
সযতনে ৰাখিছা লুকাই'

নাটিকাত এটি গীতত নিমাতীৰ ৰূপ চিত্ৰ এনেদৰে অংকন কৰা হৈছে

'আমাৰে নিমাতীজনী
নীলা সাগৰৰ হীৰামণি
অৰুণৰ হাঁহিৰে মুখনি বোলোৱা
আলসৰ প্ৰতিমাখনি।
হাঁহো হাঁহোকৈ
চকুৰ দুপাহিয়ে
ইহা নাই অন্তদিনে
মাতোঁ মাতোঁকৈ
ওঁঠ দুখনিয়ে
অমাতেৰে মন জিনে।'

বেজবৰুৱাৰ কবিতাৰ নিমাতী কন্যাক জ্যোতিপ্ৰসাদে সুন্দৰৰ ৰূপ কল্পনাৰ যাদু পৰশত আৰু কমনীয় আৰু মোহনীয় কৰি তুলিছে। জ্যোতিপ্ৰসাদৰ মানসত ধৰা দিয়া নিমাতী নিয়ৰ-সিক্ত শৰতৰ স্নিগ্ধ কোমল শেৱালি পাহি। তাই নেমাতিলেও জ্যোতিপ্ৰসাদৰ অসাধাৰণ প্ৰকাশ ক্ষমতাই বাঙ্ময় কৰি তুলিছে। হাঁহো হাঁহো চকুৰ দুপাহিয়ে, মাতোঁ মাতোঁকৈ ওঁঠ দুখনিয়ে সৰৱ নিমাতীতকৈও যেন বেছি কথা, বেছি ভাব অনুভূতি প্ৰকাশ কৰিছে। নিমাতীয়ে যেন মৌনভাবেই মনোজগতৰ প্ৰেম-ভালপোৱা, মান অভিমানৰ বিচিত্ৰৰূপ প্ৰকাশ কৰিছে। বেজবৰুৱাৰ সাধুটি আৰু কবিতাটিত মাত ফুটুৱাৰ পিছতে ৰজাই কুঁৱৰীৰ লগত বিয়া দিছে। কিন্তু জ্যোতিপ্ৰসাদে নিমাতীয়ে হাঁহিত উৎফুল্লিত হৈ 'জয় ৰূপমুগ্ধ, জয় সুৰ মুগ্ধ' প্ৰশস্তিসূচক গীতটি গোৱাৰ লগে লগেই নাটিকাৰ সমাপ্তি ঘটাইছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুটি বা কবিতাটি দায়িত্বশীল লোকসাধু সংগ্ৰাহকৰ যথা শ্ৰুত তথা লিখিত পৰ্যায়ৰ। সি দুটাত বেজবৰুৱাৰ সাৱলীল কথন-ভঙ্গিত বাহিৰে অন্য বৈশিষ্ট্য ধৰা নপৰে। জ্যোতিপ্ৰসাদে কিন্তু প্ৰচলিত লোকসাধুটিক স্বীয় প্ৰতিভা আৰু অনন্যসাধাৰণ কল্পনাৰ যাদুকাঠিৰ পৰশেৰে নাটকৰূপত গতানুগতিক সৰলতাৰ পৰা আঁতৰাই আনি অৰ্বাচীন অৰ্থবহ সুকীয়া কলা-সৃষ্টিত পৰিণত কৰিছে। বিশেষকৈ বিবাহৰ মাজেৰে সুখাত্মক পৰিণতি ঘটোৱা লৌকিক গতানুগতিকাৰ বিপৰীতে এক অনাবিল আনন্দময় পৰিবেশৰ সৃষ্টিতহে জ্যোতিপ্ৰসাদ এক প্ৰকাৰ ক্ষান্ত হৈছে। তাতোকৈ মন কৰিবলগীয়া বিষয় হ'ল 'নিমাতী কইনা'ত সাধুকথাৰ প্ৰচলিত আহ্লাদ-দায়ক ধৰ্মৰ লগত ৰজিতা খুৱাই এক ৰূপাত্মকতা আৰোপন। 'নিমাতী'ৰ 'কলালক্ষ্মী' আৰু ৰূপকোঁৱৰক চিৰসুন্দৰৰ মহাসিদ্ধ সাধকৰূপে উপস্থাপনৰ মাজেৰে এক চিৰন্তন সত্য উদ্ভাসিত কৰাৰ লগতে জ্যোতিপ্ৰসাদে স্বাশ্বত: কলাৰ গভীৰ মূল্যায়ণৰ প্ৰয়োজন সুস্পষ্ট ভাবে প্ৰতিষ্ঠা কৰিছে। বেজবৰুৱাৰ কবিতাৰ কমতাপুৰ জ্যোতি নাটিকাত 'জ্যোতিদেশ' হৈ অন্য এক ৰূপকৰ ৰূপ লৈছে। 'কামৰূপ'ৰ পৰা নিমাতীৰ মাত উলিওৱাৰ উদ্দেশ্যে যোৱা ওজাজনক জ্যোতিপ্ৰসাদে ব্যৰ্থ-বিমুখ কৰি উভোতাই পঠিওৱাটোও অতি অৰ্থ-ব্যঞ্জক।

জ্যোতিপ্ৰসাদে নিজেই নাটিকাখনিৰ তাৎপৰ্য্যৰ সূত্ৰত লিখিছে— 'নিমাতীক ইয়াত বোধন কৰিবলৈ থকা 'কলালক্ষ্মী' স্বৰূপে দিয়া হৈছে। ৰূপকোঁৱৰ হৈছে চিৰসুন্দৰৰ প্ৰধান মহাসিদ্ধ সাধক। কলালক্ষ্মীয়ে এই সাধকৰ আমন্ত্ৰণ আৰু বোধন মন্ত্ৰতহে উদ্বোধিত হৈ জগতত হাঁহে। কলালক্ষ্মীৰ হাঁহিয়েই হৈছে আনন্দ আৰু তেওঁৰ উন্মেষণেই হৈছে বিশ্বশান্তি। মানৱ জাতিৰ সকলো কলা সাধনাই পৃথিবীত আনন্দ আৰু শান্তি প্ৰতিষ্ঠাৰ কাৰণে। মানুহৰ সভ্যতাৰ অধিষ্ঠাত্ৰী হৈছে কলালক্ষ্মী। পৃথিবীত আজি সকলোৱেই নানা কলাসাধনাৰে এই কলালক্ষ্মীৰ হাঁহি আৰু গান উলিয়াব পৰা নাই। কিন্তু জগতত ভুৱা পণ্ডিত, শক্তিশালী ক্ষমতান্ধ স্বাৰ্থান্ধ ভণ্ড বিলাসীবিলাকে সাধক গুণীৰ সাধনাৰ ফল ডকা দি চুৰকৈ খাবলৈ বিচাৰে আৰু তাৰ বাবেই সিহঁতৰ নিজৰ ভিতৰতে কন্দল খৰিয়াল পাতি পৃথিবীত অশান্তিৰ সৃষ্টি কৰে। পৃথিবীৰ শক্তিৰ বাঘজৰী থাকিব লাগে কবি দাৰ্শনিকৰ হাতত। যিদিনাই এই Artist-Philosopher ৰূপকোঁৱৰৰ হাতত শাসন ক্ষমতাৰ বাঘজৰী উঠিবগৈ সেইদিনাৰ পৰাহে পৃথিবীয়ে প্ৰকৃত শান্তিৰ মুখ দেখিবগৈ— তাৰ আগতে কেতিয়াও নহয়। চিৰসুন্দৰৰ একান্ত সেৱক ৰূপকোঁৱৰসকলৰ হাতত পৃথিবীৰ ভাৰ পৰিলেহে তেওঁলোকে এই পৃথিবীত সুন্দৰৰ ৰাজ্য স্থাপন কৰিবলৈ তৎপৰ হৈ পৃথিবীৰ সকলো মানুহৰ জীৱনকে মহামহত্বৰ বাটেৰে নি মহামানৱলৈ ৰূপান্তৰ কৰিব পাৰিব। স্বাৰ্থসেৱী, ক্ষমতাসেৱী ৰাজনৈতিক পৃথিবীলৈ শান্তি আনিব নোৱাৰে, পৃথিৱীত ব্যক্তিগত, শ্ৰেণীগত আৰু আন্তৰ্জাতিক কন্দল কেতিয়াও অন্ত কৰিব নোৱাৰো।

জ্যোতিপ্ৰসাদৰ ব্যাখ্যাৰ পিছত 'নিমাতী কইনা'ৰ ৰূপাত্মকতা অথবা তাৎপৰ্যৰ সন্দৰ্ভত আৰু অধিক কোৱাৰ অৱকাশ নাথাকে। সাম্প্ৰতিক কালত শান্তি অব্যাহত ৰখাৰ ক্ষেত্ৰত পৰিলক্ষিত সমাধানহীন সমস্যাটোৱেই উত্থাপন আৰু সমাধানৰ এক পথ নিৰ্দ্দেশন জ্যোতিপ্ৰসাদে নাটিকাৰ মাজেৰে দি গৈছে। তেওঁৰ বিপ্লৱী চিন্তাধাৰাৰে অভিব্যক্তি এই নাটিকাৰ মাজেৰে দি গৈছে। তেওঁৰ সংস্কাৰ আৰু সংস্থাপন জ্যোতিপ্ৰসাদৰ জীৱনৰ মূল আদৰ্শ যেন লাগে। 'নিমাতী কইনা'ত এই আদৰ্শৰ স্পষ্ট প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। সেই ফালৰ পৰাও নাটিকাখনিৰ গুৰুত্ব মনত ৰাখিবলগীয়া।

জ্যোতিপ্ৰসাদে পীতাম্বৰ কবিৰ উষা পৰিণয় আৰু দশমৰ কুমৰহৰণৰ মণিকাঞ্চন সংযোগ ঘটাই 'শোণিতকুঁৱৰীক অদ্বিতীয় ৰূপত দাঙি ধৰিছে, মোগল দৰবাৰৰ চেলিম-আনাৰকলিৰ কাহিনীক 'কাৰেঙৰ লিগিৰী'ত জাতে-পাতে অসমৰ ৰজাঘৰীয়া পৰিবেশত অমৰ কৰি ৰাখিছে ;

ভয়াৰ কাহিনীৰে ‘ৰূপালীম’ক যিদৰে অসমীয়া উৎকৃষ্ট নাট্য সৃষ্টি কৰি তুলিছে। লভিতাৰ বাহিৰে প্ৰতিখন নাটকতে জ্যোতিপ্ৰসাদৰ নতুন পাত্ৰত পুৰণি ফটিকা বিতৰণৰ অপূৰ্ব দক্ষতা আৰু কলাসুলভ সৃষ্টিধৰ্মিতাৰ চৰম প্ৰকাশ পৰিলক্ষিত হয়। প্ৰতিটো পুৰণি কথাবস্তুতে অৰ্বাচীন তথা সমসাময়িক চিন্তাৰ উদ্ৰেক ঘটোৱাত জ্যোতিপ্ৰসাদ যেন অতুলনীয় ক্ষমতাসম্পন্ন অপ্ৰতিদ্বন্দ্বী শিল্পী তথা স্ৰষ্টা। ‘নিমাতী কইনা’কো জ্যোতিপ্ৰসাদে সামান্য লোকসাধুৰ ওপৰত ভেজা দিয়েই এক অপূৰ্ব শিল্প সৃষ্টিৰূপে শ্ৰেষ্ঠভাৱ আসনত বহুৱাইছে। ‘নিমাতী কইনা’ক কলালক্ষ্মী, ৰূপকোঁৱৰক মহাসিদ্ধ সাধক তথা জ্যোতিদেশক প্ৰকৃত শান্তিদূতৰ লীলাভূমিৰূপে প্ৰতীকী কল্পনাই যেন এক গভীৰ ব্যঞ্জনা প্ৰদান কৰিছে। নাটিকাখনৰ প্ৰতিটো চৰিত্ৰই জ্যোতিপ্ৰসাদৰ মানস সন্তান মাথোন। চৰিত্ৰাৱলীৰ নামকৰণো ইঙ্গিতধৰ্মী। যেনে নিমাতীৰ সখীয়েক-সকলৰ নামবোৰ (ৰত্নাৱলী, চিত্ৰাৱলী, মুক্তাৱলী আদি) জ্যোতিদেশৰ সোণ বৰণীয়া লিগিৰী, খেতিয়ক ছোৱালী, শিপিনী ছোৱালী আদিৰ চৰিত্ৰাৱলী জীৱন্তই নহয়, জ্যোতিপ্ৰসাদৰ সৃষ্টিশীলতাৰো সুন্দৰ স্বাক্ষৰ। নানান দেশৰ ৰাজকোঁৱৰ-সকলৰ মাজত দ্ৰাবিড়কুমাৰৰ চৰিত্ৰৰ সন্নিবেশ কৰি জ্যোতিপ্ৰসাদে লোকসাধুটিৰ প্ৰশান্ত পৰিসৰৰ ইঙ্গিত সূচাইছে। বুঢ়া ৰজাৰ চৰিত্ৰটো যেন জ্যোতিপ্ৰসাদৰ ভীৰ্যক মনটোৰ পৰিচায়ক। বৈজ্ঞানিক সত্য অথবা ফোপোলা পাণ্ডিত্যৰ প্ৰতি ব্যঙ্গ ফুটি উঠিছে বিজ্ঞানী আৰু আচাৰ্য চৰিত্ৰ দুটাৰ মাজেৰে। প্ৰথমে ৰূপকোঁৱৰৰ ছদ্মবেশত উপস্থাপন কৰি কাহিনীৰ উৎসুক্য বৰ্দ্ধনৰ উপৰিও প্ৰকৃত সাধক বা স্ৰষ্টা যে সততকাই দৃষ্টিগোচৰ নহয় তাৰেই ইঙ্গিত দিছে। নিমাতীকুঁৱৰী আৰু ৰূপকোঁৱৰৰ স্থূল মিলনৰ (বিবাহ) পৰিবৰ্ত্তে বিমল আনন্দময়তা আৰু প্ৰশান্তিৰ পৰিবেশৰ মাজেৰে দুয়োৰে মিলনৰ আভাস মাত্ৰ দি প্ৰতীকী সমাপ্তিত নাটিকাৰ সৌন্দৰ্য দুগুণে প্ৰতীত হৈছে। ৰূপকোঁৱৰৰ বোধন মন্ত্ৰ নিহিত বীণৰ অমিয়া-সুৰৰ মূৰ্ছনাত নিমাতীৰ মাত ফুটিল— প্ৰকৃত সাধনাৰ বলতহে কলালক্ষ্মী জীৱন্ত, সৰৱ, সুৰময় হৈ উঠিল। এয়ে জ্যোতিপ্ৰসাদৰো জ্যোতি-বাণী।

# ॥ পণ্ডিতপ্ৰবৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ॥

শ্ৰীউৎপলা অধিকাৰী
স্নাতক, দ্বিতীয় বাৰ্ষিক

জীৱদ্দশাতে যিজন ব্যক্তি হৈ পৰিছিল এগৰাকী ৰূপকথাৰ নায়ক স্বৰূপ, আদৰ্শ যাৰ জ্ঞান সাধনা, চৰিত্ৰ যাৰ সুনিৰ্মল, ব্যক্তিত্বত যিজন সুগভীৰ, প্ৰচাৰ বিমুখতা যিজনৰ জীৱনৰে বৈশিষ্ট্য, মতত যিজন সুদৃঢ়, জ্ঞানলিপ্সা যাৰ অপূৰণীয় আৰু অতুলনীয়, যিজন পণ্ডিতৰ সমালোচনা স্পষ্ট, বিচাৰ পদ্ধতি যুক্তিসংগত, অনুসন্ধিৎসা যিজনৰ জীৱনৰ ব্ৰত, অধ্যয়ন যাৰ মনৰ খোৰাক, পাৰ্থিৱ খ্যাতিৰ প্ৰতি যিজন অনাসক্ত; সেইজন অসাধাৰণ গৱেষকেই হৈছে অসম গৌৰৱ জ্ঞানতপস্বী কৃষ্ণকান্ত সন্দিকৈ।

পৃথিৱীত কিতাপ পঢ়ি ভালপোৱা আৰু জ্ঞান আহৰণ কৰা লোক বহুতো। কিন্তু কৃষ্ণকান্ত সন্দিকৈৰ নিচিনাকৈ আজীৱন অধ্যয়ন কৰি বহিৰ্জগতৰ কোনো প্ৰকাৰ মান-সন্মান, যশস্যা, পদৱী আদিৰ প্ৰতি উদাসীন হৈ ঋষি-মুনিয়ে তপস্যা কৰাদি জ্ঞান আহৰণ কৰা ব্যক্তি পৃথিৱীত মুষ্টিমেয় দুই-চাৰিজনহে পোৱা যায়। তেওঁ এজন অসম তথা ভাৰতবৰ্ষৰ চিৰজ্যোতিষ্মান পণ্ডিত। সৰ্ব্বসাধাৰণ পণ্ডিতৰ লগত এইজন পণ্ডিতৰ লেশ-মানো মিল নাই। যি কোনো মানুহ তেখেতৰ ওচৰলৈ আহিবও নোৱাৰিছিল, আৰু তেখেতে যাৰে তাৰে সংস্পৰ্শলৈ অহাৰ চেষ্টাও নকৰিছিল। সামাজিক জীৱনক তেওঁ আওকাণ কৰি ফুৰিছিল, অধ্যয়নেই আছিল তেওঁৰ জীৱনৰ মন্ত্ৰ।

১৮৯২ চনৰ জুলাই মাহৰ ২০ তাৰিখ বুধবাৰে দ্বিতীয়া শুক্লপক্ষত যোৰহাটত কৃষ্ণকান্ত সন্দিকৈৰ জন্ম হয়। ৰায় বাহাদুৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ আছিল কৃষ্ণকান্ত সন্দিকৈৰ দেউতাক। মাকৰ নাম আছিল নাৰায়ণী সন্দিকৈ। কৃষ্ণকান্ত সন্দিকৈদেৱে সৰু কালছোৱা নিৰিবিলি ভাবে কটাই দিছিল। কথা-বতৰাও খুব কমকৈ কৈছিল। সৰু কালছোৱাত এখেতে জোতাও নিপিন্ধিছিল। ঘৰত পিন্ধিলেও বাহিৰলৈ শুদা ভৰিৰেই ফুৰা-চকা কৰিবলৈ গৈছিল। সাজ-পাৰত লেখমাত্ৰও ফিটাহি নাছিল। সহজ সৰল কৃষ্ণকান্ত সন্দিকৈদেৱ সম্পূৰ্ণ চাহাবী আদব-কায়দাৰে পৰিপুষ্ট ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈৰ সম্পূৰ্ণ ব্যতিক্ৰম আছিল। অকলশৰীয়াকৈ বহু ঠাই খোজকাঢ়ি ফুৰাটোও তেখেতৰ সৰুকালৰ এটা অভ্যাস আছিল। সদায় লগত লৈ ফুৰোৱা লাখুটিডালেই তেখেতৰ সঙ্গী আছিল।

১৯১৩ চনত তেখেতে কটন কলেজত নাম ভৰ্ত্তি কৰে। ইয়াৰ পাছত কলিকতাৰ সংস্কৃত কলেজত বি, এ, পঢ়িবলৈ যায় আৰু এই সংস্কৃত কলেজৰ পৰাই ১৯১৭ চনত প্ৰথম শ্ৰেণীৰ সন্মান-সহ বি, এ, পাছ কৰে। ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতৰ বৈদিক শাখাত প্ৰথম শ্ৰেণী লাভ কৰি এম, এ, পাছ কৰে। বি, এ, পঢ়ি থকা কালছোৱাতে তেখেতক “প্ৰসন্নকুমাৰ সৰ্বাধিকাৰী” সোণৰ পদক আৰু বৃত্তি প্ৰদান

কৰে। সংস্কৃতৰ বৈদিক গ্ৰুপ বিষয়টিৰ ছাত্ৰ কেৱল কৃষ্ণকান্ত সন্দিকৈদেৱে আছিল। মহামহোপাধ্যায় সীতাৰাম শাস্ত্ৰীৰ অধীনত দুবছৰ কাল বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল।

কথাছবিৰ প্ৰতি সন্দিকৈৰ আসক্তি একেবাৰেই নাছিল। শিক্ষা গ্ৰহণৰ কালছোৱাত মাত্ৰ কলিকতাত শ্বেক্সপীয়েৰৰ 'মেকবেথ" আৰু পেৰিচত ফৰাচী কথাছবি "কনিগস্কমাৰ্ক" চাইছিল। অৱশ্যে আৰ্ট থিয়েটাৰৰ প্ৰতি তেখেতৰ দুৰ্ব্বলতা অধিক আছিল। বহুকেইখন থিয়েটাৰৰ ভিতৰত ফ্ৰান্সত থকা অৱস্থাত মস্কো আৰ্ট থিয়েটাৰৰ দ্বাৰা অভিনীত "চেৰ্থৰৰ" Cherry Orchard নামৰ নাটখনে তেখেতৰ জীৱনত গভীৰ সাচঁ পেলাইছিল। আৰু তেতিয়া ১৯২৬ চনত "ৰুচ অভিনয়" নামৰ মূল্যবান প্ৰবন্ধটো "বাঁহী" নামৰ কাকতত প্ৰকাশিত হয়।

সময়ৰ মূল্যবোধ কৃষ্ণকান্ত সন্দিকৈয়ে বুজি পাইছিল। একমিনিট সময়ো তেখেতে অবাৰত খৰচ নকৰিছিল। কালিলৈ কি কৰিব সেইটো তেখেতে আজিয়েই ঠিক কৰি থৈছিল। তেখেতে সদায় ব্যৱহাৰ কৰা ঘড়ীটোও এঘণ্টাৰ পৰা দুঘণ্টালৈ আগবঢ়াই থৈছিল।

এবাৰ অসম চৰকাৰৰ কোনোবা এজন মন্ত্ৰী সন্দিকৈৰ বাসভৱনলৈ দেখা কৰিবলৈ যাব বুলি জনোৱাত তেতিয়া তেওঁৰ সময় নাই বুলি কৈ পঠিয়ালে। সন্দিকৈ তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। মন্ত্ৰীগৰাকীয়ে হেনো পিচত আক্ষেপ কৰি কৈছিল "সন্দিকৈ ডাঙৰীয়াৰ নিচিনা এগৰাকী সময় জ্ঞান থকা ব্যক্তিক এনেদৰে দেখা কৰিবলৈ বিচৰাটো তেওঁৰেই ভুল হৈছে।"

এম, এ, শ্ৰেণীত পঢ়ি থাকোতে কলিকতাত ১৯১৮ চনত সন্দিকৈদেৱে মডাৰ্ণ ৰিভিউ কাকতত "The world Swary in the Rigveda" নামৰ ইংৰাজী প্ৰবন্ধটো লিখে। যিসময়ত মডাৰ্ণ ৰিভিউত প্ৰবন্ধ প্ৰকাশ পোৱাটো দুৰূহ আছিল। ইয়াৰ কিছুদিনৰ পাছতেই "Women poets of the Rigveda" নামৰ আন এটা বিখ্যাত প্ৰবন্ধ "Indian Antiguary" নামৰ কাকতত ১৯২০ চনত প্ৰকাশ হয়।

বিভিন্ন ভাষা-সংস্কৃতিৰ বিষয়ে জানিবলৈ সৰুৰে পৰাই তেখেতে প্ৰবল ইচ্ছুক আছিল। আই, এ, পঢ়ি থকা অৱস্থাত তেতিয়াৰ বাঁহীত প্ৰকাশিত হোৱা মূল্যবান প্ৰবন্ধকেইটাই তাৰ প্ৰমাণ কৰে। এই সময়ছোৱাত জাপানৰ বীৰ নোগী, মোগল ৰাজকন্যাৰ কবি প্ৰতিভা, আত্মবিচাৰ (চিন্তাশীল প্ৰবন্ধ) আৰু অমৰ প্ৰকাশ নামৰ কেইবাটাও দীঘলীয়া প্ৰবন্ধ লিখে। কলেজীয়া ছাত্ৰাৱস্থাতে তেখেতৰ পাণ্ডিত্যৰ চিন এই প্ৰবন্ধবোৰত পৰিস্ফুট হৈ উঠিছিল। বি, এ, পঢ়ি থকা অৱস্থাতে "সাংখ্যদৰ্শন" "ভাৰতীয় চিন্তা" "প্ৰাচীন বেবিলনৰ বেদ" এই তিনিটা মূল্যৱান প্ৰবন্ধ লিখে।

১৯২০ তেখেত লণ্ডনলৈ যায়। সংস্কৃতত ডক্টৰেট ডিগ্ৰী লোৱাটোৱেই তেখেতৰ প্ৰবল ইচ্ছা আছিল। কিন্তু সংস্কৃতৰ পাঠ্য পুথিৰ অভাৱৰ বাবে মন বদলাবলগা হয়। প্ৰথম আঠমাহকাল "বৃটিছ মিউজিয়ামত" অধ্যয়ন কৰে আৰু "অনুবাদৰ কথা" নামৰ বিখ্যাত প্ৰবন্ধটো লিখে। ১৯২১ চনত "চেতনাত" অসমবাসীয়ে পঢ়িবলৈ পায়।

১৯২৩ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা "মডাৰ্ণ হিষ্টৰীত" সন্মানসহ ডিগ্ৰী পাছ কৰে। সেই সময়ত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা অনাৰ্চসহ ডিগ্ৰী ললেই এম, এ, উপাধি লিখিব পাৰিছিল।

অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ Reader in Economic History ৰ অধ্যাপক ই, লিপচনে সন্দিকৈৰ বিষয়ে এইদৰে মন্তব্য কৰিছে :





"From what I saw of Mr. K, K, Handiques work for the History schools I formed the impression that he was a very through and sound worker. His essays were based on extensive reading and should solid knowledge in point of learning"

অক্সফোৰ্ড'ৰ পৰা আহি তেখেতে তিনিবছৰ কাল ফ্ৰান্স আৰু জাৰ্মানীত কটায়। পেৰিচ বিশ্ববিদ্যালয়ত সংলগ্ন ভাষা শিক্ষালয়ৰ বিশিষ্ট অধ্যাপিকা "Madame Welzoff" ৰ অধীনত ৰাচিয়ান ভাষা আৰু "Signon Mazzi" নামৰ অধ্যাপক গৰাকীৰ অধীনত ইটালিয়ান ভাষা পঢ়িছিল।

কেৱল ফৰাচী সাহিত্যৰ ৰাখ্যান শুনাৰ উদ্দেশ্যেৰেই তেখেতে পেৰিচ বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে। চুইজাৰলেণ্ডৰ পৰা ডক্টৰেট উপাধি পোৱা দুগৰাকী জাৰ্মানলোকৰ জৰিয়তেই জাৰ্মান সাহিত্য অধ্যয়ন কৰে। এই কালছোৱাত তেখেতে জাৰ্মানী ভাষাৰ জৰিয়তেই শিক্ষা গ্ৰহণ কৰে।

ভাষা শিকাৰ ক্ষেত্ৰত শ্ৰীসন্দিকৈদেৱে এনেধৰণৰ মন্তব্য দিছে। "ভাষা শিকাৰ উৎকৃষ্ট প্ৰণালী এয়ে যে, যাৰ যি মাতৃভাষা তেওঁৰ ওচৰত সেই ভাষাৰ যোগেদি শিক্ষা গ্ৰহণ কৰিব লাগে।"

ইউৰোপত অতিবাহিত কৰা এই কালছোৱাৰ ভিতৰত তেখেতে লিখা প্ৰবন্ধসমূহ হ'ল ইউৰোপৰ ভাষা সাহিত্য (১৯২৬), গ্ৰীক ভাষা (১৯২৬) জাৰ্মানীৰ জ্ঞান সাধনা (১৯২৭), আৰু ৰুচ অভিনয় (১৯২৬)। ভাষা সাহিত্যৰ অধ্যয়নৰ বাবে তেখেত বাৰ্লিনলৈয়ো যায়।

১৯২৭ চনত সন্দিকৈ ইউৰোপৰ পৰা ঘূৰি আহে আৰু তিৰোৱাল চাহ বাগিছাখনৰ পৰিচালনা কৰে। ৺তুলসী নাৰায়ণ শৰ্মা আৰু শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা ডাঙৰীয়াৰ অনুৰোধ ক্ৰমে ১৯৩০ চনৰ ১০ অক্টোবৰত প্ৰতিষ্ঠা হোৱা জগন্নাথ বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ ভাৰ গ্ৰহণ কৰে আৰু ১৯৪৭ চনলৈ এই সুদীৰ্ঘ ১৭ বছৰ কাল অধ্যক্ষৰ গুৰুভাৰ বহন কৰিছিল। এই কালছোৱাত তেখেতে গ্ৰীক নাটকৰ গান, স্পেনিচ সাহিত্যৰ ৰোমিঅ' জুলিয়েট, জাৰ্মান সাহিত্যৰ সপোন নাটক, German Acadamic indeals নামৰ কেইটিমান প্ৰবন্ধ লিপিবদ্ধ কৰি থৈ যায়।

ইয়াৰ উপৰিও তেখেতে An Indian prince in Greek prose romance (1938), The Nishadha charita and Rajput painting (1936) নামৰ দুটা মূল্যৱান প্ৰবন্ধ লিখে।

ইয়াৰ পাছতেই ১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈ অসমৰ প্ৰথম বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য্যৰ দায়িত্ব বহন কৰে। অধ্যয়নতে ব্যস্ত থকা এই গৰাকী মনীষীৰ অধ্যয়নৰত অৱস্থাত যাতে কোনো গণ্ডগোলৰ সৃষ্টি নহয় তাৰ বাবে উপাচাৰ্য্য ভৱনত ফোনৰ ব্যৱস্থাও নাৰাখিছিল।

সন্দিকৈদেৱে নিজ প্ৰতিভাৰে তিনিখনকৈ মহৎ গ্ৰন্থৰ টীকা-টিপ্পনীসহ সমালোচনা কৰি থৈ যায়। তেখেতৰ মূলগ্ৰন্থ তিনিখন। ১৯২৭ চনৰ পৰা ১৯৩৪ চনলৈ এই ছয়বছৰৰ ভিতৰত শ্ৰীহৰ্ষৰ সংস্কৃত মহাকাৱ্য "নৈষধ চৰিত"ৰ ওপৰত গবেষণা চলায় আৰু টীকা-টিপ্পনীসহ অনুবাদ ও ব্যাখ্যা সমাপ্ত কৰে। প্ৰাচীন সংস্কৃত মহাকাব্যসমূহৰ ভিতৰত "নৈষধ চৰিতেই" আটাইতকৈ কঠিন বুলি জনাজাত।

সন্দিকৈ ডাঙৰীয়াই ইয়াৰ পাছতেই "Yasastilaka and Indian Culture" নামৰ গবেষণাপূৰ্ণ তথ্যবহুল সমালোচনামূলক গ্ৰন্থখন শেষ কৰি উলিয়ায়। মূল গ্ৰন্থখন দশম শতিকাতে

প্ৰাচীন সংস্কৃত পণ্ডিত সোমনাথে ৰচনা কৰিছিল। গ্ৰন্থখনৰ মূল বিষয়বস্তু হৈছে জৈনধৰ্ম্ম, ভাৰতীয় চিন্তা আৰু সমসাময়িক ভাৰতীয় সংস্কৃতি। যশস্তিলক গ্ৰন্থখনত প্ৰাচীন ভাৰতীয় ভূগোল সম্বন্ধে এটি ওপৰঞ্চি বহুমূলীয়া ভৌগোলিক পৰিশিষ্ট সন্নিবেশ কৰিছে। সন্দিকৈৰ যশস্তিলকৰ আধাৰত ড° গকুলচন্দ্ৰ জৈনে "যশস্তিলকা সাংস্কৃতিক অধ্যয়ন" নামৰ এখন গ্ৰন্থ লিখি উলিয়াইছে। বেনাৰস হিন্দু ইউনিভাৰচিটিত পি, এইচ, ডি লবৰ কাৰণে লিখা এইখনেই হিন্দী নিবন্ধ।

সন্দিকৈৰ তৃতীয় কীৰ্ত্তিস্তম্ভ হৈছে "সেতুবন্ধ"। পঞ্চমশতিকাতে প্ৰবৰসেনে এই প্ৰাকৃত মহাকাব্যখন ৰচনা কৰিছিল। ৮০০ তকৈও অধিক পৃষ্ঠাৰ এই গ্ৰন্থখন শেষ কৰি উলিয়াওতে তেখেতৰ প্ৰায় এযুগ সময় লাগিছিল। এই মূল্যবান গ্ৰন্থখন প্ৰাকৃত টেক্সট ছ'চাইটিয়ে ১৯৭৬ চনত প্ৰকাশ কৰি উলিয়ায়। জাৰ্ম্মানীৰ প্ৰখ্যাত ভাৰততত্ত্বজ্ঞ পণ্ডিত আলব্ৰেখটবেবাৰে মন্তব্য দিছিল:

"এনে বোধহয় সেতুলন্ধ গ্ৰন্থখনে অধ্যাপক সন্দিকৈৰ পুষ্টি পাণ্ডিত্যৰ কাৰণে অপেক্ষা কৰি আছিল।"

সন্দিকৈৰ লাইব্ৰেৰীটোত প্ৰায় তিনিলাখ টকা মূল্যৰ কিতাপ আছিল। পঞ্চাশটা আলমাৰীৰে সৈতে ইংৰাজী, সংস্কৃত, পালি, প্ৰাকৃত, ফ্ৰেন্স, জাৰ্ম্মান, ইটালিয়ান, স্পেনিচ, গ্ৰীক আৰু ৰাচিয়ান সৰ্বমুঠ এঘাৰটা ভাষাৰ প্ৰায় পাঁচহেজাৰ কিতাপ আছিল। তাৰে তিনি হাজাৰখন সংস্কৃত, পালি আৰু প্ৰাকৃত ভাষাৰ, তিনিশ পঞ্চাশখন প্ৰাচীন ভাৰত বুৰঞ্জী, ছশখন সাধাৰণ বুৰঞ্জী, গ্ৰীকভাষাৰ প্ৰায় আঠশ পঞ্চাশখন আৰু বিভিন্ন ভাষাৰ পঁচাশীখন অভিধান আছিল।

এই বিৰাট লাইব্ৰেৰীটো ১৯৬৭ চনতে তিনিটা চৰ্তৰ সাপেক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ক দান দি যায়, চুক্তি অনুযায়ী সন্দিকৈ ডাঙৰীয়াৰ মৃত্যুৰ এমাহৰ ভিতৰত গ্ৰন্থসমূহ নি বিশ্ববিদ্যালয়ৰ এটি সুকীয়া শাখাত সন্দিকৈৰ নামত সংৰক্ষণ কৰিব আৰু পুথিসমূহ লাইব্ৰেৰীৰ চৌহদতে কেৱল ব্যৱহাৰ কৰিব। বাহিৰলৈ নি অধ্যয়ন কৰাৰ ব্যৱস্থা নাথাকিব।

দানবীৰ ৰাধাকান্ত সন্দিকৈৰ দানী পুত্ৰ কৃষ্ণকান্তই নগদ ধনৰ প্ৰায় ন লাখ টকা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু পুথি প্ৰকাশনৰ বাবদ দান দি গৈছে। তাৰ ভিতৰত পত্নী হেমলতা সন্দিকৈ মেমোৰিয়েল স্কুল, ছাত্ৰ-ছাত্ৰীৰ আবাস গৃহ, বিজুলী ব্যৱস্থাৰ নামত মুঠ পাঁচলাখ পয়ত্ৰিশ হাজাৰ টকা, চন্দ্ৰকান্ত অভিধানৰ ২য় সংস্কৰণৰ বাবদ গুৱাহাটী বিশ্ববিদ্যালয়ক সাতত্ৰিশ হাজাৰ টকা, চন্দ্ৰকান্ত অভিধানৰ সংশোধনী আৰু ৩য় সংস্কৰণ ছপাৰ বাবদ একলাখ দহ হাজাৰ টকা, জগন্নাথ বৰুৱা কলেজৰ বিজ্ঞান শাখালৈ এঘাৰ হাজাৰ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়লৈ দহ হাজাৰ, যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বাবে চৈধ্য হাজাৰ চন্দ্ৰকান্ত ট্ৰাষ্ট বোৰ্ডৰ নামত অসম সাহিত্য সভাক নহাজাৰ পাঁচশ চীনা আক্ৰমণৰ সময়ত ভাৰত চৰকাৰক আঠ হাজাৰ, ৰাধাকান্ত সন্দিকৈৰ জীৱনী ছপোৱাৰ নামত অসম সাহিত্য সভাক চাৰি হাজাৰ, ৰামায়ণৰ প্ৰথম খণ্ডৰ অনুবাদৰ বাবে অসম সাহিত্য সভাৰ যোগেদি কৰি চন্দ্ৰ মহন্তক দুই হাজাৰ, নলিনীবালা দেৱীৰ "অলকানন্দা" ছপোৱাৰ বাবে সাহিত্য সভাক তিনি হাজাৰ পাঁচশ আৰু আন্দ্ৰচ ছাত্ৰাৱক "প্ৰসঙ্গ কোষ" ছপোৱাৰ বাবদ এক হাজাৰ টকা দান কৰি যায়।

পালি, প্ৰাকৃত, সংস্কৃতকে আদি কৰি একেৰাহে পৃথিবীৰ তেৰটা ভাষা জনা পণ্ডিত হৈছে কৃষ্ণকান্ত সন্দিকৈ। এই গৰাকী জ্ঞানযোগীক ভাৰত চৰকাৰে ১৯৫৫ চনত "পদ্মশ্ৰী" আৰু ১৯৬৭ চনত "পদ্মভূষণ" উপাধি প্ৰদান কৰে।

এই গৰাকী মহিষীয়েই ১৯২৯ চনত অসম ছাত্ৰ সন্মিলনৰ আৰু ১৯৩৭ চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল। আকৌ এই গৰাকী ব্যক্তিকেই লক্ষ্ণৌত ১৯৫১ চনত বহা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ প্ৰাচীন সংস্কৃত বিভাগৰ সভাপতি, ১৯৫২ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ত ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্য্য আৰু প্ৰতিনিধি সভাত সভাপতি আৰু ১৯৬১ চনত শ্ৰীনগৰত বহা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলমৰ কাৰণে সাধাৰণ সভাপতি নিৰ্বাচিত হৈছিল।

অসমীয়াই গৌৰৱ কৰিব পৰা এগৰাকী বিদগ্ধ পণ্ডিত হ'ল সন্দিকৈ। তেওঁক অসমে যিমান জানে ভাৰতবৰ্ষই তাতকৈ বহুত বেছি জানে। পাশ্চাত্য জগতৰ পাচ্যতত্ত্ববিদ পণ্ডিত সমাজৰ আৰু বেছিকৈ পৰিচিত। এইজন ব্যক্তিৰ জীৱনত আমি পাওঁ এটা জ্ঞানপিপাসু মন, জ্ঞান আহৰণৰ বাবে আজীৱন সাধনাৰ অধ্যৱসায়। ভাষা শিকাৰ অদমনীয় আগ্ৰহ আৰু জ্ঞান লাভৰ কাৰণে বিভিন্ন ভাষাৰ পুথি অধ্যয়ন সন্দিকৈদেৱৰ জীৱনৰ বৈশিষ্ট্য।

প্ৰচাৰবিমুখ এইগৰাকী মনীষীয়ে বহুতৰ বাবে দুৰ্লভ, বহুতৰে চিৰ আকাঙ্খিত পদ্মভূষণ উপাধিৰ বাবে পোৱা চনদখন আৰু দুটা সোণৰ মুদ্ৰা আৰু পদ্মশ্ৰী উপাধিৰ বাবে পোৱা ৰূপৰ পদকটোও আন্দ্ৰছ ছাত্ৰাৱদেবক অৰ্পণ কৰি গৈছে।

কাৰো সহায় নোলোৱাকৈ যিজন ব্যক্তিয়ে নিজ চেষ্টাৰে গৱেষণা কৰি অতি মূল্যবান সাহিত্যৰে অসমৰ সাহিত্যৰ ভৰাঁল চহকী কৰি জগতজোৰা খ্যাতি থৈ গৈছে সেইজন মহান ব্যক্তি কৃষ্ণকান্ত সন্দিকৈয়ে ৮৪ বছৰ বয়সত যোৱা ৭ জুনত (১৯৮২ চন) বিশ্ববাসীক কন্দুৱাই চিৰ দিনৰ বাবে অনন্ত ধামলৈ গতি কৰিলে।

এইজন মহান ব্যক্তিৰ আত্মাই যেন চিৰশান্তি লাভ কৰে। ●

(সহায় লৈ লিখা)

# পৰিবৰ্ত্তন আমি কেনেদৰে গ্ৰহণ কৰা উচিত ?

অধ্যাপিকা পাঞ্চালী কোঁৱৰ

সৰ্বপলী ৰাধাকৃষ্ণণে কৈছিল, "Time does **not** stand still and change is the character of human life."

পৰিবৰ্ত্তনেই হৈছে সংসাৰৰ নিয়ম। এই পৰিবৰ্ত্তন মূহূৰ্ত্তে মূহূৰ্ত্তে হৈ আছে। অতীতৰ যি এটা নীতি আমি অমোঘ বুলি মানি লৈছিলো, আজি আৰু তাক তেনেদৰে মূল্যায়ণ নকৰো। আমি বাস কৰা পৃথিৱীখনৰে সময়ৰ গতিপথত নানা ভৌগোলিক পৰিবৰ্ত্তন পৰিলক্ষিত হৈছে। সেইদৰে মানুহৰ আচাৰ-ব্যৱহাৰ, সামাজিক অনুষ্ঠান আদিৰো পৰিবৰ্ত্তন হৈ থাকে। এনেবোৰ পৰিবৰ্ত্তনক কেন্দ্ৰ কৰিয়েই মানৱ জাতিৰ ইতিহাস ৰচিত হৈছে। ইয়াৰে কিছুমান পৰিবৰ্ত্তন ক্ৰমশ শামুকীয়া গতিত হৈছে আৰু কিছুমান দ্ৰুতগতিত সাধিত হৈছে। দ্ৰুতগতিত আহি পৰা এই পৰিবৰ্ত্তনবোৰে মানৱ জাতিৰ জীৱন ধাৰণৰ প্ৰণালীত বিপ্লৱৰ সৃষ্টি কৰিছে।

এনে এটা সময় আছিল যেতিয়া যন্ত্ৰৰ ব্যৱহাৰ মানুহে নাজানিছিল। কিন্তু শিল্প-বিপ্লৱৰ ফলত যন্ত্ৰৰ আবিষ্কাৰ হ'ল আৰু আজি যন্ত্ৰ আমাৰ দৈনন্দিন জীৱন যাত্ৰাৰ এৰাব নোৱাৰা আহিলা। এক কথাত কবলৈ গ'লে আধুনিক সভ্যতাই হৈছে যন্ত্ৰকেন্দ্ৰিক সভ্যতা। সেইদৰেই শিল্প-বিপ্লৱৰ লগে লগে উত্তৱ হ'ল ধন-তান্ত্ৰিক অৰ্থব্যৱস্থাৰ আৰু সময়ৰ বিবৰ্ত্তনৰ লগে লগে পৰিলক্ষিত হোৱা এই অৰ্থব্যৱস্থাৰ আসোঁৱাহবোৰ সমালোচনা কৰি কাৰ্ল মাৰ্ক্স নামে বিখ্যাত অৰ্থনীতিবিদে জন্ম দিলে সাম্যবাদতত্ত্বৰ। তেওঁৰ নীতিকে অনুসৰণ কৰি বিশ্বৰ বহুত দেশত বৰ্ত্তমানে সাম্যবাদী অৰ্থব্যৱস্থা প্ৰচলিত।

গতিকে পৰিবৰ্ত্তন অমোঘ আৰু ইয়াৰ অন্তৰালত লক্ষ্যও আছে। উদাহৰণ স্বৰূপে ধৰা যাওঁক সমাজ ব্যৱস্থাৰ কথাকে। অতীতত যি সমাজ ব্যৱস্থাই মানুহৰ প্ৰয়োজন পূৰণ কৰিছিল, সেই ব্যৱস্থাই বৰ্ত্তমানৰ সমস্যাৱলীৰ সমাধান দিবলৈ সক্ষম নহবও পাৰে। তেতিয়াই প্ৰয়োজন আহি পৰিব ইয়াৰ পৰিবৰ্ত্তনৰ। সেইদৰে সময়ৰ লগে লগে নতুন সমস্যা আৰু পৰিস্থিতিৰ উদ্ভৱ হয় আৰু সেয়েহে আজি যি সমাজ ব্যৱস্থা নিখুঁত বুলি ভবা হৈছে ভৱিষ্যত যুগৰ মানুহে তাক সেই ৰূপে গ্ৰহণ নকৰিবও পাৰে। অকল ব্যৱস্থাৰ ক্ষেত্ৰতে নহয়, বাকী সকলো বিষয়তেও সময়ৰ সোঁতত উদ্ভৱ হোৱা সমস্যা আৰু পৰিস্থিতিক সামৰি লবলৈ পৰিবৰ্ত্তন আহি পৰে। এনে পৰিবৰ্ত্তনৰ মাজেৰে যি বিকাশ হৈছে তাৰে নাম দিয়া হৈছে ক্ৰমবিকাশ।

মানুহৰ মন হ'ল পৰিবৰ্ত্তনমুখী। বৈচিত্ৰ্যতাৰ প্ৰতি অনুৰাগ মানুহৰ জন্মগত। নতুনৰ প্ৰতি মানুহ সদায় আকৰ্ষিত হৈ আহিছে। ইয়েই হ'ল সৃষ্টিধৰ্মী মানুহৰ সৃষ্টিশীলতাৰ উৎস। তাৰ প্ৰেৰণাতে মানুহে বিজ্ঞানৰ দিশত নতুন নতুন তথ্য-পাতি আবিষ্কাৰ কৰিছে, ৰাজনীতিত নতুন মতবাদৰ সৃষ্টি হৈছে, সাহিত্যৰ আকাশ সাত ৰৱণীয়া ৰামধেনুৰে খচিত হৈছে।

মানুহৰ মন যিদৰে পৰিবৰ্ত্তনমুখী, সেইদৰে দৃষ্টিভঙ্গীৰ সংকীৰ্ণতাৰে পৰিবৰ্ত্তনক বাধা দিয়াৰ স্বভাৱ এচাম মানুহৰ তেজত আছে। কিন্তু প্ৰকৃততে পৰিবৰ্ত্তনক আমি বাধা দিয়া উচিতনে ? ভিত্তিহীন মনোভাৱ মাৰাত্মক হ'ব পাৰে। প্ৰচলিত আৰু পুৰণি বুলি কিবা এটাক ধৰি থকাটো যুক্তিবিৰুদ্ধ। অতীতৰ বহুতো ভাল বস্তুৱে বৰ্ত্তমানৰ প্ৰয়োজন নপূৰাই কলুষিত কৰি তুলিবহে পাৰে। তেনেস্থলত নতুনৰ মাজত যিটো ভাল তাক আদৰি লব পৰাটোৱে বিবেচনাৰ পৰিচয় দিয়ে।

ন-পুৰণিৰ সমুচিত সমন্বয় সাধন কৰিব পৰাটো জ্ঞানী ব্যক্তিৰ পৰিচয়। পুৰণিৰ মাজত যিটো সাৰ পদাৰ্থ তাক নতুনৰ সৃষ্টিশীলতা আৰু যুগৰ উপযোগিতাৰ লগত সুসমন্বয় সাধন কৰি প্ৰতি যুগৰ মনীষীসকলে মানৱ জাতি আৰু সভ্যতাক ক্ৰমবিকাশৰ পথত আগুৱাই নিছে। কবি জীৱনানন্দ দাসে তেওঁৰ "সুচেতনা" নামৰ কবিতাটোৰ মাজেৰে এনেদৰে কৈছিলঃ

"এই পথে আলো জ্বেলে, এই পথেই পৃথিবীৰ
ক্ৰমমুক্তি হবে
সে অনেক শতাব্দীৰ মনীষীৰ কাজ।"

তাৰ মাজেৰে তেওঁ ইয়াকে বুজাইছিল যে মহিমাময়ী পৃথিৱীয়ে তেওঁৰ অসীম বদান্যতাৰে মানৱক দিছে এই অমূল্য জীৱন আৰু ৰূপ-ৰস গন্ধে-বৰ্ণে পৰিপূৰ্ণ প্ৰকৃতি। সন্দেহ নাই এই পৃথিৱীত নৃশংসতাও আছে। ঈশ্বৰ প্ৰদত্ত জীৱনীশক্তিৰ তাড়ণাত মানুহে যেনেকৈ সৃষ্টি কৰিছে, তেনেকৈ ধ্বংসও কৰা নাই কম। তথাপি আমি হতাশ হলে নহ'ব। আমি কৃতজ্ঞ হ'ব লাগিব সেই মহান শক্তিৰ ওচৰত যি আমাক দিছে অমূল্য জীৱন আৰু নানা সংঘাতৰ মাজেৰে তিষ্ঠি থাকিব পৰা অনিৰ্বাণ জীৱনীশক্তি। ঈশ্বৰ প্ৰদত্ত বিবেক আৰু জ্ঞানেৰে মানুহে ধ্বংসৰ মাজতো বিচাৰি পাব লাগিব সৃষ্টিৰ বীজ। প্ৰত্যেক যুগৰ মনীষীসকলে এই বাণীকেই বিয়পাই আহিছে। তেওঁলোকৰ ব্যক্তিত্বৰ সবলতা আৰু পৰিপক্কতাৰে কাৰ্য্যতো তাক পালন কৰি মানৱ জাতিক আশাৰ পথ দেখুৱাইছে। আমাৰ উঠি অহা ছাত্ৰ-ছাত্ৰীসকলেও এই পথকে অনুসৰণ কৰা উচিত নহ'বনে ? তেওঁলোকৰ মূল্যবোধক সুদৃঢ় কৰি গঢ়ি তুলিব লাগিব ইয়াৰ ভিত্তিতেই। তেওঁলোকৰ মাজৰে পৰা জানো ওলাই নাহিব অনাগত যুগৰ অগ্ৰণীসকল ? তেওঁলোকে গ্ৰহণ কৰা উচিত নতুন যুগৰ বৈজ্ঞানিক দৃষ্টিভঙ্গী, প্ৰকৃতাৰ্থত যি হ'ল নিৰাসক্ত সত্য অনুসন্ধানীৰ দৃষ্টিভঙ্গী। বহিৰ্বিশ্বৰ ঘটনাৱলী আৰু প্ৰকৃতিৰ নিয়মাৱলীৰ যুক্তিভিত্তিক পৰ্য্যালোচনা আৰু পুৰণিৰ মাজৰ পৰা বাচি লোৱা উচিত অন্তৰ্মুখিতা। যি অন্তৰ্মুখী সত্বাই পৰিচালিত কৰিছে আমাৰ মন আৰু শক্তিক, আন কথাত কবলৈ গ'লে বৈজ্ঞানিক অনুসন্ধানবো সিয়েই হ'ল

# গল্প


★ মৌন বেদনা

★ বিষাদ

★ আহৈতুকী অপেক্ষা

★ ঈশ্বৰৰ পুতলা

# ॥ মৌন বেদনা ॥

শ্ৰীদীপামণি বৰা
প্ৰাঃ বিঃ বিদ্যালয় ২য় বাৰ্ষিক
দিবা শাখা

বাচখন আহি যোৰহাট চাৰিআলিৰ ওচৰ পালেহি। আৰতিয়ে খিৰিকীখনেদি বাহিৰলৈ চাই পঠিয়ায়। চাৰিআলি পোৱাৰ লগে লগে তাইৰ মনটোও বেছি'ক উকণ্ঠা লাগি উঠিল। বাচখনত উঠাৰ পাছৰ পৰাই তাই নিজৰ ঘৰৰ মানুহবোৰৰ কথা, সিহঁতৰ ন-ঘৰখনৰ কথা আৰু পুৰণা স্মৃতিৰে ভৰা তাইৰ দুখলগা অতীতটোৰ কথাই মনটো তল ওপৰ কৰি আছিল। মানহৰ কোলাহলতে তাই বাস্তৱলৈ ঘূৰি আহিল আৰু লগে লগে লেডাৰ বেগটো লৈ নামি পৰিল। চাৰিআলি কাষৰ ৰাস্তাটোৰেদি তাই খোজ কাঢ়ি গৈ আছে লক্ষ্যস্থানলৈ। যাওঁতে বাপেকৰ কথাষাৰেই তাইক আমনি দিবলৈ ধৰিলে—"আৰতি, কামৰ মাজত নিজক বিলাই দে। লাহে লাহে আকৌ জীৱনটো বাস্তৱ যেন লাগিব। জীয়াই থকাৰ নতুন আশাও মনলৈ আহিব।"

কলংপাৰৰ ৰাস্তাটোৰেদি গৈ আৰতি অনাথ আশ্ৰমৰ পৰিচালিকা হৈমলতা দাসৰ ঘৰ পালেগৈ। বাহিৰৰ বন্ধ দুৱাৰখনত আৰতিয়ে টুকুৰিয়াই দিলে। অলপ পিচতে মিচ্ দাস ওলাই আহি আৰতিক ভিতৰলৈ লৈ গ'ল। কিছু জিৰণিৰ পিছত আৰতিক মিচ্ দাসে লৈ গ'ল অনাথ আশ্ৰমৰ শিশুহঁতৰ ওচৰলৈ। যত নাই আভিজাত্য আৰু বংশ মৰ্য্যাদাৰ গৌৰৱ। তাত আছে মাথোঁ জীৱনৰ এটি আচল ৰূপ।

* * *

নগাঁৱৰ বিখ্যাত ব্যৱসায়ী সুৰজ বেজবৰুৱা তেওঁৰ পত্নী মৃণী বেজবৰুৱা। এওঁলোকৰ বিবাহিতা জীৱনৰ প্ৰথম স্বাক্ষৰ আৰতি বেজবৰুৱা। আৰতিৰ পিছতে ননী, মমী আৰু দুদুল। কিন্তু ভুৱা আভিজাত্যৰ দ্বাৰা মুক হৈ থকা মাক-দেউতাকৰ মাজত ক্ৰমে আৰতি হৈ পৰিছিল এটা ধুমকেতু। কাৰণ আৰতি 'বোবা'। সৰু ল'ৰা-ছোৱালীৰ বাবে তিতা বস্তুতকৈ মিঠাবস্তু যিদৰে ভাল, সেইদৰে ক্ষণিক আভিজাত্যৰ দ্বাৰা গৌৰৱান্বিত মৃণী বেজবৰুৱাৰ বাবেও আৰতি হৈ পৰিছিল এটা অসহনীয় বোজা। যি বোজা বেজবৰুৱা পৰিয়ালৰ বাবে কঢ়িয়াই ফুৰাটো অসম্ভৱ হৈ পৰিছিল।

* * *

সময় কাৰো বাবেই ৰৈ নাথাকে। লাহে লাহে আৰতি যৌৱনৰ দুৱাৰদলিত ভৰি দিলে। কিন্তু! অইন সুস্থ ছোৱালীৰ দৰে আৰতিয়ে যৌৱনৰ সপোন ৰচিব নোৱাৰিছিল। বোবা হোৱাৰ উপৰিও আৰতি আছিল ননী আৰু মমীতকৈ কুৰূপা। উচ্চ শিক্ষা বুলি যি শিক্ষা আজি সমাজত প্ৰচলিত সেই শিক্ষাক আৰতিয়ে ঘিণ কৰে। সমাজ যদি ইমানেই উচ্চ তেন্তে আৰতিৰ

দৰে পঙ্গু মানৱ আজি সমাজৰ দ্বাৰা পৰিত্যক্ত কিয় ? এই উত্তৰ আৰতিৰ হাতত নাই, নাই উচ্চ সমাজত। আৰতিৰ জীৱনটোৱে অলেখ আশাৰ কেন্দ্ৰ কৰি ঘূৰিছিল। কিন্তু সেই আশাক ভাঙি চূৰমাৰ কৰি দিছিল আৰতিৰ অভিশপ্ত জীৱনটোৱে। বেলিৰ পোহৰ যেতিয়া শেষ হয় তেতিয়া পৃথিৱীত মাটিৰ চাকিৰে আন্ধাৰ দূৰ কৰে। কিন্তু মানুহৰ মনৰ যেতিয়া পোহৰ শেষ হয় তেতিয়া মাটিৰ চাকিয়ে কেতিয়াও আন্ধাৰ নাশ কৰিব নোৱাৰে। কিন্তু আৰতিক পাৰিছিল। সমাজত যেতিয়া আৰতি 'বোবা' এই দুটা আখৰে পৰিচিত হৈছিল, তেতিয়াই আৰতিয়ে পাইছিল অনাথ আশ্ৰমৰ নিমন্ত্ৰণী পত্ৰ। তাই সাদৰেৰে গ্ৰহণ কৰিছিল। ইয়াৰ বাহিৰে আৰতিৰ অন্য উপায় নাছিল। কাৰণ জীৱন-ৰশ্মি ধাৰ কৰি হলেও আৰতিয়ে জীৱনৰ পটভূমি বৰ্ণালী ৰচাৰ সপোন দেখিছিল। মাক-দেউতাকে ভাবিছিল আৰতিৰ জীৱনটো হৃৎপিণ্ডৰ মাজেদি অহা-যোৱা কৰা অকণমান ৰক্তহে ? সেয়ে হয়তো তেওঁলোকে তাইৰ মনটোৰ বুজ নলয়। কিন্তু আৰতিয়ে জীৱনটোৰ শেষভাগ চাব খোজে। সেয়ে তাই আহিছে অনাথ আশ্ৰমলৈ সমস্যাৰ সমাধান বিচাৰি নহয়, সৌন্দৰ্য্য বিচাৰি। অনাথ শিশুহঁতৰ ওচৰলৈ সাধাৰণ হাঁহি অশ্ৰু বিচাৰি নহয়, মানুহৰ মাজত থকা দেৱত্বৰ সন্ধেদ বিচাৰি।

* * *

কোনে জানে কাৰ জীৱনত কেতিয়া কি ভাৱে আহি পৰে পৰিবৰ্ত্তন। বহুত কথা নভবাকৈয়ে আহি পৰে। অনাথ আশ্ৰমৰ শিশুহঁতৰ ওচৰত আৰতিয়ে কল্পনাৰ অন্তৰালত ৰচিছিল এখন অমৰাৱতী। কিন্তু নিষ্ঠুৰ মাকৰ চিঠিৰ পৰা যেতিয়া আৰতিয়ে গম পালে যে তাইৰে ভনীয়েক ননী আৰু মমীৰ বিয়া হৈ গ'ল, তেতিয়া আৰতি স্থিৰে থাকিব পৰা নাছিল। "বোবা" হোৱাৰ বাবেই যে আৰতি ইমান পৰিত্যক্ত হব তাই কেতিয়াও ভবা নাছিল। ভনীয়েকহঁত "কইনা" হোৱা চাবলৈ আৰতিৰ বৰ ইচ্ছা গৈছিল। কিন্তু আৰতিয়ে অলপ সময়ৰ বাবেও হ'লে পাহৰি গ'ল তাই এখন উপহাস, প্ৰৱঞ্চনাৰে ভৰা পৃথিৱীৰ পৰা আঁতৰি এখন নতুন জগতলৈ আহিছে, য'ত পৃথিৱীৰ কঠোৰ অভিজ্ঞতাই পৰশিব নোৱাৰে।

বিদ্যাই মানুহক জ্ঞানী কৰে। ৰূপে জীৱনৰ গভীৰ আন্ধাৰত লুকাই থকা জ্যোতিময় পোহৰৰ সন্ধেদ দিয়ে। কিন্তু আৰতি ইয়াৰ একোৰেই প্ৰাপ্য নহয়। অজানিতে তাইৰ চকুৰ পৰা দুধাৰি লোতক বাগৰি পৰিল। লগে লগে তাইৰ কোনোবা এজন কবিয়ে গোৱা কবিতা ফাঁকিলে মনত পৰিল—

"কোনোৱে চুই যায় কোনোৱে চাই যায়
চেনেহ কৰিব বুলি কৰো মই ভুল
ৰাতিটো পাৰ হ'লে ৰাতিপুৱাই
মোক জনাই দিব—
বাটৰ কাষৰ মই
বনৰীয়া ফুল।" ●





# বিষাদ

শ্ৰীপ্ৰীতিলতা কাৰ্কতি
স্নাতক, ২য় বাৰ্ষিক।

ৰাতিপুৱাৰ পৰা পমাৰ মনটো অলপো ভাল লগা নাছিল। মাক-দেউতাকৰ মাত্ৰ দুটি সন্তান পমা আৰু পলাশে অতি সৰুতে মাকক হেৰুৱালে। গতিকে দেউতাকেৰ মৰমত ডাঙৰ-দীঘল হোৱা পমা আৰু ভায়েক পলাশে দেউতাকৰ কোনো কথাই বিৰোধ কৰা নাছিল। অৱশ্যে দেউতাকেও সিহঁতক কোনো কামতে বাধা দিয়া নাছিল। দেউতাকে সিহঁতক মাত্ৰ এবাৰেই কথা কয় যে, "ভগৱানক বিশ্বাস ৰাখি কৰ্ত্তব্য পথত আগবাঢ়ি যাবি। দেখিবি মোৰো আশা পূৰণ হৈছে আৰু তহঁতৰো কষ্ট সফল হৈছে।" দেউতাকৰ সেই কথাষাৰলৈ মনত পৰিলে পমাৰ সৰ্বশৰীৰ কঁপি উঠে। কাৰণ তাই চেষ্টা কৰিও দেউতাকৰ আশা পূৰণ কৰিব পৰা নাই। অশেষ চেষ্টা কৰিও তাই যি ফল পাইছে সেয়াই যেন দেউতাকক অলপো সন্তুষ্ট কৰিব পৰা নাই। মেট্ৰিকত প্ৰথম বিভাগত পাছ কৰা পমাই ইচ্ছা কৰিয়েই ক'লা বিভাগত নাম ভৰ্ত্তি কৰিলে। তাই ভাবিলে প্ৰাক্‌বিশ্ববিদ্যালয়ৰ পৰীক্ষাতো প্ৰথম বিভাগত উত্তীৰ্ণ হব। কিন্তু তাই দ্বিতীয় বিভাগতহে উত্তীৰ্ণ হ'ল।

সেইদিনা বিদেশী নাগৰিক সমস্যাৰ সংক্ৰান্তত অসমৰ ছাত্ৰ সন্থাৰ আহ্বানত 'পথ বন্ধ" আন্দোলন আছিল। সাধাৰণতে আন্দোলনত পমা কোনো দিন ঘৰৰ ভিতৰত সোমাই নাথাকে। কিন্তু দেউতাকৰ কথা ৰাখিয়েই সেইদিনা পমা ঘৰৰ পৰা বাহিৰ হোৱা নাছিল। পমাই বাৰান্দাৰ চকী এখনতে বহি ভবিষ্যতে আন্দোলনৰ ফলাফল কি হব ভাৱি আছিল। তাই ভাল দৰেই জানিছিল যে সেইদিনা অসমৰ বুকুৰ পৰা কেইজনমান যুৱকে প্ৰাণ হেৰুৱাব। এনেবোৰ ভাৱতে বিভোৰ হৈ তাই ৰাজপথলৈ চাই থাকিল, লানি নিচিঙা জন-সাধাৰণক।

গুৰুম্! গুৰুম……। বহুত বাৰ গুলীৰ শব্দ। পমাৰ গাটো শিয়ঁৰি উঠিল। এনেতে শুনিলে জনসাধাৰণৰ মাজৰে কোনোবাই চিঞৰিছে: ধৰ্ ধৰ্, পৰিল, পৰিল, দুটা-দুটা। পমাই এবাৰো ভবা নাছিল সেই দুটাৰ মাজতে তাইৰ মৰমৰ বন্ধু অৰূপো থাকিব। যেতিয়া তাই শুনিলে অৰূপৰ ভৰিত গুলী লাগিছে, তেতিয়া তাইৰ চকুৰ পৰা ধাৰাষাৰে চকুৰ পানী ওলাবলৈ ধৰিলে। অৰূপক উদ্ধাৰ কৰিবৰ কাৰণে তাইৰ ৰাজপথলৈ দৌৰ দিবৰ মন গ'ল। কিন্তু লগে লগে দেউতাকৰ কথালৈ মনত পৰিল। সেয়ে তাই মনটোক দমাই ৰাখিলে। তাই ভাৱিলে—দেউতাকৰ বাধাতকৈ অৰূপৰ দুৰ্ঘটনা ডাঙৰ কৰিলে তাইৰ অন্যায় হব। অৰূপৰ কাৰণে পমাৰ মনটো বৰ দুখ লাগে। সৰুতে পিতৃহীনা হ'ল কাৰণেই হয়তো অৰূপক পমাই বৰ মৰম কৰিছিল। বয়সত অৰূপ পমাতকৈ কেইবছৰ মান সৰু হলেও দুয়ো একেলগে পঢ়িছিল। সেয়ে

দুয়োৰ মাজত বন্ধুত্বৰ ভাব গঢ়ি উঠিছিল।

পিছ দিনা স্নাতক পঢ়িবৰ কাৰণে পমা ছাত্ৰী বাসলৈ বুলি যাত্ৰা কৰিছে। বাছত গোটেই বাটটোত তাইৰ চকুৰ আগত অৰূপৰ অহাৰ সময়ত দেখা মুখখন ভাঁহি থাকিল। ছাত্ৰীবাসৰ প্ৰথম নিশা অতি কষ্টৰে পাৰ কৰিছিল পমাই। গধূলি হোৱাৰ লগে লগে তাইৰ দেউতাকলৈ মনত পৰিল। কাৰণ কামৰ পৰা আহি দেউতাকে সদায় পমাকেই 'মা' বুলি মাত দিয়েহি। পমা কোনো দিন দেউতাকৰ ওচৰৰ পৰা দূৰত থকা নাছিল। সেয়ে হয়তো সেই নিশাটোৰ কথা মনত পৰিলে পমাৰ এতিয়াও চকুৰ পানী ওলায়। প্ৰথমতে বেয়া লাগিছিল যদিও পিছলৈ পমাৰ ছাত্ৰী বাসত থাকি ভাল লাগিছিল। লাহে লাহে পমা সকলো অধ্যাপক আৰু ছাত্ৰীৰ মাজত সোমাই পৰিল। পিছলৈ অধ্যাপক আৰু ছাত্ৰীসকলে ভাবি লৈছিল পমা প্ৰথম বিভাগত উত্তীৰ্ণ হব।

এনেতে আহি পৰিল সেই অভাৱনীয় দিনটো। সেইদিনা পমাৰ অন্তিপাত জ্বৰ। তাই মুখেৰে কেৱল দেউতাক আৰু ভায়েকক মাতি আছিল। লগৰে বান্ধৱী এজনীয়ে দেউতাক আৰু ভায়েকলৈ খবৰ পঠিয়ালে। কাৰোবাৰ মুখেৰে খবৰ পাই দেউতাকহঁত অহাৰ আগতে পঙ্কজ অৰূপ বন্ধু এজনৰ সহায়ত ডাক্তৰ এজনক লগত লৈ পমাৰ ওচৰ পালেহি। পমাৰ সেই অৱস্থাত ডাক্তৰজনে একো কৰিব পৰা নাযাব বুলি কলে। ভাল কৰাৰ একো পথ নেদেখি অৰূপৰ চকুৰ পৰা চকুৰ পানী পৰিল। অৰূপৰ চকুত পানী দেখি পমা নিৰৱে ৰব নোৱাৰিলে তাই উচুপি উচুপি অৰূপক কবলৈ ধৰিলে 'ভগৱানৰ ইচ্ছাত আমাৰ হাত নাই।" পিছৰ মাতখিনি ক্ৰমান্বয়ে সৰু হৈ পৰিছিল। এনেতে দেউতাক আৰু পলাশ আহি পমাৰ ওচৰত থিয় হ'ল। ভায়েকৰ চকুত ধাৰাষাৰে চকুৰ পানী। পমাই মাত্ৰ অপলক নয়নেৰে ভায়েক আৰু দেউতাকৰ চকুলৈ চাই আছিল। তাইৰ দুই চকুত চকুপানী। তাই 'দেউতা' বুলি মাতিও সম্পূৰ্ণকৈ মাতিব নোৱাৰিলে। লগে লগে ডাক্তৰে বগা কাপোৰ এখনেৰে পমাৰ সৰ্বশৰীৰ ঢাকি দিলে। দেউতাকেও 'মা'……… বুলি পমাৰ গাত বাগৰি পৰিল। ভায়েক বজ্ৰপাত পৰা মানুহৰ দৰে অলৰ-অচৰ হৈ থিয় হৈ থাকিল। ●

> "যদি আমি সঁচাকৈয়ে অসমীয়া ভাষাৰ উন্নতি কৰিব খুজিছোঁ, তেনেহ'লে তাৰ বৰ্তমান দীন অৱস্থা দূৰ কৰিব লাগিব। তাকে কৰিবলৈ হ'লে আমাৰ দেশত শিক্ষিত লোকসকলে কোনো লাভৰ আশা নকৰাকৈ মাতৃভাষাৰ সেৱা ব্ৰত কৰিব লাগিব। জাতীয় স্বাৰ্থৰ ওচৰত নিজৰ স্বাৰ্থ বলিদান কৰিব লাগিব। বলিদানৰ বাহিৰে কেতিয়াও কোনো যজ্ঞ সম্পাদন কৰিব নোৱাৰি।"
>
> —হেমচন্দ্ৰ গোস্বামী (১৯২০)



# ॥ অহৈতুকী অপেক্ষা ॥

শ্ৰীহীৰামণি বৰা
প্ৰাক্‌বিশ্ববিদ্যালয় দ্বিতীয় বাৰ্ষিক

"টেলিগ্ৰাম!"

হঠাৎ বাহিৰত শব্দটো শুনি শেৱালি পঢ়া কোঠাৰ পৰা লৰালৰিকৈ ওলাই আহি টেলিগ্ৰামখন পিয়নৰ পৰা ললে। এইখন কুন্তলৰ টেলিগ্ৰাম। সেয়ে শেৱালিয়ে কাকো নোকোৱাকৈ নিজৰ পঢ়া কোঠাত সোমাল। সেইখন মোকোলাই চাই শেৱালি স্থবিৰ পৰা মানুহৰ দৰে হ'ল। কুন্তলৰ এতিয়া কেনেকুৱা অৱস্থা হ'ব, তাই ভাবিয়ে উত্‌পোৱা নাই। দেউতাকৰ জীৱন দৰ্শনৰ কথাকে সদায়ে কৈ থকা কুন্তলটোৰ অৱস্থা কেনেকুৱা হ'ব বাৰু? শেৱালিয়ে কুন্তলৰ কথাকে ভাবি কিবা হৈ গ'ল। সেই সময়ত কুন্তল অফিচত আছিল, গতিকে তাই নিজে গৈ অফিচৰ পৰা মাতি আনি ঘৰত খবৰটো জনোৱাটোকে ঠিক কৰিলে। ঘৰত মাত্ৰ মাকক কথাটো কৈ তাই লৰালৰিকৈ কুন্তলৰ অফিচলৈ বুলি ওলাই গৈ ৰাস্তাত এখন ৰিক্সা ললে।

"এই ৰিক্সাৱালা' কোঁচগাঁৱলৈ ব'লা।"

শেৱালিয়ে ৰিক্সাত বহি তাইৰ আগত কোৱা কুন্তলৰ কথাবোৰকে ভাবি যাব ধৰিলে। সঁচায়ে কুন্তলটো কেনে ধৰণৰ! খুব কথা কোৱা, সুন্দৰ সুঠাম দেহা, ধুনীয়াকৈ মুখখনৰ লগত গুৱাই পৰাকৈ একোচা মোচ। দেখিলে যেই কোনোৱে এপাক চাব, সেই অনবৰতে ৰঙা পৰি থকা আপেল ৰঙৰ মুখখনলৈ।

কুন্তলৰ ঘৰ সুদূৰ নগাঁও জিলাৰ কামপুৰৰ ভিতৰৰ এখন গাৱঁত। সৰুতেই কপিলী নৈৰ বানপানীত কুন্তলৰ মাক ঢুকাল। বাপেকে বহুত কষ্ট কৰি কুন্তলক আৰু কুন্তলৰ একমাত্ৰ ভনীয়েকক তুলি-তালি ডাঙৰ-দীঘল কৰিলে। গাঁৱৰ বহুতেই ল'ৰা-ছোৱালী হাল সৰু হৈ থকা বাবে কুন্তলৰ বাপেকক দ্বিতীয় বিবাহ পাতিবলৈ কৈছিল। কিন্তু বাপেকে নাপাতিলে। পাঠশালা স্কুলৰ প্ৰধান শিক্ষকৰ চাকৰি আৰু কিছু খেতিৰ মাটি থকা দেউতাকে কুন্তলক কামপুৰ বহুমুখী উচ্চতৰ বিদ্যালয়ত পঢ়াইছিল। দেউতাকৰ কথা আছিল এয়ে যে কুন্তলে ভালকৈ পৰীক্ষাত পাছ কৰি বাননিয়ন্ত্ৰণ বিভাগত ইঞ্জিনিয়াৰ হ'ব লাগিব। সঁচায়ে কুন্তলে বিজ্ঞান বিষয়ত প্ৰথম বিভাগত পাছ কৰি গুৱাহাটীত ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ গ'ল। ভনীয়েক সাদৰীয়ে তাৰ দুবছৰৰ পাছত মেট্ৰিকৰ দেওনা পাৰ হোৱাত আৰু দেউতাকে নপঢ়ালে। কুন্তলে ইঞ্জিনিয়াৰিং পাচ কৰি অহাৰ পিছতেই প্ৰথমে বিশ্বনাথ চাৰিআলিৰ বান-নিয়ন্ত্ৰণ বিভাগত সহকাৰী ইঞ্জিনিয়াৰৰ কাম পায়। ইয়াতেই আজি দুবছৰ হ'ল। এই দুবছৰ ইয়াত শেৱালিহঁতৰ ভাৰা ঘৰতে আছে। ভাৰা কৰি আছে যদিও আজিকালি সিহঁতৰ ঘৰখনত কুন্তল নিজৰ মানুহৰ দৰে হৈ গ'ল। যোৱা বছৰ গৈ ভনীয়েকক বিয়া দিলে উত্তৰ গুৱাহাটীৰ ইঞ্জিনিয়াৰ বন্ধু এজনলৈকে।

মাত্ৰ এতিয়া ঘৰত কুন্তল আৰু দেউতাক। কুন্তল ইয়াতেই থাকে, ঘৰত মাথো দেউতাক। এইবাৰ বহাগত দেউতাকে কুন্তলৰ বিয়াখন পতাব জোৰ কৰিছিল। কুন্তলে কিন্তু ইচ্ছা নকৰিলে। এই-বিলাক শেৱালিয়ে তাৰ পৰা জনা কথা।

কুন্তলে দেউতাকৰ কথা কৈ কোনোবাদিনা মনে মনে চকুপানী টোকে। দেউতাকৰ আদৰ্শ আৰু কথা-বতৰা বিলাকৰ কাৰণেই আজি কুন্তলে উপযুক্ততা লাভ কৰাৰ উপৰিও গোটেই অঞ্চলটোৰ নাম আনিছিল। কুন্তল যেতিয়া ইঞ্জিনিয়াৰিঙৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল। তেতিয়া দেউতকে কামপুৰ পশ্চিমাঞ্চলৰ বহুত ৰাইজক লগত লৈ কুন্তলৰ ওচৰ পাইছিল গৈ। আৰু কুন্তলক লগত লৈ ৰাজধানীলৈ গৈ মন্ত্ৰী মহোদয়ক লগ ধৰি সিহঁতৰ গাৱঁৰ মাজেদি অৰ্থাৎ কপিলীৰ কাষেদি এটা মথাউৰি মৰাৰ ব্যৱস্থা কৰি থৈ আহিছিল। সেই. মথাউৰিটোৰ কথা কুন্তলে দেখোন ভালকৈ কৈছিল। কিন্তু আকৌ বানপানীত ৰাপেক.ঢুকাল। এইটো কেনে কথা। মথাউৰি চিগিল নেকি? বানপানীত মৃত্যু? হাজাৰ হাজাৰ প্ৰশ্ন তাইৰ মনত উঠিবলৈ ধৰিলে।

"অই অই, ৰাখ, আকৌ ঘূৰাই ল।"

"অলপ আগুৱাই আহিলি।"

অফিচৰ সন্মুখত ৰিক্সা ৰ'ল আৰু শেৱালি গৈ কুন্তলৰ ওচৰ পালেগৈ। এঘণ্টাৰ আগত মাথো শেৱালিক মাত লগাই অফিচলৈ অহাৰ পিছত আকৌ শেৱালি অফিছলৈ আহিছে। কুন্তলৰ খং উঠিল যদিও একো উ.নকলে। শেৱালিয়ে মাত্ৰ ঘৰত কম বুলি অফিচৰ পৰা মাতি লৈ আহিল। ঘৰত আহি তাই নিৰবে কুন্তলক টেলিগ্ৰামখন দিলে। কিন্তু কুন্তলৰ যে মুখত মাত নাই, চকু-পানী ওলোৱা নাই, ঠৰ হৈ গ'ল! কি হ'ল

॥ চলিছে ॥

এইয়া কুন্তলৰ? কিবা হবনেকি এতিয়া?

শেৱালিয়ে নিজেই সকলো কানি-কাপোৰ ঠিক কৰি, টকা পইচাৰ ব্যৱস্থা কৰি দি আবেলিৰ ফেৰীত যোৱাৰ ব্যৱস্থা কৰি দিলে। আৰু নিজেও ফেৰী ঘাটলৈকে আগবঢ়াই দিবলৈ ওলাল। সেই মতেই কুন্তলে সকলো ব্যৱস্থা ঠিক কৰি লৈ অফিচত সোমাই খবৰটো জনাই অফিচৰে জীপখন লৈ ফেৰী ঘাটলৈকে আহিল।

গোটেই ৰাস্তাডোখৰ কোনো মাতবোল নাই কুন্তলৰ মাথো শেৱালিয়েই কেইটামান প্ৰয়োজনীয় কথা মনত পেলাই দিলে। আৰু মনটোৰ দৃঢ়তা হেৰুৱাই নেপেলাবৰ কাৰণে ক'লে। শেৱালিয়ে কুন্তলক এই দুবছৰে লগ পাই কুন্তলৰ জীৱন দৰ্শনৰ কথা বুজি উঠিছিল। যদিও শেৱালি সৰু ছোৱালী বয়সত, তথাপি কুন্তলৰ কাৰণে যেন অভিভাৱকহে, তেনেধৰণে কথা বতৰা কৈ গৈছিল। সিহঁত গৈ ফেৰীঘাট পালেগৈ। ফেৰী নোযোৱালৈকে শেৱালিয়ে ৰৈ চাই থাকিল কুন্তলৰ ফালে। কুন্তলৰ দেউতাক ঢুকোৱাৰ দুখত দুখ হৈ এই বাৰিষা ভৰা ব্ৰহ্মপুত্ৰ নদীয়েও যেন দুখী কৰিছে। শান্ত, ধীৰ, নৈখন দেখি তেনে যেন ধাৰনাই হৈছে। আকাশ কেউপিনে মেঘাচ্ছন হৈ আহিছে। প্ৰকৃতিয়েও যেন কুন্তলৰ দুখত সম-বেদনা জনাইছে। তথাপিও জানো কুন্তলৰ জীৱনত চলি অহা ধুমুহাৰ অন্ত আছে! সেই সৰুৰে পৰা লগ পোৱা ধুমুহাই যেন লগ এৰা নাই। কেতিয়াবা জানো লগ এৰিব এই ধুমুহাই? ভগৱানে চকু মেলি নাচাবনে? শেৱালিৰ মনত আজি হাজাৰ প্ৰশ্ন। কুন্তলৰ কাৰণে নেদেখাজনলৈ চাই তাই প্ৰাৰ্থনা জনাইছে।

জাহাজৰ যাত্ৰা আৰম্ভ হ'ল। জাহাজৰ



ৰেলিঙৰ কাষত কুন্তলে থিয় হৈ শেৱালিৰ ফালে চাই আছে। চকুৰ পানী মাথো বৈ আছে দুগা-লেদি নিৰবচ্ছিন্নভাৱে আৰু শেৱালিয়ে ... ... ... জীপখনৰ ওচৰত ৰৈ জাহাজ মনিব নোৱাৰালৈকে একে থৰে চাই আছে। আৰু ভাবিছে কুন্তলৰ কথাকে। কিয় জানো অজানিতেই হঠাৎ শেৱালিৰো চকুৰ পানী ওলাই আহিল। চকুৰ আগত নদীৰ পানীৰ সোণালী ৰং, বহুতো স্মৃতিৰ কণা যেন ভাত উটি উটি গৈ আছে। আৰু তাই ভাবিব নোৱাৰিলে। মাথো জীপত উঠি ঘৰলৈ ঘূৰি আহিল। তাই যেন কুন্তলৰ অপেক্ষাত নহালৈকে আশাৰে বাট চাই থাকিব। ●

"অসমীয়া ভাষাৰ বহুত শব্দ আৰু খণ্ডবাক্য আমাৰ সচৰাচৰ লিখিত ভাষাৰ পৰা এতিয়াও বাদ পৰি আছে। সাহিত্যিক সৌষ্ঠৱ ক্ষুণ্ণ নকৰাকৈ এইবিলাক আমাৰ লিখিত ভাষাৰ অন্তৰ্গত কৰি ল'ব পাৰিলে আমাৰ ভাষাৰ সম্পদ বাঢ়িব। বিশেষকৈ পুৰণি অসমীয়া ভাষাৰ পৰাও শব্দ-সম্পদ আৰু সঁজুলি আহৰণ কৰাটো লোভনীয় হ'ব।"

—কৃষ্ণকান্ত সন্দিকৈ (১৯৩৭)



॥ একচল্লিছ ॥

# ॥ ঈশ্বৰৰ পুতলা ॥

শ্ৰীমল্লিকা দেৱী
প্ৰাক্‌বিশ্ববিদ্যালয় দ্বিতীয় বাৰ্ষিক

দোকমোকালিতেই বুঢ়ীজনীক দেখা পাব। সৌ ষ্টেচনৰ পৰা আৰম্ভ কৰি পূবফালে ঘূৰি যোৱা ৰেল গেইট পাৰ হৈ কিছুদূৰলৈকে, এইখিনিয়েই তাইৰ পৰিসীমা। কম দূৰ নহয়! কি যেন সদায় বিৰ-বিৰাই থাকে, কিন্তু প্ৰশ্ন কৰি চাওক, কোনো উত্তৰ নাপাব। অকল এবাৰ আপোনাৰ পিনে চাই ম্লান হাঁহি মুখখন আকৌ তললৈ নমাই খোজ কাঢ়িবলৈ লব। আপুনি যদি ডেকা লৰা হয় তেন্তে সেই চাৱনিটো দীৰ্ঘস্থায়ী হ'ব। এনেদৰে চাব যেন আপুনি তাইৰ কত আপোন, স্নেহৰ সম্পৰ্ক থকা অতি আপোন মানুহ। আৰু তাইৰ চকু দুয়োটাই যেন আপোনাৰ মাজত হেৰাই যোৱা কিবা এটা বিচাৰে!

মানুহে এতিয়া তাইৰ বিষয়ে আৰু কোনো কৌতূহল প্ৰকাশ নকৰে। কিন্তু তাইক দেখি বৰ দুখ লাগে। কাপোৰৰ অৱস্থা নিচেই বেয়া, যেনে লেতেৰা তেনে ফটা; তাৰ লগত নিজৰ ভঙা চেহেৰাটোও মিলি গৈছে। হাত-ভৰিবোৰ পানীত তিতি ৰ'দত পুৰি কলা ৰঙ ধৰিছে আৰু কোচ খাই গৈছে। সদায় খাব পায় নে তাৰো সন্দেহ আছে। যদিও তাইৰ মুখৰ পৰা এটাও মাত নোলায়, তথাপি মানুহে কয় যে তাইৰ ঘৰটো গাৱঁৰ শেষ প্ৰান্তত থকা অংশত আছিল। তাইৰ প্ৰতিবেশীৰ মাজত থকা এজন এতিয়াও সেই গাঁৱতে আছে। আন আন প্ৰতিবেশীবোৰ বেলেগ গাৱঁলৈ গুচি গৈছে। মই এদিন প্ৰস্তুত হৈ সেই মানুহজনৰ ঘৰলৈ গলো, নজনা কথা জানিবলৈ। সেই মানুহজনৰ নামটো এতিয়া মোৰ মনত নাই। যি কি নহওক, সেই ব্যক্তিৰ ঘৰত তেওঁ, তেওঁৰ ঘৈণীয়েক আৰু দুজন ল'ৰা সন্তান আছে। মই যেতিয়া গৈ পালো, তেতিয়া ঘৰত অকল বৃদ্ধ আৰু বৃদ্ধা আছিল। তেতিয়া সেই বৃদ্ধ ব্যক্তিৰ ওচৰত মই মোৰ আগমণৰ উদ্দেশ্য ব্যাখ্যা কৰিলো। সেই ব্যক্তিজন কেইপগমান স্তব্ধ হৈ বহি ৰ'ল, কিবা যেন চিন্তা কৰিলে। তাৰ পাছত মূৰ জোকাৰি ক'লেঃ 'হয়, তাই এতিয়া আৰু স্বাভাৱিক মানুহ নহয়—কেনেকৈ হ'ব? তাইৰ এই পৰিণতিৰ এটা সৰু ইতিহাস আছে।'

বৃদ্ধজনে কবলৈ আৰম্ভ কৰিলে— "মই তাইক সৰুৰে পৰা জানো। আমি একে গাঁৱৰে মানুহ। ঈশ্বৰে তাইৰ জীৱনটোক যেন অকল দুখেৰে সজাইছে। নহলে কিয় এদিনৰ কাৰণেও তাই সুখ নাপালে? যেতিয়া তাইৰ বাৰ বছৰ বয়স তেতিয়া দেউতাক ঢুকাল আৰু ভাই-ভনী নথকাত, নিঃসহায় মাক আৰু তাই যেনে তেনেকৈ গাঁৱৰ মানুহৰ সহায়ত চলি আছিল। কিন্তু ঈশ্বৰে এই চলি থকাটোকো যেন ভাল নাপালে, ফলস্বৰূপে তাইৰ মাক অতিৰিক্ত পৰিশ্ৰম আৰু অপুষ্টিৰ কাৰণে তাইক এৰি ইহলোক ত্যাগ কৰিলে। তেতিয়া ছোৱালীজনীৰ বয়স ২০ বছৰ। তাৰ পাছত আমাৰ সমাজত যি হয়, তাইৰ কোনোবা সম্পৰ্কীয় মাহীয়েক আহি তাইক নিজা ঘৰলৈ বিনা পইচাত কাম কৰাবলৈ লৈ গ'ল আৰু এটা নিৰ্যাতনৰ অধ্যায় আৰম্ভ হ'ল। কিন্তু আমি এদিন সুখী হৈছিলো, যেতিয়া শুনিলোযে আমাৰ গাঁৱৰে এজন ডেকাই তাইক বিয়া কৰাইছে! আমি তেতিয়া তাইক আশীৰ্বাদ কৰিছিলোঁ সুখী হবলৈ। কিন্তু আমাৰ সেই আশীৰ্বাদক উপহাস কৰি বিয়াৰ দহবছৰৰ ভিতৰতে এটা দুৰ্ঘটনাত, এটা ল'ৰা আৰু স্ত্ৰীক অসীম এন্ধাৰৰ মাজত পেলাই তাইৰ স্বামীয়ে চিৰদিনৰ কাৰণে সংসাৰ ত্যাগ কৰিলে।"

বৃদ্ধ ব্যক্তিজনে অলপপৰ মনে মনে থাকি পুনৰ আৰম্ভ কৰিলে—'ইয়াতেই যদি সকলো ঘটনাৰ সমাপ্তি হ'লহেঁতেন তেন্তে ভালেই আছিল। কিন্তু মই আগতেই কৈছো যে তাই এই জীৱনত কেতিয়াও সুখী হ'ব নোৱাৰিলে। একমাত্ৰ ল'ৰাটোৰে সৈতে তাই কোনো মতে খাই-নাখাই চলি আছিল। যেতিয়া লৰাটোৰ বয়স প্ৰায় ১৭ নাইবা ১৮, এদিন সি মাকক ক'লে যে— সি চহৰলৈ যাব, তাত সি ভাল কাম পাব আৰু তাৰ পৰাই মাকলৈ টকা-পইচা পঠাব। এটাই মাত্ৰ ল'ৰা, সেই কাৰণে তাই প্ৰথমে এৰিব খোজা নাছিল। কিন্তু লৰাটোৱে জোৰ কৰাত অনিচ্ছাসত্বেও তাক যাবলৈ দিলে। প্ৰথম মাহত কোনো খবৰ নাহিলে কিন্তু পিছৰ মাহৰ পৰা টকা আহিব ধৰিলে। তেতিয়া তাই খুব আনন্দ পাইছিল আৰু সকলোকে এই খবৰটো দিছিল। তথাপি তাইৰ মনত দুশ্চিন্তা। চহৰ কেতিয়াও ভাল নহয়। কেতিয়া কি হব কোনেও নাজানে। যি কি নহওক, ভালেই চলি আছিল। কিন্তু এদিন হঠাতে টকা অহা বন্ধ হ'ল খবৰ অহা বন্ধ হ'ল। এমাহ গ'ল। প্ৰতিবেশীয়ে সান্ত্বনা দিলে যে চিন্তা নকৰিব, নিশ্চয় কিবা কামত ব্যস্ত আছে নাইবা কামত বেলেগ ঠাইলৈ যাব লগা হৈছে। খবৰ নিশ্চয় আহিব। কিন্তু দুমাহ গ'ল তিনি মাহো যাব ধৰিলে। তেতিয়া আৰু তাই সুস্থিৰে থাকিব নোৱাৰিলে। সকলো ভয় আৰু গাঁৱৰ আন আন মানুহৰ কথাকে আওকাণ কৰি চহৰত আহি উপস্থিত হ'লহি। কিন্তু ইমান ডাঙৰ চহৰত ল'ৰাক ক'ত বিচাৰি পাব। পিছত আমি খবৰ পাইছিলোঁ যে ল'ৰাটো চিটি বাছত কণ্ডাকটৰ আছিল। এদিন বাছৰ দৰজাৰ মুখত ওলমি থকা অৱস্থাত এখন গাড়ী আহি তাক খুন্দা মাৰে আৰু তাতেই তাৰ মৃত্যু হয়। কিন্তু তাই এই খবৰ নাজানে। অতি আদৰৰ ল'ৰাক তাই বিচাৰি আছে সেই পুৱাৰ পৰা ৰাতিলৈকে।'

এটা দীৰ্ঘশ্বাস এৰি বৃদ্ধজনে ক'লে— 'বোধকৰো মৃত্যুৰ আগলৈকে তাই তাক বিচাৰি যাব। কিন্তু আচৰিত কথা যে এই বিচাৰি ফুৰা কামত তাইৰ অকণো ক্লান্তি নাই।' মানুহজনে তেওঁৰ কথা বন্ধ কৰি মূৰটো দুই আঠুৰ মাজত সুমুৱাই বহি ৰ'ল। মোৰ ফালে আৰু মন নকৰিলে।"

বিমৰ্ষ মনেৰে যেতিয়া বৃদ্ধৰ ঘৰৰ পৰা ওলাই আহিলো, তেতিয়া বেলি প্ৰায় শেষ হৈ আহিছে। পশ্চিম আকাশখন ৰঙা হৈ পৰিছে। ●

## মহৎলোকৰ বাণী ঃ

শ্ৰীপাৰুল মেধী
প্ৰাকবিশ্ববিদ্যালয় ২য় বাৰ্ষিক

( বিভিন্ন পুথি আৰু বাতৰি কাকতৰ পৰা সংগ্ৰহ কৰা হৈছে। )

মানুহৰ শান্তিৰ সহপাঠী সমাজতহে হব পাৰে, হিমালয়ৰ শৃঙ্গত নহয়।

- মহাত্মা গান্ধী

অত্যধিক আৰামে দৈহিক সুখ দিয়ে সঁচা, কিন্তু ই মনৰ শক্তি দুৰ্বল কৰি পেলায়।

—মাৰ্চেল পাউষ্ট

সত্য প্ৰতিষ্ঠা কৰাতকৈ অসত্যক ধ্বংস কৰিবলৈহে বেছি সময় লাগে।

- পিটাৰ লেঠাম

---

শায়েৰী—

“কই জহা মে হমাৰী তৰহ গৰীব ন হো।
গৰীব হো তো ভী হম জেইসা বদ্‌নসীব ন হো।”

এই সংসাৰত মোৰ দৰে যাতে কোনো দুখীয়া নহয়। কেতিয়াবা কেনেবাকৈ দুখীয়া হলেও, মোৰ দৰে যাতে দুৰ্ভগীয়া নহয়।

“যো তমান্না দিল মে থী,
ৰহ দিলমে ঘোতকৰ ৰই গই
ওচ্‌নে ভী পুছা নহী
হম্‌নে ভী বতায়া নহী।”

যিবোৰ আশা আকাংক্ষা মনত অঙ্কুৰিত হৈ আছিল, সেইবোৰ অন্তৰতেই থাকি গ'ল।

তেওঁ মোক নুশুধিলে— আৰু ময়ো কব নোৱাৰিলো।

—স্বপ্না থাটনিয়াৰ
স্নাতক ২য় বাৰ্ষিক (কলা)

# কবিতা

★ সুময়ৰ বালিচৰত
★ উপেক্ষিতা উৰ্মিলা
★ দুটি স্কেচ্
★ একাজলি মৰম
★ ক্ৰুশ-বিদ্ধ বুদ্ধ
★ আন্দোলন
★ চৰৈবেতি—চৰৈবেতি
★ আমাৰ মহাবিদ্যালয়ৰ প্ৰতি
★ নিষ্ঠুৰ কাল
★ বিচাৰ লাগে
★ নতুন পুৰুষ
★ এটি মৃতদেহ : এজনী গণিকাৰ
★ প্ৰতিশোধ
★ চিঞৰ

## গীত ঃ

● পুৰাৰ সুৰুয়ে আহি ...
● কণমাণি অ' ভণ্টিজনী ...
● ধুনীয়া জোনাক নিশা ..
● আমি ৰং দিওঁ ...
● মন উৰনীয়া পখী ..

## সময় বালিচৰত

শ্ৰীস্বপ্না থাটনিয়াৰ
স্নাতক ২য় বাৰ্ষিক

সময়ৰ বালিচৰত
লাগি ৰয়
নিস্পেষিতৰ
কেচাঁ ঘামৰ কৰাল ?
মন্ত্ৰমুগ্ধৰ দৰেই
পাৰ কৰে
সিহঁতে
জীৱনৰ প্ৰতিটো ক্ষণ ... ॥
অদূৰত জিলিকে
শোষকহঁতৰ
অট্টালিকাৰ—
গৰ্বিত চূড়া,
নিস্পেষণৰ প্ৰতিৰোধত
সিহঁতে বিচাৰে—
মাত্ৰ
কেচাঁ ৰঙা কলিজাৰ তেজ !
আৰু ?
শ্ৰমিকৰ চকুত জিলিকে
কেৱল
শাণিত অস্ত্ৰৰ
চিক্‌মিকনি ॥

000